
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

### দিগ্‌দৰ্শন



প্ৰতিজন মানুহৰে জীৱনৰ একে ধৰণেই সমাপ্তি ঘটে। তেওঁ জীৱনটো কেনেদৰে জীয়ালে আৰু কেনেদৰে মৃত্যুবৰণ কৰিলে সিহে তেওঁক আনৰ পৰা পৃথক কৰে।

আৰ্নেষ্ট হেমিংৱে
*আমেৰিকাৰ লেখক-সাংবাদিক*

৭ আমেৰিকাৰ ৩৩ কোটিৰ হাতত আছে ৪০ কোটি বন্দুক
১৫ ভাৰতৰ পৰা জয় কাঢ়িলে ৰুট-জনীয়ে
৪ প্ৰত্যাহ্বান সত্ত্বেও সাংবাদিকতা সত্যানুসন্ধানৰ জীৱনৰেখা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৬তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২১ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৬ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 6 July 2022 মূল্য ঃ ৯.০০ টকা

■ অসম চৰকাৰৰ কেবিনেটৰ ঐতিহাসিক সিদ্ধান্তত উৎফুল্লিত ■ মেট্ৰিকত প্ৰথম বিভাগপ্ৰাপ্ত সকলোৱে পাব ১৬ হেজাৰ টকাকৈ ■ ৰাজ্যত প্ৰথমবাৰলৈ তথ্য নীতি-স্ক্ৰেপ নীতি গ্ৰহণ

# পাঁচ ইছলামধৰ্মী জনগোষ্ঠীক খিলঞ্জীয়াৰ স্বীকৃতি

**পাৰিতোষিক বৃদ্ধি পৌৰসভাৰ অধ্যক্ষ-উপাধ্যক্ষ-সদস্যৰ**

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ৫ জুলাই ঃ** ৰাজ্যৰ পাঁচটা ইছলামধৰ্মী জনগোষ্ঠীক আজি অসম চৰকাৰে ৰাজ্যৰ অসমীয়া খিলঞ্জীয়া মুছলমান বুলি স্বীকৃতি প্ৰদান কৰে। জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকে এই সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই কয়, 'গৰিয়া, মৰিয়া, দেশী, জলহা আৰু ছৈয়দ—এই পাঁচটা ইছলামধৰ্মী জনগোষ্ঠীক অসমীয়া খিলঞ্জীয়া মুছলমানৰূপে আজি স্বীকৃতি দিয়া হয়। ইয়াৰ জলহাসকল চাহ বাগিচা অঞ্চলৰ। দেশীসকল প্ৰধানকৈ নামনি অসমত বাস কৰে।' আজিৰ কেবিনেটত শিক্ষা, নগৰ উন্নয়ন, পৰিবহণ, উদ্যোগ আদি বিভাগৰো কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১০ পৃষ্ঠাত চাওক

## সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাক মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব নিযুক্তি

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ৫ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিবৰূপে নিযুক্তি দিয়া হৈছে ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাক। পূৰ্বতে এই পদত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা অধিষ্ঠিত আছিল আৰু আজি সাংসদ মাৰ্ঘেৰিটাক এই পদত নিযুক্তি ১০ পৃষ্ঠাত চাওক

## চৰকাৰ-মন্ত্ৰী পীযুষক ধন্যবাদ পৰিয়ালৰ
## আশংকাক সত্য প্ৰমাণিত কৰি উভতি আহিল ৰাজুৰ মৃতদেহ



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৫ জুলাই ঃ** মণিপুৰৰ ননে জিলাৰ টুপুলত যোৱা ২৮ জুনৰ নিশা সংঘটিত ভয়াৱহ ভূমিস্খলনৰ কবলত পৰি নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ ১০ পৃষ্ঠাত চাওক



*বিশ্বখ্যাত অমৰনাথ যাত্ৰাৰ তীৰ্থযাত্ৰীৰ সমদলৰ দৃশ্য, মঙলবাৰে।*

## আজি প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিব 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ



**কলাক্ষেত্ৰত কাৰ্যসূচীৰ আয়োজন**

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ৫ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ 'অগ্ৰদূত' কাকতৰ সোণালী জয়ন্তী সমাৰোহৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। এই উপলক্ষে কাইলৈ বিয়লি ৩-৩০ বজাৰ পৰা মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীৰ পৰা পোনপটীয়াকৈ ভিডিঅ'কনফাৰেন্সিঙৰ জৰিয়তে অগ্ৰদূতৰ সোণালী ১০ পৃষ্ঠাত চাওক

■ কুশতলিত দেৱজিৎ আৰু আকাশৰ চিতা জ্বলিল ■ বিগত তিনিদিনত আঠটা মৃতদেহ সৎকাৰ-আৰু কিমান জ্বলিব জুই

## নিৰাপত্তা বাহিনীত অন্তৰ্ভুক্ত হোৱাৰ সপোন ছাই হ'ল চিতাত



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ৫ জুলাই ঃ** চিতাৰ জুইৰ ধোঁৱাই এতিয়া মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলি অঞ্চলৰ আকাশ ছানি ধৰিছে। দৈনিক অঞ্চলটোলৈ মণিপুৰৰ পৰা ইটোৰ পাছত সিটোকৈ মৃতদেহ আহিবলৈ ধৰিছে। একেদৰে আজিও অঞ্চলটোলৈ দুজন শ্ৰমিকৰ মৃতদেহ দুখন ১০ পৃষ্ঠাত চাওক


## গুলিবিদ্ধ ছাত্ৰ নেতাক দোষমুক্ত কৰি চি আই ডিৰ অভিযোগনামা

বিশেষ সংবাদদাতা

**নগাঁও, ৫ জুলাই ঃ** যোৱা ২২ জানুৱাৰীৰ সন্ধিয়া নগাঁও চহৰৰ কচলুখোৱাত প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তি কমল বৰাক গুলীয়াই আহত কৰা ঘটনাৰ সন্দৰ্ভত তেওঁৰ পিতৃ নীল কমল বৰাই ৰুজু কৰা গোচৰৰ সন্দৰ্ভত তদন্ত কৰি চিআইডিএ ১০ পৃষ্ঠাত চাওক

## পাভৈ চাহ বাগিচাত ৰুক্মিণীৰ মনত সজীৱ হৈছে দ্ৰোপদীৰ স্মৃতি

২০০৬ত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰৰ সময়ত উপহাৰ দিয়া শাৰী ১৬ বছৰৰ পাছত পেৰাৰ পৰা উলিয়াই পৰিধান



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৫ জুলাই ঃ** দ্ৰোপদী মুৰ্মু এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত হোৱাত উৎফুল্লিত হৈ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২১ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৬ জুলাই ২০২২

# ভূমিস্খলন

ৰেলপথ নিৰ্মাণ, ৰাস্তা নিৰ্মাণ তথা উন্নয়ন আদি কৰোঁতে সংশ্লিষ্ট বিভাগ তথা চৰকাৰে পৰিৱেশ তথা নিৰ্মাণ কৰিবলগীয়া অঞ্চলৰ ভৌগোলিক সংকুলতা আদি ভালদৰে পৰীক্ষা-নিৰীক্ষা কৰিহে আগবাঢ়িব লাগে। পিছে বহুতো ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহে এইবোৰ দিশলৈ চকু নিদি জধে-মধে নিৰ্মাণ কাৰ্য সম্পন্ন কৰে। এনে ধৰণৰ অবিবেচক সিদ্ধান্তৰ ফলত দেশত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত ভালেমান প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি হৈছে আৰু বহুতো লোক মৃত্যুমুখত পৰিছে।

অলপতে মণিপুৰৰ ননী জিলাৰ টুপুলত ৰেল প্ৰকল্প নিৰ্মাণ কৰি থকা অঞ্চলত হোৱা ভূমিস্খলনৰ ফলত ৩৭ জনতকৈয়ো অধিক লোকে প্ৰাণ হেৰুৱাইছে আৰু প্ৰায় ২৮ জন লোক এতিয়াও সন্ধানহীন হৈ আছে। ভূমিস্খলনৰ ফলত কাষৰীয়া নৈৰ জলপ্ৰবাহ বন্ধ হৈ যোৱাৰ ফলত নিম্নভূমিত বানপানীৰ আশংকাই দেখা দিছে। চৰকাৰৰ দুৰ্যোগ পৰিচালনা বিভাগে এই দুৰ্ঘটনা পৰীক্ষা কৰি আছে যদিও অধিক সচেতনতামূলক ব্যৱস্থা নকৰিলে অদূৰ ভৱিষ্যতে পৰিস্থিতি অধিক গুৰুতৰ হ'ব পাৰে। পাহাৰীয়া অঞ্চলত বিশেষকৈ বাৰিষা কালত ভূমিস্খলন হোৱা দেখা যায়। আনহে নালাগে, স্বয়ং গুৱাহাটী মহানগৰীৰ বুকুতেই ভালেমান ভূমিস্খলনৰ ঘটনা প্ৰত্যেক বছৰে ঘটি আহিছে। অলপতে হাফলঙত হোৱা ভূমিস্খলনৰ ফলত ভালেমান লোকৰ মৃত্যু হৈছিল। ৰেল বিভাগে অঞ্চলটোৰ পৰিৱেশ আৰু প্ৰাকৃতিক দুৰ্যোগৰ বিষয়টো ভালদৰে বিবেচনা নকৰাৰ বাবেই নতুনকৈ নিৰ্মাণ কৰা হাফলং-শিলচৰ ৰেলপথছোৱাৰ ভালেমান ঠাইত ভূমিস্খলন ঘটিছে আৰু ৰেলপথৰ বিস্তৰ ক্ষতিসাধন হৈছে। মণিপুৰৰ ক্ষেত্ৰতো নিৰ্মীয়মান ৰেল প্ৰকল্পৰ কাষত এই দুৰ্যোগৰ সৃষ্টি হৈছে। যোৱা ২০১৪ৰ পৰা ২০২০ৰ ভিতৰত মণিপুৰত প্ৰায় ২০টা বৃহৎ ভূমিস্খলনৰ ঘটনা ঘটিছে।

কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰণালয়ৰ মতে মণিপুৰৰ টুপুলত হেলনীয়া ঠাইবোৰ জধে-মধে খন্দা, ৰাস্তা বহল কৰা তথা নিৰ্মাণ কাৰ্যৰ বাবে প্ৰয়োজন হোৱা শিলবোৰ পাহাৰ ভাঙি আহৰণ কৰাৰ ফলত ভূমিস্খলন হৈছে। তদুপৰি সংশ্লিষ্ট বিভাগসমূহে অঞ্চলটোৰ মাটি তথা পাহাৰৰ গাঁথনি আদি ভালদৰে অধ্যয়ন নকৰাকৈয়ে নিৰ্মাণ কাৰ্য অথবা উন্নয়ন কাৰ্য আৰম্ভ কৰাৰ বাবেহে এনে ধৰণৰ দুৰ্যোগ ঘটিবলৈ পাইছে। ৰেলপথ তথা পথ বহল কৰাৰ আঁচনি হাতত লোৱাৰ আগেয়ে বিভাগে সেই অঞ্চলৰ ভূমিৰ গুণাগুণবোৰ ভালদৰে অধ্যয়ন কৰা প্ৰয়োজন।

ছিকিম, অৰুণাচল প্ৰদেশ, মেঘালয় আদি ৰাজ্যবোৰত আৰু আনকি অসমতো বাৰিষা কালত পাহাৰৰ মাটি খহি ৰাস্তা-ঘাট বন্ধ কৰা, খহি অহা মাটিয়ে ঘৰ-বাৰী পুতি পেলোৱাৰ ফলত বহু লোকৰ মৃত্যু হোৱাৰ বাতৰি সততে প্ৰকাশ পাই আহিছে। সেয়েহে ভূমিস্খলনৰ সম্ভাৱনাৰ বাতৰি আগতীয়াকৈ দিব পৰাকৈ বৈজ্ঞানিক ব্যৱস্থাৰ সন্ধান কৰাৰ প্ৰয়োজনীয়তা অনুভৱ হৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে উন্নত যাতায়াত ব্যৱস্থা আমাক লাগে; কিন্তু তাকে কৰিবলৈ যাওঁতে প্ৰকৃতিৰ ওপৰত জধে-মধে হস্তক্ষেপ কৰিলে তাৰ ফলাফল ওলোটাহে হ'বগৈ। তদুপৰি উত্তৰ পূৰ্বাঞ্চলত বন বিভাগ তথা ৰাজ্য চৰকাৰসমূহৰ অনীহাৰ বাবেই এতিয়াও ব্যাপক হাৰত বনাঞ্চল ধ্বংস হৈ আছে। বৃহৎ বৃহৎ গছবোৰ কাটি বগৰাই দিয়া হৈছে। মেঘালয়ৰ আপাৰ শ্বিলং অঞ্চলত ৰাস্তা বহলোৱাৰ নামত হেজাৰ হেজাৰ পাইন, চেগুন আদি মূল্যৱান গছ কাটি তহিলং কৰা হৈছে। এনেদৰে নিৰ্মাণ কৰা ৰাস্তাবোৰ কিমানদিন বৰ্তি থাকিব তথা ইয়াত ভূমিস্খলন যে নহ'ব, তাক ডাঠি ক'ব নোৱাৰি। প্ৰকৃতিৰ ওপৰত অনভিপ্ৰেত হস্তক্ষেপ দেশৰ প্ৰাকৃতিক দুৰ্যোগৰ অন্যতম কাৰণ। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাত এইবাৰ হোৱা প্ৰলয়ংকৰী বানপানী যে প্ৰকৃতিৰ ওপৰত মানুহৰ হস্তক্ষেপৰ ফলশ্ৰুতিত হোৱা জলবায়ুৰ পৰিৱৰ্তনৰ বাবেই হৈছে সেয়া নিশ্চিত বুলি ক'ব পাৰি।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?

**বিহু** অসমৰ জাতীয় উৎসৱ। কৃষিজীৱী অসমীয়া সমাজত বিহুৰ তাৎপৰ্য বহলভাৱে ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। অসমৰ সমাজ জীৱনত সাঙোৰ খাই থকা প্ৰতিটো স্তৰত বিহুৰ স্বকীয় বৈশিষ্ট্য ধাৰাই আৱহমান গতিৰে এক প্ৰীতিৰ সদ্‌ভাৱনা তথা মিলনৰ সাঁকো বহন কৰি আহিছে। বিশেষকৈ ৰঙালী বিহুৱে অসমীয়া কৃষিভিত্তিক সমাজখনত বিস্তৰ প্ৰভাৱ পেলাই আছে। অসমীয়া জনসাধাৰণৰ মনত ৰঙালী বিহুৰ চৌদিশ মুখৰিত কৰি তোলা ৰঙৰ সঁফুৰাই প্ৰতিজনৰে মনত এক প্ৰাণৰ স্পন্দন জগাই তোলে।

ঋতুৰাজ বসন্তৰ ৰূপ-লাৱণ্যই যুগে যুগে প্ৰকৃতিৰ নৱ ৰূপৰ অনুভূতি জগাই তুলি ন সাজে সজাই প্ৰকৃতিৰাণীক চিৰ যৌৱনা কৰি তোলে। প্ৰকৃতিৰ স্নিগ্ধ সুন্দৰতাৰ প্ৰাণোৎচ্ছল হাঁহিয়ে ডেকা-গাভৰুৰ লগতে বুঢ়া-বুঢ়ীৰ মনকো তেজস্বিনী সৌন্দৰ্যতাৰ শাশ্বত ঢৌৰে বিঢৌত কৰে। সুগন্ধি কেতেকী-কপৌ ফুলৰ সুৱাস, প্ৰকৃতিৰ নৱ ৰূপ, হিৰন্ময়ী ৰ'দকাঁচলি, আকাশত জাক-জাক চৰাইৰ চলাচল, কুলি-কেতেকীৰ সুৱদি মাতে বিহুৰ বতৰত সূৰুযমুখী স্বপ্নত বিভোৰ হোৱা ডেকা-গাভৰুৰ মনত শিহৰণ যোগায়। ৰঙালী বিহুৰ এনে সদ্‌ভাৱনাৰ মাজেৰে অসমীয়া সমাজখনৰ বিভিন্ন জনগোষ্ঠীৰ মাজত গঢ়ি উঠিছে সমন্বয়ৰ সম্প্ৰীতি। ফলত পাহাৰ-ভৈয়ামৰ মাজত থকা সুসমন্বয়ৰ এনাজৰীডাল ক্ৰমে আৰু অধিক কটকটীয়া হৈ পৰিছে।

**গিৰীন্দ্ৰ মেধি,** *লেখক*

অসমীয়া শিপিনীৰ আদৰৰ প্ৰতীক বিহুৱানখন। অসমীয়া শিপিনীৰ হাতেৰে বৈ তোলা বিহুৱান বা গামোচাৰে বিহু মঞ্চৰ সৌষ্ঠৱ বঢ়োৱা সন্মানীয় অভ্যাগতসকলক সম্বৰ্ধনা জনোৱা হোৱা নাই। ৰাজ্যৰ বাহিৰৰ পৰা আমদানিকৃত গামোচাৰে সম্বৰ্ধনা জনাই অসমীয়া শিপিনীৰ 'কবচ' সদৃশ এই বিহুৱানখনক অৱমাননা কৰা হৈছে। বিহু মঞ্চৰ আয়োজকসকলে থলুৱা জাতীয় সাজ-পাৰ পিন্ধি অসমীয়াৰ আত্মচেতনাৰ পৰিচয় দিবলৈ অৱহেলা কৰা দেখা গৈছে। বিহু মঞ্চত উপবিষ্ট অভ্যাগত অতিথিসকলেও বিহুৰ পৰম্পৰা, ঐতিহ্য, জাতীয় জীৱনত বিহুৰ অৱিহণা আদিক লৈ দীঘলীয়া বক্তৃতা প্ৰদান কৰি জাউৰীয়ে জাউৰীয়ে হাত চাপৰিৰে দৰ্শক ৰাইজৰ পৰা সমাদৰ লভে; কিন্তু জাতীয় সাজ-পাৰ পিন্ধি অসমীয়া বুলি পৰিচয় দিবলৈ অপাৰগতা প্ৰকাশ কৰে। বিহু মঞ্চৰ বিশেষ আকৰ্ষণ স্থানীয় তথা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক সন্ধিয়া। সংস্কৃতিৰ স'তে জড়িত শিল্পী সমাজৰো এই ক্ষেত্ৰত ব্যতিক্ৰম দেখা যায়। ৰংচঙীয়া সাজ-পাৰ পৰিধান কৰি শিল্পীসকলেও সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত সংগীত পৰিৱেশন কৰি আছে। আনহাতে, বিহু পতাৰ নামত থলুৱা লোক কলা-কৃষ্টিক অগ্ৰাধিকাৰ নিদি আয়োজকসকলে বিহুৰ পৰম্পৰাগত কোনো কালে আহি নপৰা এক সস্তীয়া লজ্জিত নব্য কৃষ্টিৰ সৃষ্টিৰে সমাজখনক প্ৰদূষিত কৰি তুলিছে। একেদৰে সংস্কৃতিপ্ৰেমীক একাংশ ৰাইজৰ শৃংখলাহীন মানসিকতাৰ বাবেও বিহু মঞ্চসমূহৰ ঐতিহ্য ৰক্ষা পৰাত বাধাৰ সৃষ্টি হৈছে। একাংশ দৰ্শক-ৰাইজৰ উৎপতীয়া স্বভাৱে আয়োজকসকলক বাৰুকৈয়ে বিপাঙত পেলায়।

বৰ্তমান অসমীয়া সমাজ জীৱনত বিহু মঞ্চসমূহৰ এনে পৰম্পৰাই বিহুৰ ঐতিহ্য ৰক্ষাত যথেষ্ট প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। বিহুৰ স্বকীয়তাক প্ৰাণ-প্ৰাচুৰ্যৰে ওপচাই নুতুলি বিকৃত মানসিকতাৰে আগবঢ়াই নিলে অসমীয়া জাতিটোৰ সামগ্ৰিক সত্বাক অৱনমিত কৰি তুলিব। অসমৰ সমাজ জীৱনত বিকৃত বিহুৰ মানসিকতাই গা কৰি উঠিলে অদূৰ ভৱিষ্যতৰ গৰ্ভত বিহুৰ পৰম্পৰা তথা সদ্‌ভাৱনাৰ প্ৰীতিত কেনে ধৰণৰ সাঁচ বহুৱাব, তাক সহজেই অনুমান কৰিব পাৰি।


*ফোন ঃ ৭৫৭৭৮৭২১৮৭*

## 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ ভাৱনা

# প্ৰত্যাহ্বান সত্ত্বেও সাংবাদিকতা সত্যানুসন্ধানৰ জীৱনৰেখা



**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

অনিয়মীয়া সাংবাদিকতা আমি আৰম্ভ কৰিছিলো 'তিনিদিনীয়া অগ্ৰদূত'ৰ পাতত। যদিও ইয়াৰ আগেয়ে কবিতা, গল্প আদি বহুতো বিভিন্ন আলোচনী, সাপ্তাহিক কাকত আদিত প্ৰকাশ পাইছিল, তিনিদিনীয়া অগ্ৰদূততেই আমি সেই সময়ৰ আৰ্থ-সামাজিক-ৰাজনৈতিক আদি ছিৰিয়াছ প্ৰবন্ধ লিখিছিলো। সেই সময়ত অগ্ৰদূত আছিল প্ৰগতিশীল তথা বাওঁপন্থী চিন্তাধাৰাৰে পুষ্ট এখন তিনিদিনীয়া সংবাদপত্ৰ। অৱশ্যে 'অগ্ৰদূত' কোনো আদৰ্শৰ মুখপত্ৰ নাছিল, ভিন্ন মত ইয়াত মুকলিভাৱে প্ৰকাশ পাইছিল।

বিশেষকৈ জৰুৰীকালীন অৱস্থাৰ পাছত আমাৰ দেশত মুক্ত চিন্তাৰ এক আন্দোলন আৰম্ভ হৈছিল। গণতন্ত্ৰ, বাক স্বাধীনতা, মানৱাধিকাৰ, নাগৰিকৰ মৌলিক অধিকাৰ, দায়িত্ববোধ ইত্যাদিক লৈ চলিছিল বিতৰ্ক। জয়প্ৰকাশৰ নেতৃত্বত হোৱা সাৰ্বিক আন্দোলনৰ প্ৰভাৱে সমাজত এক সমাজবাদী চিন্তাধাৰাৰ উদ্ৰেক কৰিছিল। একেই সময়ছোৱাতেই ভাৰতবৰ্ষত বাওঁপন্থী আন্দোলন গা কৰি উঠিছিল। ১৯৭৭ত পশ্চিমবংগত বাওঁফ্ৰন্ট চৰকাৰ গঠিত হৈছিল। ১৯৭৮ত ত্ৰিপুৰাত গঠিত হৈছিল বাওঁফ্ৰন্ট চৰকাৰ। ১৯৮০ত কেৰালাতো বাওঁফ্ৰন্টৰ চৰকাৰ গঠন হৈছিল। অসমতো ১৯৭৮ৰ বিধানসভাৰ নিৰ্বাচনৰ পাছত অসম বিধানসভাত ১৩ গৰাকীকৈ বাওঁপন্থী দলৰ বিধায়ক নিৰ্বাচিত হৈছিল। সমাজবাদী নেতা গোলাপ বৰবৰাৰ নেতৃত্বত ১৯৭৮ত জনতা দলৰ চৰকাৰ গঠিত হৈছিল। সমগ্ৰ দেশৰ লগতে অসমতো এক প্ৰগতিশীল নতুন চিন্তাৰ জোৱাৰ উঠিছিল। ৰাজ্যখনৰ সকলো বাতৰি কাকততে এই সামাজিক চিন্তাৰ প্ৰতিফলন হোৱা নাছিল। তেতিয়া সংবাদ মাধ্যম বুলিবলৈ আছিল দুখনমান দৈনিক বাতৰি কাকত আৰু সৰহভাগ সাপ্তাহিক, পযেকীয়া তথা মাহেকীয়া আলোচনী। ইলেক্ট্ৰনিক মিডিয়া বুলিবলৈ আছিল অল ইণ্ডিয়া ৰেডিঅ'— যিয়ে কেৱল চৰকাৰী ভাষ্যহে প্ৰচাৰ কৰিছিল। জৰুৰীকালীন অৱস্থাতো অগ্ৰদূতৰ প্ৰকাশ অব্যাহত আছিল যদিও অন্যান্য কাকতৰ দৰেই চেন্সৰশ্বিপৰ কেচিয়ে বহু বাতৰি কৰ্তন কৰিছিল। বহু সম্পাদকীয় উকা হৈ প্ৰকাশ পাইছিল। অসমত তিনিদিনীয়া কাকত বুলিবলৈ নাছিল। সেই সময়ত তিনিদিনীয়া কাকত এখন নিয়মীয়াভাৱে প্ৰকাশ কৰি থকাটো এক প্ৰকাৰৰ কষ্টসাধ্য আছিল। শ্ৰদ্ধেয় কনকসেন ডেকাৰ নিৰন্তৰ প্ৰয়াস আৰু উদ্দীপনাই এই কাকতখনক জীয়াই ৰাখিবলৈ সক্ষম হৈছিল। বিজ্ঞাপনৰ অভাৱত জৰুৰীকালীন অৱস্থাত বহু কাকত-আলোচনী বন্ধ হৈ গৈছিল। যিকেইখন কাকত প্ৰকাশ পাইছিল, তাত চৰকাৰৰ সমালোচনামূলক কোনো বাতৰি প্ৰকাশ নাপাইছিল। তেতিয়া ৰাজ্যৰ জনসংযোগ বিভাগে বাতৰি কাকতৰ সকলো তথ্য খবৰ পঢ়ি তাক ছপাবলৈ সন্মতি দিলেহে ছপাব পাৰিছিল। শেষ মুহূৰ্তত বহু বাতৰিৰ ওপৰত চেন্সৰশ্বিপ আৰোপ কৰাৰ ফলত বাতৰি কাকতৰ বহু ঠাই উকা হৈয়েই প্ৰকাশ পাইছিল। তেনে এক শ্বাসৰুদ্ধ পৰিৱেশৰ সময়তো বাতৰি কাকত এখন জীয়াই থকাটো ডাঙৰ কথা। বৃহৎ দৈনিক কাকতবোৰৰ কথা সুকীয়া; কিন্তু অগ্ৰদূতৰ দৰে এখনি পোনতে মফছল চহৰৰ পৰা প্ৰকাশ পোৱা কাকত এখন জীয়াই থকাটো আছিল এক বৃহৎ প্ৰত্যাহ্বান। জৰুৰীকালীন অৱস্থাৰ পাছত দেশখনৰ বৌদ্ধিক জগতত হোৱা জাগৰণৰ ফলত অগ্ৰদূত কাকতখনৰ প্ৰচাৰ সংখ্যা বাঢ়িবলৈ লৈছিল। আৰু অসম আন্দোলন আৰম্ভ হোৱাৰ সময়লৈকে অগ্ৰদূত এখন নিয়মীয়া জনপ্ৰিয় কাকতত পৰিণত হৈছিল। চাঞ্চল্যকৰ ৰীণা ডেকা ধৰ্ষণৰ ধাৰাবাহিক অনুসন্ধিৎসু বাতৰিয়ে অগ্ৰদূতক পঢ়ুৱৈ সমাজৰ অধিক কাষলৈ লৈ গৈছিল।

আমি লিখা প্ৰবন্ধ দিবলৈ মালিগাঁৱত থকা অগ্ৰদূতৰ কাৰ্যালয়লৈ প্ৰায়েই গৈছিলো। তেতিয়াৰ দিনৰ সীহৰ আখৰ বছা প্ৰযুক্তি তথা টেড্‌ল মেচিনেৰে কাকত ছপোৱাটো আছিল এক প্ৰকাৰৰ যুদ্ধ। নিউজপ্ৰিন্ট, আখৰ, ছবিৰ বাবে ব্লক তৈয়াৰ আদি প্ৰতিটো ছপা পদক্ষেপেই আছিল এক সংগ্ৰাম। অগ্ৰদূতৰ দৰে ক্ষুদ্ৰ কাকতখনৰ বাবে এই সংগ্ৰাম আছিল এখোপ ওপৰৰ। আজি-কালি বাতৰি কাকত, টিভি চেনেল আদি চলাবলৈ যথেষ্ট মূলধনৰ প্ৰয়োজন। আগেয়েও মূলধনৰ প্ৰয়োজন আছিল। মূলধনৰ অভাৱত বহু ভাল ভাল বাতৰি কাকত সৰহদিন জীয়াই নাথাকিছিল। যিকেইখন কাকত ভালদৰে চলিছিল বা জীয়াই আছিল সেই কেইখন কাকতৰ স্বত্বাধিকাৰী হয় আছিল পৰম্পৰাগত ধনী পৰিয়ালৰ, অথবা বৃহৎ ঠিকাদাৰ অথবা ৰাজনৈতিক নেতা। আজি-কালি সংবাদ মাধ্যম মানে টকাৰ খেল। অলপ চলপ টকাৰে এৰা-ধৰাকৈ বৰ জোৰ নিউজ পৰ্টেল চলাব পাৰিব; কিন্তু তাক জীয়াই ৰখা সহজ নহয়। আজি-কালি ৰাজনীতিকসকলৰ হাতত বহুতো ধন আছে আৰু তেওঁলোকক লাগে অহৰহ প্ৰচাৰ। গতিকে আনৰ সংবাদ মাধ্যমৰ ওপৰত নিৰ্ভৰ নকৰি নিজেই বাতৰি কাকত, টিভি চেনেল আদি খোলাটো এক নিয়মত পৰিণত হৈছে। একেদৰেই সংবাদ মাধ্যমৰ প্ৰচণ্ড শক্তি উপলব্ধি কৰি এচাম ব্যৱসায়ী তথা ঠিকাদাৰেও তেওঁলোকৰ ব্যৱসায় ৰমৰমীয়া কৰাৰ বাবে সংবাদ মাধ্যমত ধন বিনিয়োগ কৰিছিল। আজি-কালি বৃহৎ সংবাদ মাধ্যমৰ মালিকানা এমুঠিমান লোকৰ কুক্ষিগত হৈছে। কৰ্প'ৰেট খণ্ডই চলাই আছে আমাৰ দেশৰ বৃহৎ সংবাদ মাধ্যমসমূহ। প্ৰেছ কমিছন আৰু ভাৰতীয় প্ৰেছ কাউন্সিলৰ দৃষ্টিভংগী অনুসৰি গণতন্ত্ৰত বাতৰিৰ উৎস বহু হ'ব লাগে। অৰ্থাৎ বিভিন্ন ধৰণৰ সংবাদ মাধ্যম থাকিব লাগে আৰু তাত বিভিন্ন মতামত দৃষ্টিভংগীৰ বাতৰি পঢ়ুৱৈ সমাজে পাব লাগে— তেতিয়াহে জনসাধাৰণে প্ৰকৃত তথ্য পাব পাৰে আৰু সুচিন্তিতভাৱে কোনো সিদ্ধান্ত ল'ব পাৰে। পিছে বৰ্তমানৰ গণতন্ত্ৰ ধনতন্ত্ৰৰ কবলত সোমাই পৰিছে। শাসক শ্ৰেণীয়ে কি ক'ব খোজে, বৃহৎ বৃহৎ সংবাদ মাধ্যমত শাসকসকলৰ সেই ধ্বনি বাৰে বাৰে অনুৰণিত হয় আৰু নাগৰিকসকলে মাথোঁ পায় একপক্ষীয় বাতৰি। সি যি কি নহওক, অগ্ৰদূত কাকতখন কোনো ঠিকাদাৰ, ৰাজনীতিক অথবা ধনী ব্যক্তিয়ে প্ৰকাশ কৰা নাই।

এগৰাকী মধ্যবিত্ত সাংবাদিক-সাহিত্যিক— যাৰ যথেষ্ট আয়ৰ বাট নাই, সেই ব্যক্তিগৰাকীৰ তত্ত্বাৱধানত যোৱা ৫২টা বছৰ ধৰি এই কাকতখন জীয়াই থাকিল কেনেকৈ? অকল জীয়াই থকা নাই, এই অগ্ৰদূত কাকতখন আজিও এক বহুল জনপ্ৰিয় কাকত। অগ্ৰদূতৰ সাফল্যই জন্ম দিছিল 'দৈনিক অগ্ৰদূত'ৰ। আজিৰ দিনত 'দৈনিক অগ্ৰদূত' এখন অসমৰ আগশাৰীৰ কাকত। বৰ্তমান অন্য ব্যৱসায় নথকা প্ৰতিষ্ঠানৰ বাবে কেৱল কাকতৰ ব্যৱসায় কৰি চলি থকাটো এক বৃহৎ প্ৰত্যাহ্বান। অগ্ৰদূত গোষ্ঠীয়ে সাহসেৰে এই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো উল্লেখযোগ্য।

**সংবাদ মাধ্যম অকল সমাজ সেৱাই নহয়, ই এক ব্যৱসায়। গতিকে সমাজ সেৱা আগবঢ়াবৰ বাবে সংবাদ মাধ্যমটো জীয়াই থাকিব লাগিব। জীয়াই থকাৰ বাবে সংবাদ মাধ্যম ব্যৱসায়িকভাৱেও সফল হ'ব লাগিব, সবল নহ'লেও কথা নাই।**

সংবাদ মাধ্যম অকল সমাজ সেৱাই নহয়, ই এক ব্যৱসায়। গতিকে সমাজ সেৱা আগবঢ়াবৰ বাবে সংবাদ মাধ্যমটো জীয়াই থাকিব লাগিব। জীয়াই থকাৰ বাবে সংবাদ মাধ্যম ব্যৱসায়িকভাৱেও সফল হ'ব লাগিব, সবল নহ'লেও কথা নাই। সেয়েহে সংবাদ মাধ্যমে বহু সময়ত বহুতৰে স'তে আপোচো কৰিবলগীয়া হয়। পিছে এনে আপোচ সাংবাদিকতাৰ আচৰণ-বিধিৰ বিনিময়ত হ'ব নালাগে। অগ্ৰদূতৰ ক্ষেত্ৰত আমি লক্ষ্য কৰিছো যে কাকতখনে যোৱা ৫২টা বছৰে সাংবাদিকতাৰ আচৰণ-বিধি স্থূলভাৱে মানি চলিছে।

অসমৰ বিদেশী নাগৰিকৰ সমস্যা তথা বহিৰাগতৰ সমস্যাটো অসম আন্দোলনৰ আগেয়ে ধাৰাবাহিকভাৱে অগ্ৰদূতত চৰ্চিত হৈছিল। বহিৰাগতৰ অবাধ আগমন, ৰাজ্যখনৰ সীমিত সম্পদৰ ওপৰত দখলদাৰী আদি বিষয়টোৰ ওপৰত অগ্ৰদূতত এক বিতৰ্ক চলিছিল। পাছলৈ মঙলদৈ লোকসভা সমষ্টিৰ নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাত অবৈধ বিদেশী নাগৰিকৰ আৱিষ্কাৰ আৰু তাকে লৈ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা আন্দোলনে অসম আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰে। তাৰ পাছৰ কথাবোৰ আমি সকলোৱে জানো।

বৰ্তমান তথ্য-প্ৰযুক্তিৰ বিপ্লৱ তথা ডিজিটেল বিশ্বত বাতৰি কাকত দেখাত অপ্ৰাসংগিক হৈ পৰিছে বুলি এচামে ক'ব খোজে; কিন্তু বাতৰি কাকত মানেই পোনতে বাতৰি তাৰ পাছতহে কাকত। সম্প্ৰতি বাতৰি এতিয়া বিভিন্ন মাধ্যমত প্ৰকাশ পালেও বাতৰিৰ পিতৃ-মাতৃ হ'ল বাতৰি কাকত। বৰ্তমান আমাৰ দেশত, ক্ষুদ্ৰ আৰু মজলীয়া বাতৰি কাকতবোৰ ক্ৰমান্বয়ে মৃত্যুৰ গৰাহলৈ গতি কৰিছে। বৃহৎ কাকত, টিভি চেনেল, প'ৰ্টেল আদিয়ে সাংবাদিকতাক এক অন্য দিশলৈ লৈ গৈছে। ভালেমান দেশত গণতন্ত্ৰ স্বৈৰতন্ত্ৰৰ ফালে গতি কৰিছে। বিশ্বত কে'বাখনো দেশত চলা বিয়াগোম দুৰ্নীতি উদ্‌ঘাটন কৰা আন্তৰ্জাতিক সাংবাদিক সংগঠন ইন্টাৰনেছনেল কনচুটিয়াম অৱ ইনভেষ্টিগেটিভ জাৰ্ণেলিষ্ট বা সংক্ষেপে আই চি আই জেই কৈছে যে বিশ্বত কৰ্প'ৰেট তথা অসাধু স্বৈৰাচাৰীৰ হাতত বিপন্ন গণতন্ত্ৰ।

মাৰ্কিন লেখক তথা সাংবাদিক ৰিচাৰ্ড ক্লুগাৰে কৈছিল ঃ 'যেতিয়াই বাতৰি কাকত এখনৰ মৃত্যু হয়, সেই কাকতখন যিমানেই বেয়া নহওক কিয়, তেনে পৰিস্থিতিত দেশ একোখনে স্বৈৰতন্ত্ৰলৈ এখোজ আগবাঢ়ি যায়।'

অগ্ৰদূত কাকতখনে বিগত ৫২ বছৰ ধৰি বিভিন্ন প্ৰত্যাহ্বান নেওচি সময়ৰ স'তে আগবাঢ়িছে। এয়া কাকতখনৰ এক বিৰল সফলতা। এই কাকতখনে বিভিন্ন আৰ্থ-সামাজিক-ৰাজনৈতিক বিষয়ৰ ওপৰত আলোকপাত কৰি আমাৰ দেশৰ গণতন্ত্ৰক সবল কৰাত অৰিহণা যোগাইছে। অগ্ৰদূত কাকতখনৰ দীৰ্ঘায়ু কামনাৰে।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# সোণালী ৰথত উঠি অগ্ৰদূত

**ড° সুচিত্ৰা কাকতী**

**অগ্ৰদূত** কাকতৰ জন্মলগ্নৰে পৰা মই সংস্পৰ্শত আছিলো। অৰ্থাৎ চালুকীয়া অৱস্থাৰ পৰা পূৰ্ণাংগ প্ৰাপ্তি হোৱা আৰু এতিয়ালৈকে মই 'অগ্ৰদূত'ৰ লগত জড়িত আছো। অগ্ৰদূত কাকতৰ জন্ম মঙলদৈত। মোৰো জন্মস্থান মঙলদৈ। সেই সময়ত মঙলদৈ চহৰখন সৰু আছিল। মানে জনবসতি পাতলীয়া আছিল। আমাৰ দেউতা প্ৰয়াত বাসবচন্দ্ৰ বৰুৱা উকীল আছিল। আমাৰ ঘৰলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈ, তৰুণ ৰাম ফুকন, মতিৰাম বৰা, দৰঙী ৰজা প্ৰমুখ্যে বিশেষ ব্যক্তিসকলৰ অহা-যোৱা আছিল। আমাৰ ঘৰৰ বিশেষ বাংলোটো সকলোৰে আকৰ্ষণ আছিল। তাতেই সকলোৱে জিৰণি লৈছিল। কনকসেন ডেকা মঙলদৈৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰাজনীতি বিষয়ৰ বিষয় শিক্ষক হৈ মঙলদৈলৈ আহিছিল। তেৰোঁ নিৰ্বাচিত মানুহৰ ঘৰলৈহে যায়। আমাৰ ঘৰখনো শিক্ষাৰ দিশত আগবঢ়া। বাইদেউ মঙলদৈ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী। এদিন কনকসেন ডেকা সপত্নীক আমাৰ ঘৰলৈ আহিছিল। মই সন্দিকৈ মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰী। হোষ্টেল বন্ধ হোৱা বাবে ঘৰলৈ আহিছিলো। মই তেওঁলোকক আমাৰ ঘৰতে লগ পাওঁ। নৱবিবাহিত বৌজনীয়ে লাজ লাজকৈ কোৱা কথাবোৰ, মাৰ আদৰ সম্ভাষণ, দাদা, ডাঙৰ বাইদেউ আটাইবোৰ একগোট হৈ তেওঁলোকৰ লগত মধুৰ আলাপ কৰিছিলো। সেইবোৰ এতিয়াও মনত আছে। কনকসেন ডেকা ডাঙৰীয়াই সাংবাদিকতাৰ প্ৰতি থকা তেওঁৰ অনুৰাগ-হেঁপাহ ব্যক্ত কৰি অগ্ৰদূত কাকত সম্পৰ্কে তেওঁৰ ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে আমাক জানিবলৈ দিছিল। আমি খুব আনন্দিত হৈছিলো। বিশেষকৈ মই। সাহিত্যৰ প্ৰতি, মই সৰু কালিৰ পৰা অনুৰাগী আছিলো। মোৰ গল্প, কবিতা, প্ৰবন্ধ আদি বিভিন্ন কাকতত প্ৰকাশ হৈ আছিল। অগ্ৰদূত কাকতৰ কথা কোৱাত মই অনুপ্ৰাণিত হৈছিলো আৰু তেৰোঁ মোক লিখাৰ বাবে উৎসাহিত কৰিছিল।

কনকসেন ডেকা আৰু বৌ আমাৰ ঘৰলৈ অহা-যোৱা কৰি আছিল। আমাৰ আত্মীয়তা বাঢ়িছিল। আমি তেওঁলোকক দাদা-বৌ সম্বোধন কৰিছিলো। দাদাৰ সপোন-কল্পনা বাস্তবায়িত হ'ল। ১৯৭১ৰ পহিলা ফেব্ৰুৱাৰীত দাদাৰ অগ্ৰদূতে জন্ম পালে। শুভ উদ্বোধনী সভাখন মঙলদৈৰ একমাত্ৰ কিতাপ ঘৰ চক্ৰৱৰ্তী ব্ৰাদাৰ্ছৰ চক্ৰৱৰ্তীৰ সহযোগত উদ্বোধন কৰা হ'ল। মঙলদৈৰ গণ্য-মান্য লোক আৰু অসমৰ অইন ঠাইৰ পৰা লোক-সাংবাদিকৰে সভাস্থলী ভৰি পৰিল। অগ্ৰদূত কাকতৰ জন্মস্থান মঙলদৈ হোৱা বাবে আমিও গৌৰৱান্বিত হৈছিলো। ক্ৰমে ক্ৰমে আমি আমাৰ পৰিয়াল অগ্ৰদূত পৰিয়ালৰ ওচৰ চাপি গ'লো। ছিপাঝাৰৰ শিশিৰ চহৰীয়া আমাৰ ভিনদেউ। ভিনদেউৰ লগত কনকসেন দাদাৰ সৌহাৰ্দ্য গঢ়ি উঠিছিল আৰু বাইদেউৰ ঘৰখনো তেওঁৰ আপোন হৈ পৰিছিল। বাইদেউৰ ল'ৰা-ছোৱালীৰ বিয়াবোৰত দাদাৰ উপস্থিতি সকলোৰে কাম্য হৈ পৰিল। আমাৰ দাদা হেমচন্দ্ৰ বৰুৱাৰ লগত কনকসেন দাদাই সাংবাদিকতা সম্পৰ্কে আলোচনা কৰা দেখিছিলো। এই সংক্ৰান্তত কনকসেন দাদা প্ৰায়ে আমাৰ ৰিহাবাৰীস্থ ঘৰলৈ আহিছিল।

অগ্ৰদূতৰ জন্ম বেদনাৰ তৃপ্তিদায়ক অনুভূতিৰে দাদা আত্মবিশ্বাস আৰু দূৰদৰ্শিতাৰ আধাৰত বহুদূৰ আগবাঢ়ি গৈ তেওঁৰ লব্ধ জ্ঞানশৈলীৰে সাংবাদিকতাৰ পথাৰখনত বলিষ্ঠ পদক্ষেপ ল'বলৈ সক্ষম হ'ল। ফলত জন্ম পালে ১৯৭৩ত সাপ্তাহিক অগ্ৰদূত, ১৯৭৪ত তিনিদিনীয়া আৰু ১৯৯৫ত 'দৈনিক অগ্ৰদূত' নিয়মীয়াকৈ প্ৰকাশ হ'ল। দাদাৰ উদ্দেশ্য সাৰ্থক হ'ল, নিজ স্থিতিত অটল হৈ উদ্দেশ্যত উপনীত হ'ল। চৰকাৰী চাকৰি এৰি সাংবাদিকতাক জীৱনৰ সাৰথি হিচাপে ল'লে। দৃঢ় সংকল্প থাকিলে বা যত্ন কৰিলে ৰত্ন পায়, দাদাই প্ৰমাণ কৰি দিলে। মই নিজেই দেখিছো মঙলদৈৰ পৰা ছিপাঝাৰ, ছিপাঝাৰৰ পৰা মালিগাঁও আৰু মালিগাঁৱৰ পৰা গুৱাহাটীৰ দিছপুৰ— অনেক কষ্ট-প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো কনকসেন দাদা বিচলিত নহৈ উদ্দেশ্যৰ পৰা পিছলি যোৱা নাছিল। দুবাৰকৈ অসম সাহিত্য সভাৰ সভাপতি হৈয়ো সাংবাদিকতাৰ পৰা আঁতৰি যোৱা নাছিল। তেওঁৰ বলিষ্ঠ সাংবাদিকতাক সকলোৱে সমীহ কৰে আৰু শলাগ লয়।

ডেকা দাদাৰ জ্ঞান গভীৰতাৰ কথা লিখাৰ ধৃষ্টতা মোৰ নাই। ৰাষ্ট্ৰ তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনতো দাদা সমাদৃত। অনেক বঁটা-বিশেষণেৰে সন্মানিত। ২০০৫ত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী বঁটা দিছিল, কিন্তু তেওঁ পদ্মশ্ৰী বঁটা গ্ৰহণ নকৰিলে। আজীৱন তেওঁ কৰ্মশ্ৰী হৈয়ে থাকিল। সংবাদ সূৰ্য, সংবাদজ্যোতি কনকসেন ডেকা দাদাৰ অধ্যক্ষতাত জন্ম পাইছিল সৰ্বভাৰতীয় অনুষ্ঠান সাহিত্য ভাৰতীৰ। ময়ো সাহিত্য ভাৰতীৰ সদস্য হিচাপে (উপাধ্যক্ষ) আগৰতলালৈ আমাৰ দলৰ লগত গৈছিলো। সেই সময়ত অনিল সৰকাৰ মন্ত্ৰী হৈ আছিল। আমাক তেওঁ সুন্দৰভাৱে আদৰ সম্ভাষণ জনাইছিল আৰু আমি তেওঁৰ তত্ত্বাৱধানতে সাহিত্য ভাৰতীৰ শাখা এটি উদ্বোধন কৰিছিলো। কনকসেন দাদাই প্ৰতিষ্ঠাপক সভাপতি হিচাপে আমাক দিহা-পৰামৰ্শ দিছিল। আমাৰ দলটোত মীৰা ঠাকুৰ বাইদেউ আৰু গীতা শৰ্মা আছিল। এতিয়াও আগৰতলাত সাহিত্য ভাৰতী সুন্দৰভাৱে কৰ্মৰত হৈ আছে।

কনকসেন দাদা একেই আছে। প্ৰথম দেখাৰ পৰা যি দেখিছিলো আজিও 'হৰণ-ভগন' নোহোৱাকৈ একেই আছে। ভগৱানে এনেদৰে তেওঁৰ সুস্বাস্থ্য অক্ষুণ্ণ ৰাখক।

'অগ্ৰদূত' অসমত বহুলভাৱে প্ৰচলিত। কাকতখনৰ জনপ্ৰিয়তা ভাৰতৰ অইন ৰাজ্যলৈও সম্প্ৰসাৰিত। মই অৰুণাচলত থকা সময়ত কিছু সংখ্যক অসমীয়া লোক 'অগ্ৰদূত'ৰ নিয়মীয়া পাঠক। কোনোৱে তিনিদিনীয়া আৰু কোনোৱে 'দৈনিক অগ্ৰদূত' পঢ়া দেখিছিলো।

সমগ্ৰ বিশ্বৰ জ্ঞান-বিজ্ঞানৰ খবৰেৰে মেৰ খাই থকা কনকসেন ডেকা দাদাৰ অপৰিসীম জ্ঞান-ভাণ্ডাৰৰ কথা ৰাইজে জানে। ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, শিক্ষানীতি আদি ক্ষেত্ৰবোৰত দাদাৰ দখল তুলনাবিহীন। দেশ-বিদেশ ভ্ৰমণ কৰি সেই ঠাইবোৰৰ, মানুহবোৰৰ আচাৰ-ব্যৱহাৰ, বৈশিষ্ট্য আদি অধ্যয়ন কৰি অনেক গ্ৰন্থ ৰাইজক উপহাৰ দিয়া সকলোৰে বিদিত। অৱশ্যে তেওঁৰ বিষয়ে, তেওঁৰ গ্ৰন্থসমূহৰ বিষয়ে ইতিমধ্যে অনেকে আলোকপাত কৰিছে। তেওঁ লিখা 'সম্পাদকীয়' অত্যন্ত তাৎপৰ্যপূৰ্ণ, তথ্য গধুৰ তথা গুৰুত্বপূৰ্ণ আৰু সকলোৰে আকৰ্ষণীয়।

দাদাৰ জীৱন পৰিক্ৰমাত সমান্তৰালভাৱে জীৱন সন্তুলনৰ প্ৰবাহিত ধাৰা সুপ্ৰভাৱিত হোৱাত তেওঁৰ সুগৃহিণী সহধৰ্মিণী ভানুশ্ৰী বৌৰ অৱদানো কোনোগুণে কম নহয়। কৰ্মজীৱনৰ প্ৰতিটো ক্ষেত্ৰত বৌৱে দাদাক আগবঢ়াই দিছিল আৰু এতিয়াও দি আছে। মই প্ৰায়ে দাদা- বৌৰ ওচৰলৈ গৈছিলো। দাদাৰ কৰ্মক্ষেত্ৰ বহুদিশ প্ৰসাৰিত। অগ্ৰদূত কাকত আৰু অন্যান্য কামত ব্যস্ত হৈ থাকিবলগীয়া হয় যদিও ঘৰখনৰ প্ৰতি তেওঁ উদাসীন নহয়। মই অগ্ৰদূত ভৱনলৈ গ'লে বেছি ভাগ সময় বৌৰ লগতে কটাওঁ। আধ্যাত্মিকতাৰ মেৰ ঘৰত থাকি বৌজনী অধিক ভগৱান বিশ্বাসী আৰু সৎ কৰ্মৰ অনুৰাগী। মই বৌৰ পৰাও বহু কথা শিকিছিলো। সাংসাৰিক জীৱনৰ প্ৰতিটো দিশ সুন্দৰভাৱে নিয়াৰিকৈ চম্ভালাৰ উপৰি দাদাৰ প্ৰতিটো কামত সহযোগী হৈ থকা বৌজনীৰ মুখত আত্মতৃপ্তিৰ হাঁহিটো লাগিয়ে থাকে। অসমীয়া ঘৰখনৰ প্ৰকৃত ছবিখন বৌহঁতৰ ঘৰতে পাওঁ। ল'ৰা-ছোৱালীকো (দীপু, বিজু, বুনু) জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ শিকাইছে যাতে নিজৰ সমস্যা নিজে সমাধান কৰিব পাৰে। তেওঁলোকো 'অগ্ৰদূত'ৰ লগত জড়িত হৈ আছে।

কনকসেন দাদাক এদিন কথা প্ৰসংগত কৈছিলো— আপোনাৰ জীৱনৰ সাফল্যৰ গুৰিতে বৌজনী। প্ৰতিজন পুৰুষৰ কৃতিত্বৰ অন্তৰালত একোগৰাকী নাৰী থাকে। কিন্তু নাৰীৰ ক্ষেত্ৰত তেনে এখন স্পষ্ট ছবি দেখা পোৱা নাযায়। দাদাই কৈছিল— অইনে কি কৰিছে কি নকৰিছে মোৰ হিচাপত নাই। কিন্তু বৌৱেৰাৰ যোগ্যতাক মই স্বীকৃতি দিছো। অগ্ৰদূতৰ সামগ্ৰিক প্ৰশাসনীয় দিশ, টকা-পইচাৰ হিচাপ আদি চোৱা-চিতাৰ সকলো দায়িত্ব তেওঁ লৈছে।

তেওঁ সঠিকভাৱে পৰিচালনা কৰি আছে। আনকি আজিৰ পৰত বেহেলা-তানপুৰা শিকিবলৈও ওস্তাদ ধৰি দিছো। মোৰ আলপৈচান ধৰিও বৌৱেৰাই সুকুমাৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰত আত্মনিয়োগ কৰিব পাৰিছে।... এইজনেই উদাৰ, সহনশীল দাদা কনকসেন ডেকা। আনহাতে, জ্ঞানী, মৰমিয়াল, ত্যাগী, আধ্যাত্মিক ভাৱধাৰাৰে অতিথি পৰায়ণ আৰু অহংকাৰবিহীন আমাৰ সকলোৰে মৰমৰ বৌ ভানুশ্ৰী। এনেহেন বৌ পোৱাটো দাদাৰো সৌভাগ্যৰ কথা আৰু আধ্যাত্মিক আধাৰত গঢ়ি উঠা ঘৰখনৰ সদস্য হৈ পৰাটোও মোৰ বাবেও ভাগ্যৰে কথা।

বৰ্তমান অগ্ৰদূত সংবাদ প্ৰতিষ্ঠান এটি লেখতবলগীয়া অগ্ৰণী প্ৰতিষ্ঠান। সোণালী জয়ন্তীৰ শুভমুহূৰ্তত মোৰ হিয়াভৰা শুভেচ্ছা থাকিল। 'অগ্ৰদূত' সদায় অগ্ৰদূত হৈ বিশ্বত জিলিকি থাকক। অগ্ৰদূত সংবাদ প্ৰতিষ্ঠানৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

*লেখিকা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা*




**সমগ্ৰ বিশ্বৰ জ্ঞান-বিজ্ঞানৰ খবৰেৰে মেৰ খাই থকা কনকসেন ডেকা দাদাৰ অপৰিসীম জ্ঞান-ভাণ্ডাৰৰ কথা ৰাইজে জানে। ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, শিক্ষানীতি আদি ক্ষেত্ৰবোৰত দাদাৰ দখল তুলনাবিহীন। দেশ-বিদেশ ভ্ৰমণ কৰি সেই ঠাইবোৰৰ, মানুহবোৰৰ আচাৰ-ব্যৱহাৰ, বৈশিষ্ট্য আদি অধ্যয়ন কৰি অনেক গ্ৰন্থ ৰাইজক উপহাৰ দিয়া সকলোৰে বিদিত**

## ৩৫ বছৰত অসমৰ পৰা বিদেশী চিনাক্ত কৰি বহিষ্কাৰ কৰা হ'ল মাত্ৰ ৩২৮ জন

# হয় তৎকালে অসম চুক্তি ৰূপায়ণ কৰক অন্যথা এইসকলক অসমীয়া নাগৰিক বুলি ঘোষণা কৰক

## আৰু সাত বছৰৰ পিছত অসম আন্দোলনৰ ৫০ বছৰ হ'ব



দৃষ্টিপাত

**অদীপ কুমাৰ ফুকন**

**অসম** আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰৰ দৰে ইজনৰ পিছত সিজনকৈ ৮৬০ জন অসম সন্তান ছহিদ হ'ল। ছবছৰীয়া অসম আন্দোলনত বহু ঘটনা-ঘটি গ'ল। ১৯৮৩ৰ ২ ফেব্ৰুৱাৰীত পুলিচৰ গুলীত প্ৰাণ আহুতি দিলে দৰঙৰ কাদিৰ আলী, ৰামচন্দ্ৰ নাথ, গজেন্দ্ৰ শৰ্মা, কণ্ঠি মেধি, যাদৱ নাথে। বুঢ়া আৰক্ষী চকীৰ সন্মুখত পুলিচৰ গুলীত নিহত হ'ল দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ নেতা মেধাৱী ছাত্ৰ কুলেন শৰ্মা। ৩ ফেব্ৰুৱাৰীত টংলাত বি এছ এফৰ গুলীত নিহত হ'ল সুৰেন হাজৰিকা, খাম্পা ডেকা, পুষ্প ডেকা, দেহীৰাম শইকীয়া। অতি কৰুণভাৱে মৃত্যু হ'ল চিত্ৰ বৰুৱা, তপন বৰুৱা, প্ৰহ্লাদ শৰ্মাৰ। ১৫ ফেব্ৰুৱাৰীত ধলা আৰু ঠেকেৰাবাৰী অঞ্চলত সন্দেহজনক লোকে ১৯ জন অসম সন্তানক অতি নৃশংসভাৱে হত্যা কৰিলে। মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সুকুমাৰ কলা বিভাগৰ সম্পাদক খৰ্গেশ্বৰ বৰুৱা আৰু তেওঁৰ কাকায়েক লোকনাথ বৰুৱাক নিজৰ ঘৰৰ ভিতৰত আবদ্ধ কৰি জীয়াই জীয়াই পুৰি হত্যা কৰিছিল সন্দেহজনক লোকে। এইদৰে দৰং জিলাত অসম আন্দোলনত ৭৫ জন ছহিদ হ'ল। একেই দৃশ্য, একেই নৃশংস ঘটনা ঘটি গ'ল সমগ্ৰ অসমত। এইসকল অসম সন্তানে হিন্দু-মুছলমান বুলি নহয়, অবৈধ বিদেশীক বহিষ্কাৰৰ দাবীত সংগ্ৰাম কৰিছিল, মৃত্যুবৰণ কৰিবলৈ আগবাঢ়ি গৈছিল। অসম আৰু অসমবাসীৰ ভৱিষ্যতৰ স্বাৰ্থত তেওঁলোকে সম্পূৰ্ণ ত্যাগ কৰিছিলি। এই ঘটনা বিলাক আমি পাহৰি যোৱা উচিত হ'বনে? কিহৰ স্বাৰ্থত এনে ঘটনা বিলাক আমি পাহৰিবলৈ চেষ্টা কৰিম?

কথা বিলাক নতুনকৈ আলোচনা কৰাৰ প্ৰয়োজন হৈছে। অসমৰ ওপৰত বিদেশী নাগৰিকৰ প্ৰব্ৰজনে সৃষ্টি কৰা সমস্যাই শতবৰ্ষ গৰকি গ'ল। অবৈধ প্ৰব্ৰজনৰ বিষয়টোক ৰাজনৈতিক, সাংবিধানিক তথা প্ৰশাসনিয়ভাৱে গুৰুত্ব প্ৰকাশ কৰাৰো ৭৫ বছৰ অতিক্ৰম কৰিলে। সমস্যা সমাধানৰ বাবে কৰা দাবীত হোৱা শক্তিশালী আৰু অতি গুৰুত্বপূৰ্ণ আন্দোলনৰ আৰম্ভণিৰ পৰা ৪৩ বছৰ অতিবাহিত হ'ল। বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ আৰু বহিষ্কৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে সহমত প্ৰকাশ কৰি কৰা চুক্তিখনৰ ৩৭টা বছৰ হ'ল। এতিয়া মুকলি প্ৰশ্নটো হ'ল আমি সময় তথা বছৰ গণনা কৰি থাকিম নে এক সময় নিদ্ধাৰিত ব্যৱস্থা গ্ৰহণ কৰিম। নে অসমত থকা বিদেশী নাগৰিকসকলৰ ক্ষেত্ৰত নতুন চিন্তা-চৰ্চাৰে সিদ্ধান্ত গ্ৰহণ কৰিম। এক নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰাৰ সময় হৈছে। অন্যথা এই গুৰুত্বপূৰ্ণ বিষয়টো ক্ষমতা কেন্দ্ৰীক ৰাজনৈতিক ব্যক্তিৰ এক ৰাজনৈতিক অস্ত্ৰ হৈয়েই থাকিব। ক্ষতি হ'ব অসমৰ সমাজ জীৱনৰ, ভৱিষ্যৎ প্ৰজন্মৰ।

অসম চুক্তিৰ মূল বিষয়টোৱেই হ'ল অবৈধ বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু অসমৰ পৰা বহিষ্কাৰ কৰা। ১৯৮৫ চনৰ ১৫ আগষ্টৰ পৰা ২০২২ চনৰ জুলাই মাহলৈ এই বিষয়টোক কিমান গুৰুত্ব দিয়া হ'ল। ২০১৭ চনৰ ২৭ ফেব্ৰুৱাৰীত বিধানসভাত প্ৰকাশ পোৱা তথ্য মতে ১৯৮৫-ৰ পৰা ২০১৬ চনৰ অক্টোবৰ মাহলৈ অনুপ্ৰৱেশকাৰীৰ বহিষ্কৃতৰ সংখ্যা ২৯,৭১২ জন। ৩১ বছৰত অসমৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰ কৰা হ'ল মাত্ৰ ২৯,৭১২ জন। এই ৩১টা বছৰত প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অগপৰ দুখন চৰকাৰ, হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছৰ এখন চৰকাৰ, তৰুণ গগৈৰ নেতৃত্বত কংগ্ৰেছৰ তিনিখন চৰকাৰ অৰ্থাৎ ৬খন চৰকাৰ গ'ল। এই ৩১ বছৰৰ ভিতৰত ১৯৮৮ চনতেই তুলনামূলকভাৱে সৰহ ৩,২৮৮ জন বহিষ্কাৰ কৰা হৈছিল। এই ৩১ বছৰৰ শেহৰ বছৰ কেইটা লক্ষ্য কৰিব লগা। ২০১২ চনত ৬৬ জন, ২০১৩ত ২২ জন, ২০১৪ চনত ২৪ জন, ২০১৫ চনত ১ জন আৰু ২০১৬ত ১৩ জন। এনে তথ্য স্পষ্ট কৰি দিয়ে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব কিমান দিয়ে। এই সময়ছোৱাত অতি গুৰুত্বপূৰ্ণ বিষয়টো হ'ল বিদেশী নাগৰিক বুলি চিনাক্ত হোৱাৰ পিছত ৪১,০৩৩ জন বাংলাদেশী পলাল। ক'ত গ'ল — চৰকাৰৰ হাতত তথ্য নাই।

অবৈধ বিদেশী নাগৰিকৰ বহিষ্কাৰৰ ক্ষেত্ৰত তথা অসম চুক্তিৰ ক্ষেত্ৰত তথা অসম চুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা কিমান— কিছু তথ্যলৈ লক্ষ্য কৰিলে স্পষ্ট হৈ পৰে। ২০১৮ চনৰ ১৪ মাৰ্চত ৰাজ্যসভাত তদানীন্তন গৃহ ৰাজ্যমন্ত্ৰী কিৰেণ ৰিজিজুৱে সাংসদ মহেন্দ্ৰ সিং সাহৰাইৰ প্ৰশ্নৰ উত্তৰত কয়— 'যোৱা ৫ বছৰত অৰ্থাৎ ২০১৪ চনৰ পৰা ২০১৮ চনলৈ ২,২৬৭ জন বিদেশীক বহিষ্কাৰ কৰা হয়। ২০১৪ত ৯৮৯ জন, ২০১৫ চনত ৪৭৪ জন, ২০১৬ চনত ৩০৮ জন, ২০১৭ত ৫১ জন আৰু ২০১৮ চনত ৪৪৫ জন।' ২০২০ চনৰ ৪ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে লোকসভাত সাংসদ কে নায়াস্কাণিৰ এক প্ৰশ্নৰ উত্তৰত কয়, '২০১৯ বৰ্ষৰ পৰা ২০২০-ৰ ফেব্ৰুৱাৰীলৈ ১৪ মাহত ২৩,৮০৮ জন বিদেশীক চিনাক্তকৰণ কৰা হৈছে আৰু এজনক বহিষ্কাৰ কৰা হৈছে।' ২০২১ চনৰ ২২ ডিচেম্বৰত অসম বিধানসভাত চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কয় যে ১৯৮৫ চনৰ পৰা যোৱা ৩৫ বছৰত ৩২৮ জন বিদেশীক বিতাড়ন কৰা হৈছে আৰু ২৯,৬৬৩ জন বিদেশীক 'পুছড বেক' কৰা হৈছে। মন্ত্ৰী অতুল বৰাৰ এই বক্তব্য অতি গুৰুত্বপূৰ্ণ। অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই ২০২২ চনৰ ১৯ মাৰ্চত বিধানসভাত জনায় যে অসম চুক্তিৰ অধীনত এতিয়ালৈকে ৩০,০১৪ জন বিদেশীক বহিষ্কাৰ কৰা হৈছে। যোৱা ৩৫ বছৰত অসমৰ পৰা চৰকাৰী তথ্য মতে ৩০,০১৪ জন বিদেশীক বহিষ্কাৰ কৰা হৈছে। গড়ে প্ৰতিবছৰে ৮৫৮ জন। প্ৰকৃতাৰ্থত অসমত যোৱা ৩৫ বছৰে বিদেশীক চিনাক্ত কৰি বহিষ্কাৰ কৰা হৈছে মাত্ৰ ৩২৮জনক। বাকী ২৯,৬৬৩ জনক সীমা অতিক্ৰম কৰোতে পুনৰ ওভতাই পঠোৱা হৈছে। ইয়াৰ বাবেই ৮৬০ জন অসম সন্তান ছহিদ হৈছিল নেকি? লাখ লাখ অসমৰ নাগৰিক নিৰ্যাতিত হ'ব লগা হৈছিল। এনেদৰেই অসম আন্দোলন আৰু অসম চুক্তিক চূড়ান্তভাৱে চৰকাৰসমূহে নস্যাৎ কৰি আহিছে।



আন এক বিষয় লক্ষ্য কৰক— ২০২১ৰ ৯ ফেব্ৰুৱাৰীত কেৰালাৰ সাংসদ বিনয় বিশ্বমে কৰা প্ৰশ্নৰ উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে জনায় — 'অসমত বৰ্তমান ১০০খন বিদেশী ন্যায়াধিকৰণ কাৰ্যক্ষম হৈ আছে। বিদেশী ন্যায়াধিকৰণে ২০২১ চনৰ ৩১ ডিচেম্বৰলৈ ১,৪৩,৪৬৬ নজ লোকক বিদেশী বুলি ঘোষণা কৰিছে। ৩২৮ জনক ওভতাই পঠোৱা হৈছে।' মন্ত্ৰীগৰাকীয়ে আৰু কয়— '১,২৩,৮২৯টা গোচৰ অমীমাংসিত অৱস্থাত আছে। ১,২১,৫৯৮ জনক ভাৰতীয় বুলি ঘোষণা কৰিছে।' প্ৰশ্নটো হ'ল ১,৪৩,৪৬৬ জন লোকক বিদেশী ঘোষণা কৰাৰ পিছত বহিষ্কাৰ কৰা নহ'ল কিয়? আন এটা প্ৰশ্ন হ'ল ৩৫ বছৰত মাত্ৰ ১,৪৩,৪৬৬ জনকহে বিদেশী বুলি চিনাক্ত কৰিবলৈ সক্ষম হ'ল নে? অসমত প্ৰায় ডেৰ লাখ হে অবৈধভাৱে অহা বিদেশী নাগৰিক আছে নেকি?

অসমত আন্দোলনৰ কোনো যুক্তি নাছিল নেকি? অসমত বিদেশী নাগৰিক নাই নেকি? বিষয়টো মুকলিকৈ আলোচনা কৰাৰ সময় হৈছে। বিদেশীৰ নামত চৰকাৰে লক্ষ্যাধিক কোটি টকা ব্যয় কৰিলে। ২০১৭ চনৰ ৪ ছেপ্টেম্বৰৰ বিধানসভাত প্ৰকাশিত তথ্য মতে ২০১২-১৩ বৰ্ষৰ পৰা ২০১৬-১৭ বৰ্ষলৈ বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাকৰণৰ নামত ব্যয় কৰা হ'ল ৮৩,৩০,৯৫,০১৪ টকা। অৰ্থাৎ ৮৩ কোটি ৩১ লাখ টকা মাত্ৰ ৫ বছৰত ব্যয় কৰা হ'ল। ধৰ্ম, ভাষা, গোষ্ঠীৰ নামত সংঘাটৰ বীজ ৰোপণ কৰা হ'ল। নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলৰ ইস্তাহাৰ তথা প্ৰতিশ্ৰুতিৰ প্ৰথম তিনিটাৰ ভিতৰত অসম চুক্তি ৰূপায়ণৰ স্থান লাভ কৰে। কিন্তু অসমৰ পৰা বিদেশীক বহিষ্কাকৰণৰ দিশটোৰ কোনেও কাষ চাপিব নিবিচাৰে। অসম চুক্তি কেৱল এক ৰাজনৈতিক বিষয় হৈ পৰিল নেকি?

অসম আন্দোলনৰ সময়ত বিজেপি দলৰ অন্যতম জন্মদাতা অটল বিহাৰী বাজপেয়ীয়ে অসম আন্দোলন আৰু অসম চুক্তিক পূৰ্ণ সমৰ্থন জনালে। বৰ্তমানৰ বিজেপিৰ চৰকাৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০১৪ৰ লোকসভা নিৰ্বাচনলৈ অসম চুক্তিক সম্পূৰ্ণ কাৰ্যকৰী কৰাৰ বাবে অংগীকাৰ তথা প্ৰতিশ্ৰুতি প্ৰকাশ কৰিলে।

বিজেপিৰ হাতলৈ ক্ষমতা আহিল, কেন্দ্ৰত-ৰাজ্যত। চিন্তা-চৰ্চা, বক্তব্য-মন্তব্য, সিদ্ধান্ত-কাৰ্যকৰী ব্যৱস্থাৰ পৰিৱৰ্তন ঘটিল। কোনো কোনোৱে পাঁচ হাজাৰ বছৰৰ আগৰ ইতিহাসৰ পৃষ্ঠা লুটিয়াবলৈ আৰম্ভ কৰিলে। সভ্যতা, মোগল, হিন্দুত্ব আদি শব্দৰ ব্যাখ্যাত অসম চুক্তি তল পৰিলে। বিদেশী এক ৰাজনৈতিক ক্ষমতাৰ স্বাৰ্থত অস্ত্ৰ হৈ পৰিল। অসম আন্দোলন আৰম্ভ হোৱাৰ ৪৩টা বছৰ আৰু অসম চুক্তি কৰাৰ ৩৭টা বছৰ অতিক্ৰম কৰিলে। প্ৰকৃতাৰ্থত বিদেশী চিনাক্ত কৰি বহিষ্কাৰ কৰা হ'ল ৩২৮ জন। এক প্ৰহসন।

আমাৰ মুকলি প্ৰস্তাৱ — ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অসমলৈ অবৈধভাৱে অহা বাংলাদেশী নাগৰিকক তৎকালে চিনাক্ত কৰি বহিষ্কাৰ কৰক অন্যথা এই সকলো লোককে অসমীয়া নাগৰিক বুলি ঘোষণা কৰক। মনত ৰাখিব- আৰু সাতটা বছৰ পিছত অসম আন্দোলন আৰম্ভ হোৱাৰ ৫০ বছৰ অতিক্ৰম কৰিব। অসম চুক্তিয়ে ৪৫ বছৰত ভৰি দিব।

*ফোন ঃ ৯৭০৭০২৪৬১২*

---

## চুটি জীৱনকালত সাফল্যৰ অভিলেখ

# বলেন্দ্ৰনাথ ঠাকুৰ

## *জীৱনকাল ২৯ বছৰ মাত্ৰ*

## (১৮৭০-১৮৯৯)

**ড° নীলমোহন ৰায়**

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*



**জীৱনত** অল্পায়ু হৈয়ো যিসকলে তেওঁলোকৰ সাহিত্য কৰ্মৰ মাজত চিৰায়ু হৈ জীয়াই আছে বিশ্বৰ সেই ক্ষণজীৱী সাহিত্যিকসকলৰ মাজত বলেন্দ্ৰনাথ ঠাকুৰ অন্যতম। বিপুল প্ৰতিভা লৈ জন্মগ্ৰহণ কৰি প্ৰতিভাক বিকাশ কৰিবলৈ নৌপাওঁতেই চিৰদিনৰ বাবে পৃথিৱী এৰি যাবলগীয়া হৈছিল জোড়াসাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ এই উজ্জ্বল ৰত্ন বলেন্দ্ৰনাথ ঠাকুৰে। বলেন্দ্ৰনাথৰ জন্ম হৈছিল ১৮৭০ৰ ছয় নৱেম্বৰত, কলিকতাৰ জোড়াসাঁকোৰ ঠাকুৰ পৰিয়ালত। তেওঁ আছিল প্ৰিন্স দ্বাৰকানাথ ঠাকুৰৰ পৰিনাতি। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ চতুৰ্থ পুত্ৰ সন্তান বীৰেন্দ্ৰনাথ ঠাকুৰ আৰু পুত্ৰবধূ প্ৰফুল্লময়ী দেৱীৰ একমাত্ৰ সন্তান। ঠাকুৰবাড়ীৰ প্ৰথা অনুসৰি বলেন্দ্ৰনাথৰ নামকৰণ কৰিছিল ককাদেউতাক দেবেন্দ্ৰনাথে। বীৰৰ শক্তি বল, সেয়ে বীৰেন্দ্ৰনাথৰ পুত্ৰৰ নামকৰণ দেবেন্দ্ৰনাথে কৰিছিল বলেন্দ্ৰনাথ।

বলেন্দ্ৰনাথৰ জন্মৰ সময়ত দেউতাক বীৰেন্দ্ৰনাথ আছিল বদ্ধোন্মাদ। বলেন্দ্ৰনাথ আছিল জন্মৰুগ্ন, নিশকতীয়া। বৃহৎ পৰিয়ালৰ সমবয়সীয়া অন্যান্য ভাই-ভতিজাকে তেওঁৰ এই পংগুজনিত খোজকঢ়াৰ ত্ৰুটিক লৈ ইতিকিং কৰাত মাক প্ৰফুল্লময়ীয়ে পুতেকক স্বতন্ত্ৰ গাড়ীত অকলশৰীয়াকৈ স্কুললৈ পঠিওৱাৰ ব্যৱস্থা কৰে। ১৮৮৬ত ১৫ বছৰ বয়সত বলেন্দ্ৰনাথে হেয়াৰ স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৩ বছৰ বয়সত মাকৰ স'তে নাৱেৰে শ্ৰীৰামপুৰলৈ যোৱাৰ সময়ত নাৱৰীয়াৰ মুখত গান শুনি বলেন্দ্ৰনাথ সাহিত্য-চৰ্চাৰ প্ৰতি আগ্ৰহী হৈ উঠে আৰু ব্যক্তিগত নিবন্ধ লিখিবলৈ আৰম্ভ কৰে। এনেদৰে অভিভাৱকসকলৰ, বিশেষকৈ খুড়াক ৰবীন্দ্ৰনাথৰ প্ৰত্যক্ষ অনুপ্ৰেৰণাত পাৰিবাৰিক পত্ৰিকা বালক, ভাৰতী আৰু সাধনাত তেওঁৰ পদ্য আৰু গদ্য ৰচনা প্ৰকাশ পাই থাকে।

জীৱিত কালত প্ৰকাশিত বলেন্দ্ৰনাথৰ দুখন কাব্যগ্ৰন্থ যথাক্ৰমে 'মাধবিকা' আৰু 'শ্ৰাবণী'ত ২৫টা আৰু ২৬টা মুঠ ৫১টা কবিতা সংকলিত হৈছিল। তদুপৰি তেওঁৰ অসংকলিত কবিতা আছিল ১০টা, ইংৰাজীৰ পৰা অনূদিত কবিতা আছিল তিনিটা আৰু ব্ৰাহ্মসংগীত তেওঁ ৰচনা কৰিছিল দুটা। তেওঁৰ প্ৰথম গ্ৰন্থ 'চিত্ৰ ও কাব্য' আছিল এখন গদ্য সংকলন। গদ্যপুথিখন তেওঁ উছৰ্গা কৰিছিল তেওঁৰ পৰম পূজনীয় 'ককা মহাশয়' (খুড়া) ৰবীন্দ্ৰনাথ ঠাকুৰলৈ। এই গ্ৰন্থৰ আঠটা নিবন্ধৰ চাৰিটা নিবন্ধ আছিল কাব্য বিষয়ক; যেনে—'উত্তৰচৰিত', 'কালিদাসেৰ চিত্ৰাংকনী প্ৰতিভা', 'কাব্যে প্ৰকৃতি', আৰু 'জয়দেৱ'। বিভিন্ন মাহেকীয়া আলোচনীত প্ৰকাশিত তেওঁৰ অন্যান্য গদ্য ৰচনাৰ মাজতো ভালেমান ৰচনা আছিল কাব্য বিষয়ক। সম্ভৱতঃ খুড়াক ৰবীন্দ্ৰনাথে তেওঁৰ হতুৱাই যিদৰে কালিদাসৰ পৰা জয়দেৱলৈকে সংস্কৃত কাব্য সাহিত্যৰ পৰ্যালোচনা এটা সুনিৰ্দিষ্ট পৰিকল্পনা হিচাপে সম্পন্ন কৰোৱাইছিল, তেনেদৰে মুকুন্দৰাম চক্ৰৱৰ্তী, ৰামপ্ৰসাদ সেন, কেতকাদাস-ক্ষেমানন্দ, কৃত্তিবাস, কাশীৰাম দাস, বিদ্যাপতি-চণ্ডীদাস আৰু ভাৰত চন্দ্ৰ ৰায়ৰ কাব্য-সম্পৰ্কিত আলোচনাও কৰোৱাইছিল। বংগদেশৰ আৰু কোনো লেখকেই এনে সুপৰিকল্পিতভাৱে সংস্কৃত আৰু মধ্যযুগৰ বাংলা কাব্য-সাহিত্যৰ পৰ্যালোচনা কৰা নাই।

বলেন্দ্ৰনাথৰ মৃত্যু হয় ২৯ বছৰ পূৰ্ণ নৌহওঁতেই। গতিকে এই নাতি-পৰিসৰ জীৱনৰ মাথোঁ ১৪ বছৰৰ ভিতৰতে তেওঁ সংস্কৃত আৰু বাংলা সাহিত্যৰ ভাণ্ডাৰ মন্থন কৰিছিল। ৰবীন্দ্ৰনাথৰ নিজস্ব পত্ৰিকা 'সাধনা' প্ৰকাশৰ পাছৰে পৰাই বলেন্দ্ৰনাথ এই পত্ৰিকাৰ নিয়মিত গদ্য লেখক হৈ উঠে। বিভিন্ন বিষয়ক নিবন্ধ আৰু আলোচনাৰ উপৰি ৰবীন্দ্ৰনাথৰ নিৰ্দেশত তেওঁ বিদেশী পত্ৰ-পত্ৰিকাৰ পৰা 'সাময়িক সাৰসংগ্ৰহ' লিখিছিল। এইবোৰৰ ভিতৰত 'বৰ্মায় ডাকাত', 'প্ৰেমে পড়া', 'খ্ৰিষ্টীয় নৰক', 'কৃত্ৰিম দাম্পত্য নিৰ্বাচন', 'ক্ৰিমিনাল মানবতত্ত্ব', 'লোকসংখ্যা বৃদ্ধি ও আহাৰ্যসংস্থান' প্ৰভৃতি বিচিত্ৰ বিষয়ক লৈ তেওঁ লিখিছিল। ইয়াৰ উপৰি তেওঁ শিল্প-কলা সম্পৰ্কেও আলোকপাত কৰিছিল। তেৱেঁই পোনতে ৰবি শৰ্মাৰ চিত্ৰকলাৰ স'তে বংগীয় পাঠকসমাজক পৰিচয় কৰাই দিছিল। বলেন্দ্ৰনাথৰ গদ্য ৰচনা আছিল অনুপ্ৰাস, শব্দালংকাৰ, সমাসবদ্ধ শব্দসহ পৰিশীলিত আৰু সযত্ন ৰচিত।

বলেন্দ্ৰনাথৰ সাহিত্য কৃতি অবিনশ্বৰ, কিন্তু এই কীৰ্তিৰ মাজত গভীৰ অপূৰ্ণতা ৰৈ গৈছে। দীৰ্ঘজীৱী হোৱা হ'লে কোলাহলপূৰ্ণ খ্যাতিৰ প্ৰাংগণত তেওঁৰ আসন যথেষ্ট ওপৰত থাকিলহেঁতেন। বলেন্দ্ৰনাথৰ কবিতা আছিল শব্দৰ অকাৰণ আভৰণ বাহুল্যৰ পৰা মুক্ত, সহজ আৰু হৃদয়গ্ৰাহী। তদুপৰি তেওঁৰ কাব্যৰ প্ৰতিটো চৰণতে ধ্বনিত হৈছিল সুৰৰ মূৰ্চ্ছনা। সংবেদনশীল কবি আছিল কাৰণেই বেদনাৰ সূক্ষ্ম কম্পনে তেওঁৰ হৃদয়তন্ত্ৰী স্পন্দিত হৈছিল। কিন্তু জীৱনৰ বিচিত্ৰ বেদনাই তেওঁক পৃথিৱীৰ পৰা কোনোদিনেই বিমুখ কৰিব পৰা নাই। জীৱন ফুলৰ লালিমাত ৰক্তিম হৈ উঠিছে তেওঁৰ কবিতা, সমগ্ৰ ৰচনা। সেয়ে তেওঁৰ ৰচনাই অনায়াসে আমাৰ মৰ্ম স্পৰ্শ কৰে, তেওঁ অতি সহজেই উঠে আমাৰ অতি আপোনজন। সংসাৰৰ পৰা আঁতৰি থাকি, জীৱনৰ পৰা পলাই গৈ তেওঁ মুক্তি পাব বিচৰা নাই—আশ্ৰয় লোৱা নাই কোনো গজদন্তনিৰ্মিত মিনাৰত।

বলেন্দ্ৰনাথৰ প্ৰাণপ্ৰাচুৰ্য তেওঁৰ 'Simple, sensuous and passionate' কবিতাবোৰত উদ্বেল হৈ উঠিছে। যৌৱনৰ অনন্ত উচ্ছ্বাসত 'মাধবিকা' আৰু 'শ্ৰাবণী' উচ্ছ্বসিত। কীট্‌ছৰ দৰে তেৰোঁ আছিল সৌন্দৰ্যৰ পূজাৰী। নাৰী বলেন্দ্ৰনাথৰ দৃষ্টিত সৌন্দৰ্য মূৰ্তিমতী। সেয়ে নাৰীৰ উন্মাদক ৰূপে তেওঁক বিহ্বল কৰে। তেওঁ ৰোমাণ্টিক কবি, সেয়ে নাৰীক তেওঁ দেৱী হিচাপে জ্ঞান কৰে। কিন্তু মানসীক তেওঁ বাৰে বাৰে মানৱী ৰূপত পাব বিচাৰে, তেওঁৰ প্ৰেয়সী নাৰী প্ৰদীপ্ত বাসনাত প্ৰোজ্জ্বল।

গদ্যত বলেন্দ্ৰনাথক দেখা যায় প্ৰাঞ্জোচিত ভূমিকাত, যিটো তেওঁৰ বয়সৰ স'তে প্ৰায় নিমিলে। কিন্তু কাব্যত তেওঁ প্ৰাণচাঞ্চল্যেৰে ভৰা তৰুণ। কাব্যত তেওঁ অনায়াস, বন্ধনহীন আৰু স্বপ্ৰকাশ। যিটো সময়ত মানৱতাৰ আদৰ্শ, দেশভক্তি, ৰাজনৈতিক ক্ৰিয়াকাণ্ড প্ৰভৃতি ঘটনাৰাজিক লৈ কবিতাৰ জগত আলোড়িত হৈছিল, তেনে সময়ত বলেন্দ্ৰনাথে সেইবোৰ জাগতিক, তাৎক্ষণিক বিষয়ৰ পৰা আঁতৰি আহি আপোন মনত তেওঁৰ কাব্যজগত সৃষ্টি কৰিছিল। সময়ৰ সোঁতত যেতিয়া সকলো সাময়িক প্ৰসংগ জাঁজিৰ দৰে উটি যায়, তেতিয়াও মানুহৰ হৃদয়ত প্ৰেম থাকে, পৃথিৱীৰ আদিম আকাংক্ষা চিৰ নবীন হৈ থাকে আৰু ইয়াতেই বলেন্দ্ৰনাথে তেওঁৰ শতবৰ্ষ অতিক্ৰম কৰিও আমাৰ হৃদয়-উচ্চাৰণৰ লগৰীয়া হৈ যায়। এই বিষয় নিৰ্বাচনৰ অনন্যতাই তেওঁৰ অন্যতম বৈশিষ্ট্য।

যিসকলে ডাঙৰ কবি হ'ব বিচাৰে তেওঁলোকলৈ মহাকবি মিল্টনে উপদেশ দিছিল 'নিজেই প্ৰকৃত কবিতা' হৈ যোৱা বুলি— 'He who would not be frustrate of his hope to write well hereafter inlandable things ought himself to be a true poem.' বলেন্দ্ৰনাথে তেওঁৰ নিজৰ জীৱনত প্ৰকৃত কবিতা হ'ব পাৰিছিল। তেওঁৰ জীৱনৰ ছন্দোবন্ধনত আছিল কাব্যশিল্পৰ সুষমা। তেওঁৰ স্বভাৱত এটা স্নিগ্ধ পবিত্ৰতা আছিল যিয়ে তেওঁৰ সকলো ৰচনাতে প্ৰতিভাত হৈ সিবোৰত লাৱণ্য ছটিয়াই দিছে।

'বলেন্দ্ৰ গ্ৰন্থাৱলী'ৰ ভূমিকাত ৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদীয়ে লিখিছিল, ৰবীন্দ্ৰনাথৰ দৰে অমোঘ ব্যক্তিত্বৰ ইমান সন্নিকট থাকিও যে তেওঁৰ নিজস্ব প্ৰতিভা প্ৰচুৰ পৰিমাণে দেখুৱাব পাৰিছিল, ইয়াতেই তেওঁৰ সামৰ্থ্যৰ বিশিষ্টতা স্পষ্ট হৈ উঠে। গদ্যতকৈ পদ্য ৰচনাত তেওঁৰ এই নিজস্ব শক্তি অধিক ৰূপত প্ৰকট হৈ উঠে।

আধুনিক বংগৰ অধিকাংশ কবিৰ দৰে তেওঁ ৰবিপ্ৰতিভাত অভিভূত হোৱা নাই। ৰামেন্দ্ৰসুন্দৰৰ এই অৱলোকন অতি যথাৰ্থ বুলিয়েই কোনেও ইয়াৰ দ্বিমত হ'ব পৰা নাই।

অকল সাহিত্য ক্ষেত্ৰতেই নহয়, ব্যৱসায় আৰু অন্যান্য সামাজিক কামতো বলেন্দ্ৰনাথ আছিল দক্ষ আৰু নিষ্ঠাবান। ১৮৯৫ত তেওঁৰ সম্পৰ্কীয় ককায়েক সুৰেন্দ্ৰনাথৰ স'তে মৰাপাট কিনা-বেচাৰ কাম কৰিবলৈ 'টেগোৰ এণ্ড কোম্পানী' নাম দি যুটীয়া ব্যৱসায় আৰম্ভ কৰিছিল। কুষ্টিয়াৰ কুঠিবাড়ীত ফলক লগাই এই ব্যৱসায় আৰম্ভ কৰিছিল। পাছলৈ ৰবীন্দ্ৰনাথো এই ব্যৱসায়ত জড়িত হৈছিল। অলপ দিনৰ ভিতৰতে তেওঁলোকে বিলাতৰ ৰেনউইক কোম্পানীৰ একচেটিয়া কাৰবাৰ ভাঙি দিবলৈ সক্ষম হয়। অৱশ্যে বলেন্দ্ৰনাথৰ অকাল মৃত্যুত এই ব্যৱসায়ৰ সমূহ ক্ষতি সাধিত হয়।

স্বদেশী বস্তুৰ উৎপাদন আৰু প্ৰসাৰৰ উদ্দেশ্যে অম্বিকাচৰণ উকিলৰ উদ্যোগত যি 'স্বদেশী ভাণ্ডাৰ' স্থাপিত হৈছিল তাৰ স'তে ঠাকুৰবাড়ীৰ সদস্যসকলো জড়িত আছিল। বলেন্দ্ৰনাথে বিভিন্ন অঞ্চল ঘূৰি দেশী উৎপাদন সংগ্ৰহ কৰি এই কাৰ্যত সহযোগিতা কৰিছিল।

১৮৯৮ত ৰবীন্দ্ৰনাথৰ পুত্ৰ ৰথীন্দ্ৰনাথৰ উপনয়ন সংস্কাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল শান্তি নিকেতনত। এই উপলক্ষে পঞ্জাৱৰ আৰ্য সমাজ, মুম্বাইৰ প্ৰাৰ্থনা সমাজ প্ৰমুখ একেশ্বৰবাদীসকলৰ এখন সন্মিলন শান্তি নিকেতনত আয়োজনৰ বাবে বলেন্দ্ৰনাথ সচেষ্ট হৈছিল। এই ক্ষেত্ৰত পিতামহ দেবেন্দ্ৰনাথৰ নিৰ্দেশত তেওঁ লাহোৰ, মুম্বাই, বাৰাণসী প্ৰভৃতি চহৰলৈ গৈছিল। এই একেশ্বৰবাদী সন্মিলনক স্থায়ীৰূপ দিয়াৰ লক্ষ্যৰে তেওঁ ককাদেউতাৰ ব্ৰহ্মবিদ্যালয়ৰ আঁচনি সম্পাদনত প্ৰয়োজনীয় নিয়মাৱলী ৰচনা কৰিছিল। বলেন্দ্ৰনাথৰ মৃত্যুৰ দবছৰ পাছত ৰবীন্দ্ৰনাথে সেই ব্ৰহ্মবিদ্যালয়ৰ সংকল্প পূৰণ কৰে। শান্তি নিকেতনত বিদ্যালয়ৰ প্ৰথম বন্তিগছি জ্বলাবলৈ তৎপৰ হৈছিল বলেন্দ্ৰনাথ। প্ৰথমাৱস্থাত ৰবীন্দ্ৰনাথ এই প্ৰকল্পৰ স'তে যুক্ত নাছিল। সেই সময়ত তেওঁ শিলাইদহত তেওঁৰ নিজৰ গৃহ বিদ্যালয়ৰ পৰিকল্পনাত সচেষ্ট আছিল। বলেন্দ্ৰনাথে ধৰ্ম শিক্ষাৰ গুৰুত্ব দি এই বিদ্যালয়ত এণ্ট্ৰেন্স পঢ়োৱাৰ কথা ভাবিছিল।

১৮৯৬ৰ চাৰি ফেব্ৰুৱাৰীত এলাহাবাদ নিবাসী শল্য চিকিৎসক ফকিৰচাঁদ মুখোপাধ্যায়ৰ নাবালিকা কন্যা সুশীলতাৰ স'তে বলেন্দ্ৰনাথৰ বিবাহ হয়। ঠাকুৰবাড়ীৰ ৰীতি অনুসৰি বিয়াৰ পাছত সুশীলতাৰ নতুন নামকৰণ কৰা হয় সাহানা। এই বিয়া উপলক্ষে ৰবীন্দ্ৰনাথে ভতিজাক 'নদী' নামৰ কাব্যগ্ৰন্থখন উছৰ্গা কৰিছিল। বিয়াৰ দিনাখনেই ৰবীন্দ্ৰনাথে লিখিছিল 'চিত্ৰা' কাব্যগ্ৰন্থৰ 'উৎসৱ' নামৰ কবিতাটো।

অকালতে মৃত্যুমুখত পৰা বলেন্দ্ৰনাথৰ মৃত্যুক লৈ বিভিন্নজনে বিভিন্ন মত আগবঢ়াইছে। মাতৃ প্ৰফুল্লময়ীৰ মতে একেশ্বৰবাদী সন্মিলনৰ উদ্দেশ্যে লাহোৰত আৰ্য সমাজৰ স'তে মিলিত হৈ উভতি অহাৰ পথত সীতাকুণ্ডত গা ধোৱাৰ পাছৰে পৰাই বলেন্দ্ৰনাথৰ কাণত বিষ আৰম্ভ হয়। সেই কৰ্ণপ্ৰদাহৰ সুচিকিৎসা নকৰি তেওঁ ব্যৱসায়ত ব্যস্ত হৈ পৰে। পাঁচ মাহ পাছত কৰ্ণপ্ৰদাহ ৰোগত আক্ৰান্ত হৈ তেওঁ ১৮৯৯ৰ ১৯ আগষ্টত মৃত্যুমুখত পৰে। কাণত দূষিত পানী সোমাই সৃষ্টি হোৱা এই বেমাৰৰ সুচিকিৎসা নোহোৱাৰ বাবেই তেওঁৰ অকাল বিয়োগ হৈছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ২৯ বছৰো সম্পূৰ্ণ হোৱা নাছিল।


---

# মহাভাৰতৰ এক মহান চৰিত্ৰ

## বিদুৰ

**অনিতা গোস্বামী**





**মহাভাৰতৰ** এক বিশেষ চৰিত্ৰ হ'ল বিদুৰ। অথচ সমগ্ৰ মহাভাৰতখনৰে তেওঁ বিবেক স্বৰূপ। এই মহাকাব্যৰ উজ্জ্বল চৰিত্ৰসমূহৰ ভিতৰত— শ্ৰীকৃষ্ণ, ভীষ্ম, যুধিষ্ঠিৰ যিসকলে ধৰ্মক নিৰ্ভৰ কৰি চলিছিল, ধৰ্মৰ সংগ দিছে তেওঁলোকেও কোনো কোনো সময়ত ছলনা বা মিছাৰ আশ্ৰয় লোৱা দেখা যায়। উদাহৰণ স্বৰূপে কুৰুক্ষেত্ৰ যুদ্ধত এনেকুৱা বহুত মুহূৰ্ত আহিছে য'ত পঞ্চপাণ্ডৱৰ সেনাসকলৰ পৰিত্ৰাণৰ কোনো উপায়েই নাই। সেইবোৰ সময়ত শ্ৰকৃষ্ণই ছলনাৰ আশ্ৰয় লৈ পাণ্ডৱসকলৰ সহায় কৰিছে। উদাহৰণস্বৰূপে দ্ৰোণাচাৰ্য বধৰ সময়ত দ্ৰোণৰ বীৰত্বৰ ওচৰত পাণ্ডৱসকল থিয় হ'বই পৰা নাছিল। তেতিয়া শ্ৰীকৃষ্ণৰ পৰামৰ্শমতে যুধিষ্ঠিৰৰ মুখেৰে কোৱা হয়— অশ্বথামা হত, কিন্তু ইতি গজঃ'। অভিমন্যু বধৰ পাছত, অৰ্জুনে যেতিয়া জয়দ্ৰথ বধৰ প্ৰতিজ্ঞা কৰি বহে, অন্যথা তেওঁ নিজৰে জীৱন বিসৰ্জন দিব, তেতিয়া সুদৰ্শন চক্ৰৰে সূৰ্যক ঢাকি ৰাখিছিল শ্ৰীকৃষ্ণই। সূৰ্যাস্ত হোৱা বুলি ভাবি জয়দ্ৰথে কুৰুৰথীসকলৰ বেষ্টনীৰ পৰা ওলাই আহোতে অৰ্জুনে তেওঁক বধ কৰে।

পাশাখেলত যুধিষ্ঠিৰে সৰ্বস্ব হেৰুওৱাৰ পাছত দুঃশাসনে যেতিয়া উন্মুক্ত সভাত দ্ৰৌপদীক বিধ্বস্ত কৰাৰ চেষ্টা কৰিছিল, ভীষ্মই তেতিয়া এবাৰৰ বাবেও প্ৰতিবাদ কৰা নাছিল। তেওঁৰ যুক্তি আছিল, দুৰ্যোধনৰ নিমখ খাইছে. গতিকে তেওঁ প্ৰতিবাদ কৰিব নোৱাৰে। ভীষ্মৰ ন্যায় উজ্জ্বল ব্যক্তিত্ব— যিজনে পিতৃৰ মুখৰ বাবে নিজৰ সৰ্বসুখ পৰিত্যাগ কৰিছিল আৰু ভীষণ প্ৰতিজ্ঞাৰ কাৰণে ভীষ্ম নামেৰে পৰিচিত হৈছিল— সেইজন ভীষ্মই কেৱল দুৰ্যোধনৰ অন্ন খাইছিল বাবে নিশ্চুপ আছিল। কোনো প্ৰতিবাদ পৰ্যন্ত কৰিব পৰা নাছিল— এনে আচৰণ ভীষ্মৰ চৰিত্ৰৰ স'তে শোভা নাপায়।

যুধিষ্ঠিৰেও ধৰ্মাচৰণ কৰিছিল কাৰণেই স্বৰ্গাৰোহণৰ সময়ত তেওঁ নৰক দৰ্শন কৰিবলগীয়া হৈছিল। সেইফালৰ পৰা চাবলৈ গ'লে বিদুৰ সকলো ফালৰ পৰা কলসুমুক্ত এক উজ্জ্বল পুৰুষ।

বংশ ৰক্ষাৰ কাৰণে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ জন্মৰ পাছত সত্যৱতীয়ে যদি তৃতীয় সন্তান নিবিচাৰিলেহেঁতেন, তেতিয়া হ'লে বিদুৰৰ জন্মই নহ'লহেঁতেন। মাতৃ আজ্ঞা মানি ব্যাসদেৱে অম্বানিকাৰ প্ৰধান দাসীৰ স'তে সংগম নকৰা হ'লে (ভয় খাই অম্বানিকাই ব্যাসদেৱৰ পৰা আঁতৰি গৈ দাসীক থৈ গৈছিল) বিদুৰৰ জন্মই নহ'লহেঁতেন। সেই পিনৰ পৰা চাবলৈ গ'লে ধৃতৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰৰ জৈৱিক পিতৃ ব্যাসদেৱেই। কিন্তু মাতা যিহেতু কুৰুবংশৰ পৰিচাৰিকা, সেয়েহে বিদুৰৰ বংশ গৌৰৱ একো নাছিল। কিন্তু তেওঁ ধৰ্মৰ অংশ। সৰ্বদা তেওঁ সত্য প্ৰচেষ্টাৰ কাৰণে সচেষ্ট। নিন্দা অথবা স্তুতি দুয়োটাতে তেওঁ নিস্পৃহ। তেওঁ কিন্তু অকৃতজ্ঞ নহয়। ধৰ্ম কথা কৈছিল কোনো ধৰণৰ চৰ্ত নৰখাকৈ। অথবা প্ৰতিদানৰ কথা নভবাকৈ। সেয়েহে ধৃতৰাষ্ট্ৰই যেতিয়াই বিপদত পৰিছিল, বিদুৰক বিচাৰিছিল । তেওঁৰ কথা শুনিহে— যদিও বহু সময়ত তেওঁৰ কথা গ্ৰহণ কৰা নাই। পুত্ৰান্ধ হৈ ধৃতৰাষ্ট্ৰই ন্যায়-অন্যায় বিচাৰ কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছিল।

বিদুৰৰ কথাত বহু সময়ত বিৰক্ত হৈছে দুৰ্যোধন। কাৰণ দুৰ্যোধনৰ ধাৰণা আছিল বিদুৰ পাণ্ডৱৰ হিতৈষী, কৌৰৱৰ বিদ্বেষী। যদিও বিদুৰ প্ৰকৃততে সেয়া নাছিল। দুৰ্যোধন আছিল তামসিক প্ৰকৃতিৰ মানুহ। আনহাতে, বিদুৰ সাত্ত্বিক প্ৰকৃতিৰ। গতিকে দুৰ্যোধনৰ স'তে তেওঁৰ মনোমালিন্য হৈছে বহু সময়ত। আৰু প্ৰভুত্বৰ সুযোগ লৈ বিদুৰক তেওঁ বহু সময়ত কটু কথা শুনাইছে। বিদুৰে নিৰৱে সহ্য কৰি গৈছে।

ধৰ্মনিষ্ঠ কাৰণে বিদুৰে পাণ্ডৱসকলৰ নিগ্ৰহত দুখ পাইছিল। পৰিকল্পনা কৰি পাণ্ডৱসকলক জতুগৃহত পুৰি মৰাৰ যি চেষ্টা কৰা হৈছিল, বিদুৰে আগতেই তাৰ উমান পাইছিল। ইংগিতেৰে তেওঁ যুধিষ্ঠিৰক সেই কথা অৱগত কৰায়। আনকি পাণ্ডৱসকল পলাই যাবৰ কাৰণে সুৰংগও নিৰ্মাণ কৰি দিয়ে মানুহ পঠিয়াই।

অৰ্জুনে লক্ষ্যভেদ কৰি পাঞ্চালীক বিয়া কৰোৱাৰ পাছত বিদুৰেই ধৃতৰাষ্ট্ৰক উপদেশ দিয়ে পাণ্ডৱসকলক হস্তিনাপুৰলৈ লৈ আহিবৰ বাবে। বিদুৰে নিজে গৈ পাঞ্চাল ৰাজ্যৰ পৰা পাণ্ডাৱসকলক তুষ্ট কৰি লৈ আহে। একমাত্ৰ বিদুৰক সন্মান জনাবৰ বাবেই পাণ্ডৱসকল হস্তিনাপুৰলৈ আহিছিল। অন্যথা মহাভাৰতে অন্য গতি ল'লেহেঁতেন।

ছল কৰি দুৰ্যোধনে দ্যুতক্ৰিয়াৰ কাৰণে যুধিষ্ঠিৰক আমন্ত্ৰণ জনাইছিল। বিদুৰে শকুনি আৰু দুৰ্যোধনৰ অভিসন্ধি পাই ধৃতৰাষ্ট্ৰক তিৰস্কাৰ কৰে এনেদৰে— ' পাণ্ডৱসকলৰ ধন-সম্পত্তি পাশাখেলৰ মাধ্যমেৰে হৰণ নকৰি, আপুনি তেওঁলোকক মিত্ৰৰূপে গ্ৰহণ কৰক।' কিন্তু প্ৰতিদানত দুৰ্যোধনে তেওঁক তিৰস্কাৰ কৰিছিল এনেদৰে— 'তোমাক আমি প্ৰতিপালন কৰিছো। কিন্তু তুমি মেকুৰীৰ দৰে আমাৰ ক্ষতি কৰিছা। আমাৰ শত্ৰুসকল তোমাৰ মিত্ৰ। তুমি অহিতকাৰী, যলৈকে ইচ্ছা তুমি যাব পাৰা।'

পাশাখেলতো দ্ৰৌপদীক ৰক্ষা কৰাৰ সকলো চেষ্টাই বিদুৰে কৰিছিল। যুদ্ধ বন্ধ কৰিবলৈয়ো চেষ্টা কৰিছিল। শ্ৰীকৃষ্ণই কৈছিল— একালত বিদুৰেই সকলো সময়তে ঠিক কথা গৈ গৈছে।

ভীষ্মৰ তত্ত্বাবধানত ধৃতৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰ শাস্ত্ৰ বিখ্যাত নিপুণ হোৱাৰ পাছত ভীষ্মই যদুবংশৰ নৃপতি সুবন কন্যা গান্ধাৰীৰ স'তে ধৃতৰাষ্ট্ৰৰ বিবাহ কৰায়। ভোজৰাজ দুহিতা কুন্তী আৰু মদ্ৰকন্যা মাদ্ৰীৰ স'তে পাণ্ডুৰ বিয়া পাতি দিয়াৰ পাছত বিদুৰৰ কাৰণে চিন্তিত হৈ ভীষ্ম। শেষ পৰ্যন্ত মৃতসকলৰ ৰজাৰ কন্যা সুৰূপা পৰাশৰীৰ স'তে বিদুৰৰ বিয়া হয়। তেওঁলোকৰ এক ধৰ্মশীল সন্তান জন্ম হয়।

দ্বিতীয়বাৰ পাশাখেলত পৰি পাণ্ডৱসহ দ্ৰৌপদী যেতিয়া বনবাসী হয়, তেতিয়া বিদুৰে পাণ্ডৱজননী কুন্তীক তেওঁৰ গৃহত গৈ থাকিবলৈ প্ৰস্তাৱ দিয়ে।

আকৌ পাশাখেলৰ চৰ্ত মানি পাণ্ডৱসকল যেতিয়া দ্ৰৌপদীসহ বনবাসলৈ গৈছিল, তেতিয়া ধৃতৰাষ্ট্ৰৰ মনত সুবুদ্ধিৰ উদয় হয়। বিদুৰক মাতি তেওঁ প্ৰশ্ন কৰে তুমি ধৰ্মাশ্ৰিত। পাণ্ডৱসকল গুচি গৈছে। এই সময়ত কুৰুপাণ্ডৱৰ হিতৰ কাৰণে তুমি কিবা কোৱা? বিদুৰে ধৃতৰাষ্ট্ৰক ভৰ্ৎসনা কৰি তেতিয়া এনেদৰে কয়—'মহাৰাজ, সকলো সময়তে ধৰ্মৰে জয় হয়। দুষ্টমতি দুৰ্যোধনে শকুনিৰ সাহায্যত কপটভাৱে সত্যশীল যুধিষ্ঠিৰক দ্যুতক্ৰিয়াত হৰুৱাইছে। তথাপি আপুনি কোনো পদক্ষেপ নল'লে। এতিয়া অনুশোচনা কৰি কি লাভ? অৱশ্যে এটা উপায় আছে। পাণ্ডৱসকলৰ যি ৰাজ্য দুৰ্যোধনে হৰণ কৰিছে, সেই ৰাজ্য পাণ্ডৱক ওভতাই দিয়ক।'

কুৰুক্ষেত্ৰ যুদ্ধ যেতিয়া অৱশ্যম্ভাৱী, দুৰ্যোধনে যেতিয়া কাৰোৱেই কোনো সৎ কথা, পৰামৰ্শ শুনিব নিবিচাৰিলে, তেতিয়া ধৃতৰাষ্ট্ৰই সঞ্জয়ক পঠিয়াইছিল পাণ্ডৱসকলৰ ওচৰলৈ। উদ্দেশ্য- পাণ্ডৱসকলে যুদ্ধ সম্পৰ্কে কি চিন্তা কৰিছে, তাৰ উমান পোৱা। সঞ্জয়ে দূত হৈ গৈছে আৰু উভতিও আহিছে। ধৃতৰাষ্ট্ৰই তেওঁক ৰাতিয়েই মাতি পঠিয়াইছে। বনবাসৰ চৰ্ত অনুযায়ী পাণ্ডৱসকল অৰ্ধৰাজ্যৰ অধিকাৰী। তেওঁলোকে কৈছে কি? ধৃতৰাষ্ট্ৰৰ প্ৰশ্নৰ উত্তৰ ৰাতিয়েই দিব নিবিচাৰিলে। পুৱা সকলো ক'ব। যাবৰ সময়ত সঞ্জয়ে ধৃতৰাষ্ট্ৰক দুটা কথা শুনাই যায়। 'যুধিষ্ঠিৰে ধৰ্ম অৰ্জনত শোভা পাইছে। আৰু আপুনি সৎকুলত জন্ম লাভ কৰিও, দুষ্কুলজাত নৃশংস আচৰণ কৰিছে। পাণ্ডৱ নিৰ্যাতনেই কৰ্ণৰ আৰু আপোনাৰ সন্তানসকলৰ একমাত্ৰ লক্ষ্য। সকলো জানিও আপুনি তেওঁলোকক প্ৰশ্ৰয় দিছে। পাণ্ডৱসকলক মাৰি পেলোৱাৰ সকলো চেষ্টাইতো কৰা হৈছে। ভগৱানে তেওঁলোকক ৰক্ষা কৰিছে। নিজৰ কৰ্মক মানিবই লাগিব। আপুনিও কুৰু-পাণ্ডৱৰ যুদ্ধৰ প্ৰধান কাৰণ। আপোনাক মই নিন্দা কৰো।'

ইমানতে শেষ নহয়— সঞ্জয়ে আৰু কৈ যায়—'সমগ্ৰ পৃথিৱীৰ ভিতৰত আপুনিয়ে কেৱল আপোনাৰ স্বেচ্ছাচাৰী পুত্ৰৰ প্ৰশংসা কৰি পাশাখেলৰ কাৰণে তেওঁক প্ৰৰোচিত কৰিছে। উদ্দেশ্য এটাই পাণ্ডৱৰ ৰাজ্য আত্মসাৎ কৰাৰ উৎকণ্ঠ লালসা। এতিয়া তাৰ ফল চাওক।'

এইবোৰ কথা কৈ যোৱাৰ আগে আগে সঞ্জয়ে কৈ যায় পথৰ ক্লান্তিত মই অৱশ। এতিয়া যাওঁ। কাইলৈ পুৱাই আহি সবিস্তাৰে সকলো জনাম।'

কিন্তু ধৃতৰাষ্ট্ৰৰ কাৰণে উৎকণ্ঠাত নিশা কটোৱা, ধৈৰ্য ধৰি সময় অতিবাহিত কৰা সহজ নহয়। সেয়ে তেওঁ বিদুৰক মাতি পঠিয়ায়। সঞ্জয়ৰ কথাবোৰ কৈ বিদুৰক তেওঁ আৰ্তকণ্ঠে কয়, 'কাইলৈ পুৱা সঞ্জয়ে কি ক'ব সেইবোৰ চিন্তা কৰি মই বিফল। তুমি ধৰ্ম-অধৰ্ম সকলো জানা। তুমি কিবা কোৱা। মই অসহায়।'

বিদুৰে ক'লে— পৰবিত্ত লোভ কৰিলে এনেকৈ নিদ্ৰাহীন নিশা কটাবলগীয়া হয়। যুধিষ্ঠিৰৰ মহাৰাজ চক্ৰৱৰ্তী সকলো লক্ষণেই আছে। তথাপি তেওঁ আপোনাৰ ওচৰত ভৃত্যৰ দৰে আছিল। আৰু সেই কাৰণেই তেওঁক নিৰ্বাসিত কৰিব পাৰিছিল। কিন্তু আপোনাৰ সকলোতকৈ ডাঙৰ অন্তৰায় আপোনাৰ অন্ধত্ব। সেই কাৰণেই যুধিষ্ঠিৰৰ বিপৰীত প্ৰান্তত অৱস্থান কৰিছে। পণ্ডিতৰ সকলো গুণেই আপোনাৰ আছে। কিন্তু আপোনাৰ বিষয় বাসনা ইমান প্ৰবল আৰু সন্তানপ্ৰীতি ইমান তীব্ৰ যে অন্য কাৰ্যৰ দ্বাৰা ধনোপাৰ্জন কৰিবলৈয়ো দ্বিধা নাই। আপুনি সত্যক বুজিবলৈ চেষ্টা কৰক। তাৰ বিকল্প আৰু নাই।'

সেই নিশা বিদুৰে ধৃতৰাষ্ট্ৰৰ মংগলৰ কাৰণে বহু কথাই কৈছিল, যি কথা 'বিদুৰ নীতি' বুলি জনাজাত। এনেদৰে ধৃতৰাষ্ট্ৰক পূৰ্বতে তেওঁ কেতিয়াও পোৱা নাছিল।

বিদুৰৰ কথা শুনি শুনি এটা সময়ত ধৃতৰাষ্ট্ৰই কৈ পেলালে— 'বিদুৰ সঁচাকৈ যে মই যুধিষ্ঠিৰক প্ৰতাৰিত কৰিছো। মোৰ উদ্বেগৰ সীমা নাই। কি বস্তু উদ্বেগবিহীন মোক কোৱা?'

বিদুৰে কিন্তু জানিছিল মই মাজনিশা ধৃতৰাষ্ট্ৰক উপদেশ দি লাভ নাই। ৰাতিপুৱালেই দুৰ্যোধনক দেখিলে সকলো পাহৰি যাব। কাৰ্যত হৈছিলো সেয়েই। তথাপি কিন্তু বিদুৰ ধৰ্মচ্যুত হোৱা নাছিল।

কুৰুক্ষেত্ৰ যুদ্ধৰ পাছত ধৃতৰাষ্ট্ৰই এবছৰ হস্তিনাপুৰতে কটায়। চাৰিওপিনৰ বন্ধন তেওঁৰ বাবে বিষময় হৈ উঠে। ঠিক কৰিলে বাকী জীৱনটো তেওঁ আৰু গান্ধাৰী গৈ অৰণ্যতে কটাব। বিদুৰক কথাটো জনোৱাত তেৰোঁ তেওঁলোকৰ সংগী হয়। কুন্তীও গান্ধাৰীৰ অনুগামী হয়।

গংগাৰ পশ্চিম তীৰত দ্বৈপায়ন নামেৰে দুটা কুটীৰ নিৰ্মাণ কৰি এটাত থাকিল ধৃতৰাষ্ট্ৰ, বিদুৰ আৰু সঞ্জয়। আনটোত থাকিল গান্ধাৰী আৰু কুন্তী। দীৰ্ঘদিনৰ অদৰ্শনত ব্যাকুল যুধিষ্ঠিৰসহ পাণ্ডৱ ভ্ৰাতৃসকলে, দ্ৰৌপদীসহ কুৰু বংশৰ কুলবধুসকলে অৰণ্যলৈ আহি ধৃতৰাষ্ট্ৰক সাক্ষাৎ কৰে। তাতেই জানিব পাৰে যে বিদুৰে অক'লৈ কোনো স্থানত তপস্যাৰত আছে। যোৱা চাৰিদিন ধৰি তেওঁৰ স'তে ধৃতৰাষ্ট্ৰৰ দেখা হোৱা নাই।

বিদুৰৰ অন্বেষণত ওলাই গৈ পঞ্চপাণ্ডৱে গংগাতীৰত বটগছৰ তলত বিদুৰক দেখা পালে। দীৰ্ঘ অশ্ৰু আৰু ভাৰাক্ৰান্ত বিদুৰ মৌন হৈ বহি আছে। বহুবাৰ মতাৰ পাছত বিদুৰে চকু মেলি যুধিষ্ঠিৰৰ পিনে চাই পঠিয়ালে আৰু সেই মুহূৰ্ততেই তেওঁৰ প্ৰাণবায়ু নিৰ্গত হ'ল। বিদুৰৰ শৰীৰৰ পৰা তেজোপুঞ্জ আহি যুধিষ্ঠিৰৰ শৰীৰত প্ৰৱেশ কৰিলে। যুধিষ্ঠিৰে অনুভৱ কৰিলে তেওঁৰ শৰীৰ যেন এতিয়া দ্বিগুণ তেজোদীপ্ত স্বৰ্গৰ পৰা পুষ্পবৃষ্টি হ'ল আৰু দৈৱবাণীও শুনা গ'ল। যুধিষ্ঠিৰ আৰু অন্যান ভ্ৰাতৃসকল আৰু স্বজনবৰ্গ বিদুৰৰ মৃত্যু শোকত ম্ৰিয়মাণ হ'ল। তেতিয়াই ব্যাসদেৱে আহি জনালে যে মাণ্ডব্য মুনিৰ অভিশাপত স্বয়ং ধৰ্ম আহি বিদুৰৰূপে পৃথিৱীত জন্ম হৈছিল। যুধিষ্ঠিৰ আৰু বিদুৰ একেই আত্মাস্বৰূপ। সমগ্ৰ মহাভাৰতত বিদুৰৰ দৰে ধৰ্মান্বিত, পাণ্ডৱৰ শুভচিন্তক দ্বিতীয়জন পোৱা অসম্ভৱ। দীৰ্ঘ জীৱনত ধৃতৰাষ্ট্ৰ আৰু দুৰ্যোধনে তেওঁক অপমানো কম কৰা নাই।

বাণপ্ৰস্থৰ অৰণ্য যাত্ৰাৰ প্ৰাক্ মুহূৰ্তত ধৃতৰাষ্ট্ৰই বিদুৰক নিজৰ ভাই বুলি (যদিও সহোদৰ নহয়) স্বীকৃতি দিছিল, সেয়াই হয়তো তেওঁৰ জীৱনৰ পৰম প্ৰাপ্তি।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

## আমেৰিকাৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানতো বন্দুকধাৰীৰ আক্ৰমণত নিহত ছজন



**নিউজ ব্যুৰ', চিকাগো, ৫ জুলাই ঃ** আমেৰিকাত পুনৰ বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে। এইবাৰ চাৰি জুলাইৰ আমেৰিকাৰ স্বাধীনতা দিৱসৰ দিনাই চিকাগোৰ হাইলেণ্ড পাৰ্কত বন্দুকধাৰীয়ে জধে মধে গুলিবৰ্ষণ কৰাত কমেও ছজন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জন লোক গুলিবিদ্ধ হয়। হাইলেণ্ড পাৰ্কত স্বাধীনতা দিৱসৰ অনুষ্ঠান চলি থকাৰ সময়তে ২২ বছৰীয়া এজন যুৱকে গুলিবৰ্ষণ কৰিছিল। আক্ৰমণকাৰীক পাছত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কি কাৰণত ধৃত ৰবাৰ্ট ক্ৰিমৰে এই আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও আৰক্ষীয়ে প্ৰকাশ কৰা নাই।

## অষ্ট্ৰেলিয়াত হিন্দু, ইছলামৰ সংখ্যা বৃদ্ধি ঃ জনগণনাত চাঞ্চল্যকৰ তথ্য



**নিউজ ব্যুৰ', ছিডনী, ৫ জুলাই ঃ** অষ্ট্ৰেলিয়াই নতুন লোকপিয়লৰ পৰিসংখ্যা ৰাজহুৱা কৰিলে। শেহতীয়া লোকপিয়লৰ পৰিসংখ্যাত কেতবোৰ চাঞ্চল্যকৰ তথ্য প্ৰকাশ পাইছে। লোকপিয়লৰ জৰিয়তে হিন্দু ধৰ্ম আৰু অষ্ট্ৰেলিয়াত বসবাস কৰা ভাৰতীয় মূলৰ নাগৰিকৰ সন্দৰ্ভত বহু তথ্য পোহৰলৈ আহিছে। পৰিসংখ্যা অনুসৰি অষ্ট্ৰেলিয়াত হিন্দু আৰু ইছলাম ধৰ্মী লোকৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰিছে। অষ্ট্ৰেলিয়াত প্ৰতি পাঁচ বছৰত লোকপিয়ল কৰা হয়। নতুন লোকপিয়লৰ তথ্যত প্ৰকাশ পোৱা মতে, অষ্ট্ৰেলিয়াৰ জনসংখ্যা আঢ়ৈ কোটিৰ অধিক হ'ল। ২০১৬ত অষ্ট্ৰেলিয়াৰ জনসংখ্যা ২.৩৪ কোটি আছিল আৰু শেহতীয়া লোকপিয়লত দেশখনৰ জনসংখ্যা ২.৫৫ কোটিলৈ বৃদ্ধি পালে। অৰ্থাৎ বিগত পাঁচ বছৰত ২১ লাখ জনসংখ্যা বৃদ্ধি হ'ল। অষ্ট্ৰেলিয়াত ৫০ বছৰত খ্ৰীষ্টধৰ্মীৰ সংখ্যা ৫০ শতাংশ হ্ৰাস পালে। আনহাতে, দেশখনত হিন্দুধৰ্মীৰ সংখ্যা তিনি শতাংশ আৰু ইছলামধৰ্মীৰ সংখ্যা তিনি শতাংশ বৃদ্ধি পালে।

## বুৰ্কিনা ফাছ'ত জেহাদী আক্ৰমণত নিহত ২২ জন



**নিউজ ব্যুৰ', বাউকল ডু মুহুন, ৫ জুলাই ঃ** বুৰ্কিনা ফাছ'ত জেহাদীৰ আক্ৰমণত কমেও ২২ জন লোকৰ মৃত্যু হ'ল। এই ঘটনাত আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। বাউকল ডু মুহুন অঞ্চলৰ গৱৰ্ণৰ বাব' পিয়ৰে বছিংগাই এক বিবৃতিত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি জেহাদীয়ে সোমবাৰে অঞ্চলটোত আক্ৰমণ চলাই ২২ জন লোকক হত্যা কৰিছিল। বিগত কেইবছৰমানৰ পৰা এই অঞ্চলত অল কায়দা আৰু ইছলামিক ষ্টেট (আইছিছ)ৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰ হিংসাত্মক ঘটনা বৃদ্ধি পাইছে। হিংসাত্মক ঘটনাত বৰ্তমানলৈকে সহস্ৰাধিক লোকৰ মৃত্যু হোৱাৰ লগতে ২০ লাখৰো অধিক লোক আশ্ৰয়হীন হৈছে।

## নৌসেনাত অগ্নিপথৰ জৰিয়তে ভৰ্তি কৰা হ'ব ২০ শতাংশ মহিলাক



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** ভাৰতীয় সেনা বাহিনীত হ্ৰস্ব কালৰ বাবে নিযুক্তি প্ৰদানৰ উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ আঁচনিলৈ যথেষ্ট সংখ্যক যুৱক-যুৱতীয়ে সঁহাৰি জনাইছে। ভাৰতীয় নৌসেনাই আজি প্ৰকাশ কৰা অনুসৰি অগ্নিপথ আঁচনিৰ অধীনত ২০ শতাংশ পদত মহিলাক নিযুক্তি প্ৰদান কৰা হ'ব। নৌসেনাৰ বিষয়াই এই কথা প্ৰকাশ কৰি লগতে কয় যে নিযুক্তিপ্ৰাপ্ত অগ্নিবীৰসকলক সমুদ্ৰ নিৰাপত্তা বাহিনীৰ পৃথক পৃথক শাখালৈ প্ৰেৰণ কৰা হ'ব। ভাৰতীয় নৌসেনাই যোৱা পহিলা জুলাইৰ পৰা অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছে। নৌসেনাই প্ৰকাশ কৰা অনুসৰি বৰ্তমানলৈকে ১০ হেজাৰতকৈ অধিক সংখ্যক মহিলা প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিব।

## দিল্লীত বিধায়কৰ বেতন ৬৬ শতাংশ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** দিল্লী বিধানসভাত বিধায়কৰ বেতন আৰু অন্যান্য ভাট্টা ৬৬ শতাংশ বৃদ্ধিৰ সন্দৰ্ভত দাখিল কৰা বিধেয়ক গৃহীত হ'ল। বৰ্তমানলৈকে দিল্লীৰ এজন বিধায়কে বেতন আৰু অন্যান্য ভাট্টা হিচাপে মাহে ৫৪,০০০ টকা লাভ কৰিছিল। বেতন বৃদ্ধিৰ বিধেয়কত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভৰ পাছত দিল্লীৰ বিধায়কৰ দৰমহা মাহে ৯০,০০০ টকালৈ বৃদ্ধি পাব। অৱশ্যে এই বৃদ্ধিৰ পাছতো দেশৰ ভিতৰতে সৰ্বনিম্ন বেতন লাভ কৰিব দিল্লীৰ বিধায়কে।

### পাচলিৰ দৰে আমেৰিকাত বিক্ৰী কৰা হয় বন্দুক ঃ বিগত ৫০ বছৰত বন্দুকধাৰীৰ আক্ৰমণত ১৫ লাখৰ মৃত্যু

## আমেৰিকাৰ ৩৩ কোটি জনসংখ্যাৰ হাতত আছে ৪০ কোটি বন্দুক

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৫ জুলাই ঃ** আমেৰিকাত শেহতীয়াভাৱে বিগত কে'বামাহ ধৰি বন্দুকধাৰীয়ে ত্ৰাসৰ সৃষ্টি কৰি আহিছে। বন্দুকধাৰীৰ আক্ৰমণত প্ৰায় প্ৰতি সপ্তাহতে একাধিক লোকৰ মৃত্যু হৈছে। সম্প্ৰতি আমেৰিকাত খাদ্যদ্ৰব্যতকৈও অধিক সহজলভ্য হৈছে বন্দুক। পাচলিৰ দৰে আমেৰিকাত বিক্ৰী কৰা হয় বন্দুক। ১৭৯১ত আমেৰিকাৰ সংবিধানৰ দ্বিতীয় সংশোধনৰ জৰিয়তে মাৰ্কিন নাগৰিকক অস্ত্ৰ ৰখা আৰু ক্ৰয়ৰ অধিকাৰ প্ৰদান কৰা হৈছিল। এই আইন আজিও আমেৰিকাত একেদৰে বাহাল আছে। আমেৰিকাত এনে অসংখ্য বিপণী তথা ক্ষুদ্ৰ বিপণী আছে যিসমূহত বন্দুক বিক্ৰী কৰা হয়। প্ৰতি সপ্তাহতে আমেৰিকাত বন্দুকৰ প্ৰদৰ্শনীও অনুষ্ঠিত হৈ আহিছে। ৱালমাৰ্টৰ দৰে বিখ্যাত প্ৰতিষ্ঠানৰ পৰা আৰম্ভ কৰি প্ৰায় সকলোবোৰ শ্ব'পিং ম'লতে বন্দুক সহজে ক্ৰয় কৰিব পাৰি।



বন্দুক ক্ৰয়ৰ সময়ত ক্ৰেতাই এখন আবেদনপত্ৰত নিজৰ নাম, ঠিকনা, জন্মদিন আৰু নাগৰিকত্বৰ তথ্য উল্লেখ কৰিব লাগে। আইন অনুসৰি আমেৰিকাত ৰাইফল বা তেনে ধৰণৰ ক্ষুদ্ৰ অস্ত্ৰ লগত ৰখাৰ বাবে ১৮ উৰ্ধ্ব আৰু হেণ্ডগানৰ দৰে অন্য অস্ত্ৰ ক্ৰয়ৰ বাবে ক্ৰেতাৰ বয়স ন্যূনতম ২১ বছৰ হ'ব লাগে। এছ এ এছৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, বিশ্বত নাগৰিকৰ হাতত মুঠ ৮৫.৭ কোটি বন্দুক আছে আৰু ইয়াৰে ৩৯.৩ কোটি বন্দুক মজুত আছে আমেৰিকাৰ নাগৰিকৰ হাতত। আমেৰিকাৰ ৩৩ কোটি জনসংখ্যাৰ হাতত আছে প্ৰায় ৪০ কোটি বন্দুক। ইফালে, আমেৰিকাত বন্দুকৰ জৰিয়তে হোৱা হিংসাত্মক ঘটনাত বিগত ৫০ বছৰত ১৫ লাখৰো অধিক লোকৰ প্ৰাণহানি ঘটিল। ১৭৭৬ত আমেৰিকাৰ স্বাধীনতাৰ পাছৰে পৰা বিগত ২৫০ বছৰত দেশখনত যিমান সংখ্যক সৈনিকৰ যুদ্ধত মৃত্যু হ'ল, তাতোকৈ অধিক সংখ্যক লোকে আমেৰিকাত প্ৰাণ হেৰুৱালে বন্দুকৰ হিংসাত্মক ঘটনাত। মূলতঃ বন্দুক অতি সহজলভ্য হোৱাৰ ফলতে আমেৰিকাত বন্দুকধাৰীয়ে হিংসাত্মক ঘটনা সংঘটিত কৰাটো বাস্তৱত অতি সহজ হৈছে।

## যোগীৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম এশ দিনত উত্তৰ প্ৰদেশত ৫২৫ টা এনকাউণ্টাৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৫ জুলাই ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰে দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম এশ দিনৰ কামৰ খতিয়ান দাঙি ধৰিলে। এই খতিয়ানত উল্লেখ কৰা অনুসৰি যোগীৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম এশ দিনত উত্তৰ প্ৰদেশত আৰক্ষীয়ে মুঠ ৫৭৫ টা এনকাউণ্টাৰ সংঘটিত কৰিলে। এনেবোৰ এনকাউণ্টাৰত আৰক্ষীৰ গুলিত পাঁচজন অভিযুক্তৰ মৃত্যু হয়। আনহাতে, আহতৰ সংখ্যা হৈছে ৪২৫ জন। বিগত এশ দিনত যোগীৰ আৰক্ষীয়ে ১,০৩৪ জন অপৰাধীক ৰাজ্যখনত গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, একে সময়ছোৱাত অপৰাধীৰ স'তে হোৱা সংঘৰ্ষৰ ঘটনাত আহত হ'ল ৬৮ জন আৰক্ষী। মুখ্যমন্ত্ৰী যোগীৰ দ্বিতীয়টো কাৰ্যকালৰ এশ দিনত ৰাজ্যখনত বিভিন্ন ঘটনাত অভিযুক্তৰ মুঠ ১৯০ কোটি টকাৰ সম্পত্তিও বাজেয়াপ্ত কৰা হৈছে। কালি এই তথ্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰী যোগীয়ে এইদৰে কৈছিল, 'বিগত কেইবছৰমানত ৰাজ্যত মুঠ ২,৯২৫ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে।'



## অগ্নিগৰ্ভ উজবেকিস্তানত সংঘৰ্ষত মৃত্যু ১৮ জনৰ

**নিউজ ব্যুৰ', আলমাটি, ৫ জুলাই ঃ** হিংসাত্মক ঘটনাত উত্তপ্ত হ'ল উজবেকিস্তান। বিগত কে'বাদিনৰ সংঘৰ্ষত মধ্য এছিয়াৰ এইখন দেশত প্ৰাণ হেৰুৱালে ১৮ জন লোকে। তদুপৰি সংঘৰ্ষৰ ঘটনাই ২৫০ জনৰো অধিক লোক আহত হৈছে। স্বায়ত্তশাসিত অঞ্চল কাৰাকল্পকস্তানক কেন্দ্ৰ কৰি ৰাজনৈতিক হিংসাত্মক ঘটনাত উজবেকিস্তানৰ পৰিস্থিতি উত্তপ্ত হৈ উঠিছে। সম্প্ৰতি কাৰাকল্পকস্তানৰ স্বায়ত্ত শাসনৰ অধিকাৰ বিলুপ্ত কৰাৰ সিদ্ধান্ত লৈছিল উজবেকিস্তানৰ ৰাষ্ট্ৰপতি চাভকত মিৰজিইউইয়েভে। সংবিধান সংশোধনৰ উদ্দেশ্যৰে খচৰা প্ৰস্তাৱো ৰাষ্ট্ৰপতিয়ে দাখিল কৰিছিল। ইয়াৰ পাছতে উত্তপ্ত হৈ উঠে সমগ্ৰ প্ৰদেশ। বিক্ষোভকাৰীয়ে চৰকাৰী ভৱনত অগ্নিসংযোগ কৰাৰ লগতে ৰাজপথত বহু গাড়ী জ্বলাই দিয়ে। আৰক্ষী আৰু জনতাৰ সংঘৰ্ষত ১৮ জন লোকৰ মৃত্যু হয়।

## ৰাজনীতিত প্ৰৱেশ কৰিব নেকি অক্ষয়ে? কি ক'লে অভিনেতাই

**নিউজ ব্যুৰ', মুম্বাই, ৫ জুলাই ঃ** বলিউডৰ মহাতাৰকা অভিনেতা অক্ষয় কুমাৰে ৰাজনীতিত যোগদান কৰিব পাৰে বুলি দীৰ্ঘদিন ধৰি জল্পনা-কল্পনা অব্যাহত আছে। বিজেপিৰ স'তে অভিনেতাজনৰ থকা ঘনিষ্ঠতাৰ প্ৰতি লক্ষ্য ৰাখিও অনেকে অক্ষয়ে অচিৰে ৰাজনীতিত জড়িত হ'ব বুলি ধাৰণা কৰিছিল। তেন্তে কেতিয়াকৈ ৰাজনীতিত যোগদান কৰিব বলিউডৰ এইজন অভিনেতাই? এই সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ প্ৰত্যক্ষ উত্তৰ দি অক্ষয়ে এইদৰে কয়, 'মই চিনেমা নিৰ্মাণ কৰিয়ে সুখী অনুভৱ কৰো। অভিনেতা হিচাপে সামাজিক যিকোনো প্ৰসংগত কাম কৰি আহিছো। ১৫০ খনমান চিনেমাৰ প্ৰযোজনা কৰিছিল। সেয়েহে ৰাজনীতিত যোগ দিয়াৰ কোনো সম্ভাৱনা নাই।' ৰাজনীতিৰ পৰা আঁতৰি থকাৰ সন্দৰ্ভত অভিনেতাজনে পুনৰ কয়, 'প্ৰতি বছৰে তিনি-চাৰিখন বাণিজ্যিক ছবি প্ৰযোজনা কৰো। এইসমূহৰ সৰহ সংখ্যকে সামাজিক সচেতনতা বৃদ্ধিৰ বাৰ্তা দি আহিছে।'



## বালাচাহেব থাকৰেক সন্মান কৰি আদিত্যৰ বিধায়ক পদ বাতিলৰ পদক্ষেপ নলয় শিণ্ডে গোটে

**নিউজ ব্যুৰ', মুম্বাই, ৫ জুলাই ঃ** আস্থা ভোটত একনাথ শিণ্ডে চৰকাৰৰ পক্ষত ভোটদান নকৰাত আদিত্য থাকৰেৰ বিধায়ক পদ বাতিল কৰা হ'ব বুলি মহাৰাষ্ট্ৰৰ ৰাজনীতিত জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে শিৱসেনাৰ নতুন মুখ্য সচেতক ভৰত গোগাৱালাই প্ৰকাশ কৰা অনুসৰি, 'হুইপ' অমান্য কৰিলেও উদ্ধৱ থাকৰেৰ পুত্ৰ আদিত্যৰ বিৰুদ্ধে দলে কোনো পদক্ষেপ গ্ৰহণ নকৰে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত গোগাৱালাই এই কথা প্ৰকাশ কৰি কয়, 'যিসকল বিধায়কে



হুইপ অমান্য কৰিলে, তেওঁলোকৰ বিধায়ক পদ বাতিলৰ জাননী জাৰি কৰা হৈছে। অৱশ্যে আদিত্যক এই জাননী দিয়া হোৱা নাই। কাৰণ আমি বালাচাহেব থাকৰেক সন্মান কৰো। এই বিষয়ত মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব।' উল্লেখ্য যে দলীয় হুইপ অমান্য কৰা কাৰণত উদ্ধৱ শিবিৰত ১৬ জন বিধায়কৰ পদ বাতিল কৰাৰ দাবীৰে গোগাৱালাই বিধানসভাৰ অধ্যক্ষক এক আবেদন দাখিল কৰিছিল। যোৱা সোমবাৰে অনুষ্ঠিত হোৱা আস্থাভোটত মুখ্যমন্ত্ৰী শিণ্ডেক ভোট প্ৰদানৰ বাবে হুইপ জাৰি কৰিছিল নৱনিযুক্ত মুখ্য সচেতক গোগাৱালাই। কিন্তু এই হুইপ অমান্য কৰিছিল আদিত্যই।


## ছৌদি আৰবত ঐতিহাসিক সিদ্ধান্ত, দুই মহিলাক প্ৰশাসনৰ শীৰ্ষপদত দিলে নিযুক্তি

**নিউজ ব্যুৰ', ডুবাই, ৫ জুলাই ঃ** ছৌদি আৰবৰ অভিষিক্ত যুৱৰাজ মহম্মদ বিন ছলমানে দেশখনৰ ভাবমূৰ্তি সলনি কৰিবলৈ সময়ে সময়ে নতুন সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। যুৱৰাজ ছলমানে মহিলাসকলক অধিক ক্ষমতা আৰু অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি এইবাৰ দুগৰাকী মহিলাক চৰকাৰৰ দুটা জ্যেষ্ঠ পদত নিযুক্তি প্ৰদান কৰিলে। যোৱা দেওবাৰে এক নিৰ্দেশনা জাৰি কৰি ছৌদি আৰব চৰকাৰে চিহানা অলজাজক ছৌদি কেবিনেটত প্ৰথমগৰাকী মহিলা উপমহাসচিব নিযুক্ত কৰে। আনহাতে, হাইফা বিনত মহম্মদ অল ছৌদক পৰ্যটন বিভাগৰ উপমন্ত্ৰী হিচাপে ছৌদি চৰকাৰে



নিযুক্তি দিলে। প্ৰকাশিত বাতৰি অনুসৰি চিহানা ছৌদি আৰবত ওকালতিৰ বাবে অনুজ্ঞাপত্ৰ লাভ কৰা প্ৰথম পৰ্যায়ৰ মহিলা অধিবক্তাৰ অন্যতম এগৰাকী আছিল।


## চীনা প্ৰতিষ্ঠান ভিভ'ত আই ডিৰ অভিযান, দেশজুৰি ৪৪ স্থানত তালাচী



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ নজৰত পৰিল এইবাৰ চীনৰ ম'বাইল প্ৰস্তুতকাৰক প্ৰতিষ্ঠান ভিভ'। আজি পুৱাৰে পৰা ই ডিয়ে ভিভ' আৰু প্ৰতিষ্ঠানটোৰ স'তে জড়িত আন সংস্থাৰ কাৰ্যালয়ত তালাচী চলালে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে দেশৰ মুঠ ৪৪ টা স্থানত মঙলবাৰে তালাচী চলায়। সম্প্ৰতি চীনাই ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতি কঠোৰ নজৰদাৰি আৰম্ভ কৰিছে কেন্দ্ৰৰ চৰকাৰে। কিছুদিন পূৰ্বেও একাধিক চীনা প্ৰতিষ্ঠানৰ কাৰ্যালয়ত তালাচী অভিযান চলাইছিল কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই। পূৰ্বে বিত্তীয় অনিয়মৰ অভিযোগত যোৱা মে'ত চীনা প্ৰতিষ্ঠান ছাওমিৰ বিৰুদ্ধে তদন্ত চলোৱা হৈছিল। এপ্ৰিলৰ অন্তিম ভাগত ছাওমিৰ পৰা ৫,৫৫১.২৭ কোটি টকা বাজেয়াপ্ত কৰিছিল ই ডিয়ে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই প্ৰকাশ কৰা অনুসৰি, ১৯৯৯ বৰ্ষৰ বৈদেশিক বিনিময় ব্যৱস্থাপনা আইন (ফেমা)ৰ অধীনত ছাওমিৰ একাউণ্টৰ পৰা উক্ত অৰ্থ বাজেয়াপ্ত কৰা হৈছিল। যোৱা ডিচেম্বৰত চীনা ম'বাইল কোম্পানী অপ্প' আৰু ইয়াৰ বিক্ৰেতাৰ বিৰুদ্ধেও আয়কৰ বিভাগে অনুসন্ধান চলাইছিল।

## দেশৰ ১০ ৰাজ্যত চিনাক্ত হ'ল কৰ'নাৰ নতুন প্ৰজাতিৰ সংক্ৰমণ


**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** পশ্চিমবংগসহ দেশৰ ১০ খন ৰাজ্যত ধৰা পৰিল কৰ'নাৰ নতুন প্ৰজাতিৰ উপস্থিতি। দেশবাসীৰ উদ্বেগ বৃদ্ধি কৰি এই দাবী কৰিলে ইজৰাইলৰ গৱেষকে। ইজৰাইলৰ ছেবা মেডিকেল চেণ্টাৰৰ চেণ্ট্ৰেল ভাইৰ'লজি বিভাগত কৰ্মৰত গৱেষক শ্বে ফ্লেইছনে টুইটাৰত দাবী কৰা অনুসৰি ভাৰতসহ বিশ্বৰ সাতখন দেশৰ মুঠ ৮৬ ছিকুৱেন্স পৰীক্ষা কৰা হৈছিল আৰু যোৱা দুই জুলাই পৰ্যন্ত ভাৰতৰ ১০ খন ৰাজ্যত কৰ'নাৰ নতুন প্ৰজাতিৰ উপস্থিতি ধৰা পেলোৱা হৈছিল। বিজ্ঞানীজনৰ দাবী অনুসৰি, সমগ্ৰ বিশ্বৰ ভিতৰতে ভাৰততে প্ৰথম কৰ'নাৰ নতুন প্ৰজাতি বিএ.২.৭৫ৰ সংক্ৰমণ ধৰা পৰিছে। ইতিমধ্যে ভাৰতৰ ১০ খন ৰাজ্যত ৬৯ জন লোক এই নতুন প্ৰজাতিৰ ক'ভিডত সংক্ৰমিত হৈছে বুলিও



ফ্লেইছনে দাবী কৰিছে। বিজ্ঞানীজনে প্ৰকাশ কৰা তথ্য অনুসৰি মহাৰাষ্ট্ৰত ২৭ জন, পশ্চিমবংগত ১৩ জন, কৰ্ণাটকত ১০ জন, হাৰিয়ানাত ছজন, মধ্যপ্ৰদেশত পাঁচজন, তেলেংগানাত দুজন আৰু দিল্লীত, জম্মু, উত্তৰ প্ৰদেশত এজনকৈ লোক বিএ.২.৭৫ প্ৰজাতিৰ ক'ভিডত আক্ৰান্ত হৈছে। নতুন প্ৰজাতিৰ ক'ভিডৰ সংক্ৰমণ কিমান বিপজ্জনক সেই সংগ্ৰহত বিজ্ঞানীজনে কোনো তথ্য প্ৰকাশ কৰা নাই।


## ২৪ ঘণ্টাত ১৩ হেজাৰলৈ হ্ৰাস দৈনিক সংক্ৰমণ, মৃত্যু ১৯ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** সোমবাৰে দেশত ক'ভিড সংক্ৰমিতৰ সংখ্যাই ১৬ হেজাৰৰ সীমা অতিক্ৰম কৰিছিল যদিও মঙলবাৰে দৈনিক আক্ৰান্তৰ সংখ্যা ১৩,০৮৬ জনলৈ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত ২৪ ঘণ্টাত দৈনিক সংক্ৰমণৰ তালিকাত মহাৰাষ্ট্ৰক অতিক্ৰম কৰিলে কেৰালাই। মঙলবাৰে কেৰালাত ৩,৩২২ জন লোক ক'ভিড সংক্ৰমিত হোৱাৰ বিপৰীতে তামিলনাডুত



২,৬৫৪ জন, মহাৰাষ্ট্ৰত ১,৫১৫ জন, পশ্চিমবংগত ১,১৩২ জন আৰু কৰ্ণাটকত ৭৪৯ জন লোক ক'ভিডত আক্ৰান্ত হ'ল। যোৱা ২৪ ঘণ্টাত দেশত কৰ'নাত মৃত্যুৰ সংখ্যাও ১৯ জনলৈ হ্ৰাস পালে। মহাৰাষ্ট্ৰত তিনিজন, কেৰালা, ৰাজস্থান আৰু পঞ্জাৱত দুজনকৈ, দিল্লী, মিজোৰাম, উত্তৰ প্ৰদেশ, গোৱা, বিহাৰ, হাৰিয়ানা, জম্মু-কাশ্মীৰ, গুজৰাট, ঝাৰখণ্ড আৰু কৰ্ণাটকত এজনকৈ ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ'ল।


## ২৭ বছৰ পাছত একেখন ছবিত অভিনয় কৰিব শ্বাহৰুখ-ছলমানে



**নিউজ ব্যুৰ', মুম্বাই, ৫ জুলাই ঃ** হিন্দী ছবি জগতৰ দুই মহাতাৰকা অভিনেতা শ্বাহৰুখ খান আৰু ছলমান খানক সুদীৰ্ঘ ২৭ বছৰ পাছত চলচ্চিত্ৰত একেখন ছবিত অভিনয় কৰা প্ৰত্যক্ষ হ'ব পাৰে। 'কৰণ-অৰ্জুন'ৰ পাছত বলিউডৰ এই দুজন জনপ্ৰিয় অভিনেতাই আন কোনো ছবিত বৰ্তমানলৈকে নায়ক হিচাপে একেলগে অভিনয় কৰা নাই। বলিউডত চৰ্চিত শেহতীয়া এক খবৰ অনুসৰি এইবাৰ অনুৰাগীৰ ইচ্ছা পূৰণ কৰিবলৈ আগবাঢ়িছে দুই তাৰকা অভিনেতা। প্ৰকাশিত বাতৰি অনুসৰি, শ্বাহৰুখ আৰু ছলমানে যশৰাজ ফিল্মছৰ বেনাৰত এখন ছবি একেলগে অভিনয় কৰাৰ সম্ভাৱনা আছে। সম্প্ৰতি এই কথা টুইটাৰত শ্বেয়াৰ কৰিলে চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰন আদৰ্শই। অৱশ্যে এতিয়াও দুই তাৰকা অভিনেতাই যশৰাজ ফিল্মছৰ উক্ত ছবিৰ প্ৰস্তাৱত স্বাক্ষৰ কৰা নাই। 'টাইগাৰ-৩'ত ছলমানৰ স'তে এইবাৰ শ্বাহৰুখে অভিনয় কৰাৰ সম্ভাৱনা আছে।

## ক'কেইন অবিহনে দুঘণ্টাও কটাব নোৱাৰে ইমৰানে, পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

**নিউজ ব্যুৰ', ইছলামাবাদ, ৫ জুলাই ঃ** ক্ষমতাচ্যুত হোৱাৰ পাছৰে পৰা পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে একাধিক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। এইবাৰ ইমৰানৰ বিৰুদ্ধে উত্থাপিত হ'ল নিষিদ্ধ মাদক দ্ৰব্য ব্যৱহাৰৰ অভিযোগ। পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ গৃহমন্ত্ৰী আতাউল্লাহ তৰাৰে পাকিস্তান তেহৰিক-এ-ইনছাফ দলৰ মুৰব্বী ইমৰানৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰি কয় যে ক'কেইনৰ দৰে মাৰাত্মক ড্ৰাগছ অবিহনে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে দুঘণ্টাও অতিবাহিত কৰিব নোৱাৰে। তৰাৰে কয়, 'ইমৰান খান আৰম্ভণিৰে পৰা ড্ৰাগছ আসক্ত আছিল। চৰকাৰে জানে যে ইমৰানৰ বণিগালাৰ বিলাসী বাসগৃহলৈ কোনে ড্ৰাগছৰ যোগান ধৰি আহিছে। চৰছ আৰু ক'কেইন অবিহনে ইমৰানে দুঘণ্টাও



থাকিব নোৱাৰে।' সংবাদ মাধ্যমৰ আগত লাহোৰত তৰাৰে লগতে কয়, 'আমি নিষিদ্ধ ড্ৰাগছ গ্ৰহণৰ অভিযোগত ইমৰান খানক যিকোনো সময়তে গ্ৰেপ্তাৰ কৰিব পাৰো। কিন্তু তেনে কাৰ্য কৰিব বিচৰা নাই। নিচা সামগ্ৰী অবিহনে কাৰাগাৰত তেওঁ কেনেকৈ থাকিব?'

## 'কালী'ৰ প'ষ্টাৰক লৈ বিতৰ্ক ঃ দিল্লী, উত্তৰ প্ৰদেশত তৰিলে গোচৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জুলাই ঃ** চলচ্চিত্ৰ পৰিচালিকা লীনা মণিমেকলাইৰ বিৰুদ্ধে দিল্লী আৰু উত্তৰ প্ৰদেশত হিন্দু ধৰ্মক অৱমাননা কৰাৰ অভিযোগত দুটাকৈ গোচৰ ৰুজু হ'ল। দিল্লী আৰক্ষী আৰু উত্তৰ প্ৰদেশ আৰক্ষীয়ে 'কালী' তথ্যচিত্ৰৰ নিৰ্মাতা- নিৰ্দেশকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলে। 'কালী' তথ্যচিত্ৰৰ প'ষ্টাৰত হিন্দু দেৱী কালীক চিগাৰেট সেৱনৰত অৱস্থাত উপস্থাপন কৰা হৈছে। এইদৰে হিন্দু দেৱীক বিকৃত ৰূপত উপস্থাপন কৰি চলচ্চিত্ৰ নিৰ্মাতা লীনাই ধৰ্মীয় অনুভূতিত আঘাত হনাৰ অভিযোগ উত্থাপিত হ'ল। 'কালী'ৰ প'ষ্টাৰক লৈ উদ্ভৱ হোৱা বিতৰ্কৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ছবিখনৰ পৰিচালিকা লীনাই টুইটাৰৰ জৰিয়তে আজি এইদৰে কয়, 'হেৰুৱাবলৈ মোৰ একো নাই। মই এনে এক কণ্ঠস্বৰ বিচাৰো যি ভয় অবিহনে মাতি মাতিব পাৰে। ইয়াৰ ফলত যদি মই জীৱন বিসৰ্জন দিব লগা হয় তেন্তে মই বিসৰ্জন দিম।' তথ্যচিত্ৰখনৰ বিতৰ্কিত প'ষ্টাৰ ৰাজহুৱা হোৱাৰ পাছত একাংশ ব্যক্তি-সংগঠনে আপত্তি প্ৰদৰ্শন কৰাৰ লগতে দুখন থানাত ভাৰতীয় দণ্ডবিধি ১৫৩ (এ) আৰু ২৯৫ (এ) ধাৰাৰ অধীনত গোচৰ তৰা হ'ল।

# সাতপখলী প্ৰাথমিক বিদ্যালয়ত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

**ছয়গাঁও, ৫ জুলাই ঃ** ‘চৰকাৰী বিদ্যালয়সমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰো যথেষ্ট প্ৰতিভা আছে। এই প্ৰতিভাসমূহ বিকশাই তোলাত তেওঁলোকৰ মাতৃসকলে প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব।’ ১৮৮৫তে ব্ৰিটিছ শাসনাধীন কালতে ৰামপুৰ মৌজাৰ সাতপখলীত স্থাপিত ৯৫ নম্বৰ সাতপখলী প্ৰাথমিক বিদ্যালয়ত কালি সামৰণি পৰা ১০ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি সাংবাদিক বিমল শৰ্মাই এনেদৰে মন্তব্য কৰে। সাংবাদিক শৰ্মাই ১৩৭ বছৰীয়া বিদ্যালয়খনৰ কালজয়ী ঐতিহ্যক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে সাম্প্ৰতিক সময়ত বিদ্যালয়খনে অঞ্চলটোত শৈক্ষিক পৰিৱেশ সৃষ্টিত লৈ অহা ভূমিকাৰ বাবে বিদ্যালয়খনৰ শিক্ষকমণ্ডলী, পৰিচালনা সমিতিৰ কৰ্মকৰ্তা আৰু অভিভাৱকসকলক ভূয়সী প্ৰশংসা কৰে। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অংশগ্ৰহণ কৰি চিআৰচিচি দেৱজিৎ দাসে নতুন শিক্ষানীতি-বিদ্যালয় এখনৰ অভিভাৱক-মাতৃগোটৰ ভূমিকা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ দায়বদ্ধতাৰ ওপৰত চমুকৈ বক্তব্য ৰাখে। সভাখনত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক ৰামপ্ৰসাদ দাসে বক্তব্য ৰাখি শেহতীয়াভাৱে বিদ্যালয়সমূহলৈ চৰকাৰে যোগান ধৰা বিনামূলীয়া ইউনিফৰ্ম, কিতাপ-পত্ৰৰ দ্বাৰা দুখীয়া পৰিয়ালৰ বিদ্যাৰ্থীসকল উপকৃত হোৱা বুলি মন্তব্য কৰে। তদুপৰি কালিৰ সভাত বিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা চবিন দাস, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি জীতেন মহন্তকে ধৰি বহু সংখ্যক অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিমল কলিতাই আঁত ধৰা উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত এইখন প্ৰাথমিক বিদ্যালয়ত পঢ়ি গৈ সদ্যঘোষিত মেট্ৰিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰী মীনাক্ষী দাসক কালি বিদ্যালয়খনলৈ মাতি আনি ফুলাম গামোচা, জাপি আৰু এখন এংলো-আছামিজ অভিধানেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি যোৱা বৰ্ষটোত বিদ্যালয় সপ্তাহত খেল-ধেমালি, সাহিত্য-সংস্কৃতিৰ বিভিন্ন প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলকো কালি এই অনুষ্ঠানতেই পুৰস্কৃত কৰা হয়। কালিৰ সভাতেই শেহতীয়া কৰ্মশালাত বুৎপত্তি দেখুওৱা কণমানি মনদ্বীপ কলিতা, বিস্মীতা দাস, লিজামণি দাস, জয়শ্ৰী দাস, অংকিতা ঠাকুৰীয়াকে ধৰি বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত, কবিতা আবৃত্তি কৰি কৰ্মশালাৰ সামৰণি অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে। কালিৰ সামৰণি অনুষ্ঠানটোত বিদ্যালয়ৰ সহকাৰী শিক্ষকসকল আৰু মাতৃগোটৰ অভিভাৱিকাসকলে পূৰ্ণ সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হয়।

# আনন্দপুৰত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মণিৰাম তালুকদাৰক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ৫ জুলাই ঃ** বাগ্‌সা জিলাৰ আনন্দপুৰত স্থাপন কৰা সভাৰাম দাস উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মণিৰাম তালুকদাৰক কালি বিদায় সম্বৰ্ধনা জনোৱা হয়। সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাত বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক তালুকদাৰক বিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ একতা সভা, শিক্ষক-কৰ্মচাৰী তথা বিদ্যালয়ৰ শুভাকাংক্ষীসকলে গামোচা, শৰাই, জাপি, গ্ৰন্থ, ছাতি আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিদায় সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তালুকদাৰে নিজৰ কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰে। ভাষণ প্ৰসংগত তেওঁ চৰকাৰী নিয়ম অনুসৰি বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিলেও আমৃত্যু বিদ্যালয়খনৰ উন্নয়নৰ হকে কাম কৰি যাব বুলি জানিব দিয়ে। উল্লেখ্য যে ১৯৯২ত স্থাপন কৰা সভাৰাম দাস উচ্চ মাধ্যমিক বিদ্যালয়ত তেওঁ প্ৰধান শিক্ষক হিচাপে যোগদান কৰিছিল। বিগত ২৯ টা বছৰে শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা তালুকদাৰে ২০১৩ৰ পৰাহে চৰকাৰী দৰমহা পাবলৈ সক্ষম হৈছিল। কালি এইজন শিক্ষাগুৰুৰ বিদায় সভাত বিদ্যালয়খনৰ লগত জড়িত সকলো আবেগিক হৈ পৰে। সভাত বাগ্‌সা জিলাৰ সাহিত্য সভাৰ উপ-সভাপতি হলধৰ কুমাৰ, বৰিমাখা আঞ্চলিক সাহিত্য সভাৰ সভাপতি মণিৰাম পাঠক, সম্পাদক মনোহৰ ৰাজবংশী, আনন্দপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন্দ্ৰ নাথ শৰণীয়া, সহকাৰী শিক্ষক ৰঞ্জন তালুকদাৰ, বৰিমাখা জুনিয়ৰ কলেজৰ প্ৰৱক্তা গদাধৰ ৰাজবংশী, বৰিমাখা বালিকা হাইস্কুলৰ সহকৰী শিক্ষক গণেশ দাস প্ৰমুখ্যে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# উত্তৰ শালমাৰাত কিশোৰী অপহৰণ ঃ ৰাষ্ট্ৰীয় পথত উদ্ধাৰ দুই অপহৰণকাৰী পলায়ন

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ৫ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত খগৰপুৰ নিগমঘোলাৰ জনজাতীয় সম্প্ৰদায়ৰ কিশোৰী এগৰাকীক ঘৰত আন কোনো লোক নথকাৰ সুযোগ লৈ পুৱা ১১ মান বজাত দুজন যুৱকে অপহৰণ কৰে যদিও সচেতন লোকৰ তৎপৰতাত উদ্ধাৰ হয়। তথ্য মতে, অভয়াপুৰী থানাৰ অন্তৰ্গত নিগমঘোলাৰ ১৬ বছৰীয়া কিশোৰীগৰাকীক দুই যুৱকে অপহৰণ কৰে। এই বিষয়ে চুবুৰীয়া লোকৰ পৰা জানিব পাৰি বিচাৰ-খোচাৰ আৰম্ভ কৰে যদিও বিচাৰি নাপালে। অৱশেষত নিশা ১০-৩০ বজাত কিশোৰীগৰাকী উত্তৰ শালমাৰা আৰক্ষী চকীত আৰক্ষীৰ জিম্মাত থকা বুলি পৰিয়ালৰ লোকে জানিব পাৰে। পাছত কিশোৰীগৰাকীক সোধ-পোছ কৰি জানিব পাৰে যে সিদলসতীৰ ঘাইপথত পেট্ৰ’ল পাম্পৰ ওচৰত ৰখাই থোৱা এএছ-২৭ চি-৭৫৭৪ নম্বৰৰ অইল টেংকাৰৰ চালক আৰু হেণ্ডিমেনে প্ৰলোভনেৰে জোৰ জবৰদস্তি টানি-আঁজুৰি টেংকাৰত উঠাবলৈ লওঁতে ঘাইপথেৰে অহা-যোৱা কৰা লোকে বিষয়টো প্ৰত্যক্ষ কৰাৰ পাছত কিশোৰীগৰাকীক এৰি পলায়ন কৰে। পাছত পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত অভয়াপুৰী থানাত ২৯২/২২ নম্বৰত গোচৰ ৰুজু কৰে।

# প্ৰতাপগড়ত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা
**দোতমা, ৫ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত মটেৰঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰতাপগড় শাখা ছাত্ৰ সন্থাৰ সহযোগত বিভিন্ন বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ বিকাশৰ ওপৰত লক্ষ্য কৰি গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান কাৰ্যসূচী আজি আৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানটো আৰম্ভ কৰে প্ৰতাপগড় হাইস্কুলৰ প্ৰধান শিক্ষক নিলেশ বৰ্মন। লগতে উপস্থিত থাকে মটেৰঝাৰ ছিনিয়ৰ বেছিক স্কুলৰ প্ৰধান শিক্ষক গুণো মালি, সদৌ ধুবুৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপক ৰায় বেপাৰী, মটেৰঝাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু প্ৰতাপগড় শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল।

# প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কৰা পথৰ জৰাজীৰ্ণ ৰূপ

## ■ ক্ষুব্ধ ৰাইজৰ মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ দাবী



অগ্ৰদূত বাৰ্তা
**দিচাংমুখ, ৫ জুলাই ঃ** অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ শিৱসাগৰ সংমণ্ডলৰ অধীনত নিৰ্মাণ কৰা দিচাংমুখ আলিৰ পৰা আখৈফুটীয়ালৈ নিৰ্মাণ কৰা দিচাং নদীৰ মথাউৰিটো পকীকৈ নিৰ্মাণ কৰাৰ বাবে ৮৯ লাখ ন হেজাৰ ১৯১ টকা আবণ্টন দিয়ে। কিন্তু বৰ্তমান মেৰামতিৰ অভাৱত পথটো কে’বা ঠাইতো ভাগি পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত যাতায়াত কৰাৰ ক্ষেত্ৰত ৰাইজৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। অনুসন্ধান কৰি জানিব পৰা মতে, প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত ১.৯৭ কিলোমিটাৰ পথটো নিৰ্মাণ কৰাৰ বাবে ৮৯ লাখ ন হেজাৰ ১৯১ টকা আবণ্টন দিয়ে। পাঁচটা বছৰৰ মেৰামতি কৰাৰ বাবে ৫৩৩.৭ লাখ টকা আছুতীয়াকৈ ৰাখে শিৱসাগৰ লোক নিৰ্মাণ বিভাগে। পথটো নিৰ্মাণৰ ঠিকা লাভ কৰে এছএছ ইঞ্জিনিয়াৰিং নামৰ গুৱাহাটীৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানে। গুৱাহাটীৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে পথটো পকীকৈ নিৰ্মাণ কৰাৰ সময়তে নিজকে জাতীয় সংগঠনৰ জিলা পৰ্যায়ৰ নেতাই পথটোত শিল আৰু মাটি যোগান ধৰাৰ সুবিধা লোৱাৰ বাবেই পথটো অতি নিম্ন মানৰে নিৰ্মাণ কৰাৰ লগতে জাতীয় সংগঠনৰ নেতা লগত থকাৰ বাবে ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে নিৰ্ধাৰিত দৈৰ্ঘ্যতকৈ কমকৈ নিৰ্মাণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। কিন্তু সেই সময়ত শিৱসাগৰ লোক নিৰ্মাণ বিভাগত কৰ্মৰত হৈ থকা দুজনমান কনিষ্ঠ অভিযন্তাৰ লগতে কাৰ্যবাহী অভিযন্তাজনক মেনেজ কৰি আবণ্টিত ধন মোকলাই নিবলৈ সক্ষম হ’ল ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে। ফলত এতিয়া, লেপাই, চুমনি আৰু জেইল গাঁৱৰ ৰাইজে পথটোৰে যাতায়াত কৰাত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। আনকি পথটো চুমনি গাঁৱত দুয়োটা ফালে খহি যোৱা পকী পথটো ভাগি পৰাত দুখন গাড়ী অতিক্ৰম কৰাটো অসম্ভৱ হৈ পৰিছে। পথটোৰ ভগা অংশকেইটা মেৰামতি কৰাৰ বাবে স্থানীয় ৰাইজে বিভাগীয় অভিযন্তাৰ লগতে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈকো ৰাজহুৱাভাৱে জনোৱাৰ পাছতো কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। এই ক্ষেত্ৰত ৰাইজে মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# সমস্যা সমাধানৰ দাবীত প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ৫ জুলাই ঃ** সদৌ ভাৰত সুলভ মূল্যৰ ব্যৱসায়ী ফেডাৰেছনৰ আহ্বান ক্ৰমে সমগ্ৰ দেশৰ সুলভ মূল্যৰ এজেণ্টসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত কালি দেশৰ সকলো এজেণ্ট সন্থাই দেশৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। দেশৰ অন্যান্য ঠাইৰ লগতে গোলাঘাট জিলাৰ সুলভ মূল্যৰ এজেণ্ট সন্থায়ো পুৱা ১১ বজাত গণতান্ত্ৰিকভাৱে গমাৰিগুৰি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ দাবীত প্ৰধানমন্ত্ৰীলৈ এক দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে স্মাৰকপত্ৰ প্ৰদানৰ প্ৰাক্‌মুহূৰ্তত জিলাৰ প্ৰায় শতাধিক এজেণ্টে উন্নয়ন খণ্ডৰ চৌহদত এক প্ৰতিবাদী সভাও অনুষ্ঠিত কৰে। সভাত সন্থাৰ সভাপতি পৰেশ দত্ত, সম্পাদক লাচিত দাস, স্থানীয় ব্যৱসায়ী পোৱাল বৰাই তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ বিষয়ে দাঙি ধৰে আৰু চৰকাৰক সমাধানৰ বাবে আহ্বান জনায়। লগতে এজেণ্টসকলৰ দাবী পূৰণ নহ’লে অনাগত সময়ত গণতান্ত্ৰিকভাৱে আন্দোলন গঢ়ি তোলাৰো হুংকাৰ প্ৰদান কৰে।

# ছয়গাঁও ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**ছয়গাঁও, ৫ জুলাই ঃ** কামৰূপ জিলাৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা যোৱা তিনি জুলাইত বিয়লি ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈ যায়। সভাৰ সৰ্বসন্মতিক্ৰমে আগত দুবছৰৰ বাবে অম্বিকা প্ৰসাদ দেৱশৰ্মাক সভাপতি, ধীৰেন দাসক সাধাৰণ সম্পাদক, খগেন নাথক ভলীবল সম্পাদক, মহন্ত কুমাৰ দাসক এথলেটিকছ সম্পাদক, অনিল কলিতাক কাবাদী সম্পাদক আৰু অৰবিন্দ ঠাকুৰীয়াক ফুটবল সম্পাদক হিচাপে লৈ এখন ২৯ জনীয়া সমিতি গঠন কৰা হয়।

# অসম সাহিত্য সভাৰ ষষ্ঠসপ্ততিতম দ্বি-বাৰ্ষিক নাৰায়ণপুৰ অধিবেশন

## আদৰণি সমিতিৰ সাধাৰণ সম্পাদক প্ৰমূখ্যে প্ৰতিনিধি দলৰ পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ৫ জুলাই ঃ** ২০২৩ৰ তিনি জানুৱাৰী আৰু ১,২,৩ আৰু চাৰি ফেব্ৰুৱাৰীত নাৰায়ণপুৰ শাখা সাহিত্য সভাৰ নিমন্ত্ৰণ ক্ৰমে মণিকাঞ্চন ক্ষেত্ৰ বৰখামতি পথাৰত অনুষ্ঠিত হ’ব। লখিমপুৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখাসমূহৰ লগতে মাজুলী জিলা সাহিত্য সভা, ধেমাজি জিলা সাহিত্য সভা আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হ’বলগীয়া অধিবেশন সন্দৰ্ভত কালি মাজুলীলৈ আদৰণি সমিতিৰ সাধাৰণ সম্পাদক মাখন তামুলী প্ৰমুখ্যে এটি প্ৰতিনিধি দলে মাজুলী জিলা সাহিত্য সভাৰ লগতে বিভিন্ন অঞ্চল ভ্ৰমণ কৰি বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰি অধিবেশন সন্দৰ্ভত আলোচনা কৰে। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ্ৰাৰ গৃহত সম্পাদক মনোজ্যোতি ৰেগনৰ উপস্থিতিত অধিবেশনৰ বিভিন্ন দিশৰ এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনা মৰ্মে মাজুলী জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখাসমূহৰ লগত এক সৌহাৰ্দ্যমূলক আলোচনাৰ পোষকতা কৰাৰ উপৰি মাজুলীৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰসকল, বিশিষ্ট ব্যক্তি, সাহিত্যিক, তথা জাতীয় সংগঠনৰ নেতা, অনুষ্ঠান প্ৰতিষ্ঠানৰ মুৰব্বীসকলেৰে অধিবেশন সন্দৰ্ভত আলোচনা কৰাৰ বিষয়ত মাজুলী জিলা সাহিত্য সভাক সহযোগিতা আগবঢ়োৱাৰ প্ৰস্তাৱ আগবঢ়ায়। মাজুলী জিলা সাহিত্য সভাৰ তৰফৰ পৰা সকলো পৰ্যায়ৰ সহযোগিতা আগবঢ়োৱাৰ সন্মতি প্ৰদান কৰি গৰম বন্ধৰ সময়ছোৱাতে আলোচনা অনুষ্ঠিত কৰাৰ পোষকতা কৰা হয়। অভ্যাগতসকলক একোখন ফুলাম গামোচাৰে জিলা সাহিত্য সভাৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। আদৰণি সমিতিৰ তৰফৰ পৰা জিলা সভাপতিজনক সদস্যৰূপে বৰণ কৰে। প্ৰতিনিধি দলটো নতুন কমলাবাৰী সত্ৰলৈ গৈ অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি প্ৰভাত বুঢ়াভকতৰ লগত বিভিন্ন দিশৰ আলোচনা কৰাৰ উপৰি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। প্ৰতিনিধি দলটোৱে বিশিষ্ট কবি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া প্ৰমুখ্যে কে’বাগৰাকীও বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰি ৰাওনা হয়। প্ৰতিনিধি দলটোত আদৰণি সমিতিৰ সাধাৰণ সম্পাদকৰ উপৰি উপ-সভাপতি ক্ৰমে সত্যজিত দত্ত, যোগেন শইকীয়া, কোষাধ্যক্ষ ৰবীন গোস্বামী, মুখ্য কাৰ্যালয় সম্পাদক দ্ৰোণ কাকতি আৰু পৰিবহণ উপ-সমিতিৰ সহকাৰী সম্পাদক সাগৰ বনিয়াই সহযোগ কৰিছিল।

# ঘগ্ৰাপাৰত শতাধিক বানাক্ৰান্তক সাহায্য প্ৰদান



অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ৫ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত হৰিমন্দিৰ প্ৰাংগণত নৱগঠিত বিবেকানন্দ সেৱা সমিতি নামৰ বেচৰকাৰী সংস্থাটোৰ উদ্যোগত কালি ঘগ্ৰাপাৰৰ কিছু বানাক্ৰান্তৰ মাজত বান সাহায্য বিতৰণ কৰা হয়। নলবাৰী জিলা বিজেপিৰ সম্পাদক দিপেন কলিতাই বান সাহায্য অনুষ্ঠান উদ্বোধন কৰে। ইয়াৰ পাছতে ঘগ্ৰাপাৰৰ প্ৰায় শতাধিক দুখীয়া বানাক্ৰন্তৰ মাজত বিবেকানন্দ সেৱা সমিতিৰ কাৰ্যকৰী সভাপতি সৰ্বেশ্বৰ কলিতা, সম্পাদক বীৰেন ডেকা, কোষাধ্যক্ষ কবি চন্দ্ৰ কলিতা, উপ-সভাপতি ৰমেশ কলিতা, সদস্য বাপুতি কলিতা, সদানন্দ কলিতা, ফুকন ৰামচিয়াৰী, প্ৰণৱ দাস, তাৰেনী ৰাজবংশী, দাস নিপন কুমাৰ আদিয়ে বানাক্ৰান্তৰ মাজত কিছু সাহায্য প্ৰদান কৰে। প্ৰায় শতাধিক বানাক্ৰান্ত পৰিয়ালক কালি বিবেকানন্দ সেৱা সমিতিয়ে চাউল, আলু, মিঠাতেল, দাইল, চেনি, বিস্কুট আদি নিত্য ব্যৱহাৰ্য সামগ্ৰী সাহায্য হিচাপে অগবঢ়ায়।



*ঘগ্ৰাপাৰত বান সাহায্য প্ৰদান।*

# গাহৰি গড়াললৈ পৰিণত গৌৰীসাগৰৰ চৰকাৰী চিকিৎসালয়ৰ জৰাজীৰ্ণ আৱাসগৃহ



অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ৫ জুলাই ঃ** চৰকাৰী চিকিৎসালয়সমূহত সৰ্বসাধাৰণ ৰাইজৰ বাবে উন্নতমানৰ চিকিৎসা সেৱা প্ৰদানৰ চৰকাৰৰ আশ্বাস যেন মিথ্যাচাৰৰ বাহিৰে আন একো নহয়। বিশেষকৈ গ্ৰামাঞ্চল আৰু ইয়াৰ আশে-পাশে থকা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত স্থায়ী চিকিৎসক নোহোৱাকৈয়ে ৰাইজক চিকিৎসা সেৱাৰ নামত প্ৰৱঞ্চনা কৰি অহাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে মিনি নগৰী গৌৰীসাগৰত অৱস্থিত গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকৰ বাবে থকা আৱাস গৃহসমূহ অসামাজিক কাৰ্যকলাপৰ ঘাটিত পৰিণত হোৱাৰ বাতৰি পোহৰলৈ আহিছে। কেৱল সেই অভিযোগতে চিকিৎসা বিভাগটোৰ ভিতৰ চ’ৰাত সংঘটিত কৰ্ম-কাণ্ড সীমাবদ্ধ হৈ থকা নাই। দীৰ্ঘদিনীয়া মেৰামতিৰ অভাৱত এফালৰ পৰা ভাগি-ছিঙি উৰলি যোৱা একাধিক আৱাস গৃহত কোনো লোকে ব্যৱসায় ভিত্তিত পালন কৰা গাহৰি বান্ধিবলৈ লোৱা ঘটনাই ৰাইজৰ চকু কপালত তুলিছে। উল্লেখ্য যে চিকিৎসালয়খনৰ অধীনৰ প্ৰায় পাঁচটাকৈ আটকধুনীয়া আৱাস গৃহ এতিয়া জঁকাত পৰিণত হৈছে। দীৰ্ঘদিনে কোনো চিকিৎসা কৰ্মীয়ে জৰাজীৰ্ণ আৱাস গৃহত থাকি কৰ্তব্য সম্পাদন নকৰাত দিনকদিনে অধিক জৰাজীৰ্ণ হৈ পৰিছে আৱাস গৃহসমূহ। চিকিৎসা বিভাগৰ আওকণিয়া মনোভাবৰ সুযোগ গ্ৰহণ কৰি উক্ত আৱাস গৃহত কাষৰীয়া এগৰাকী লোকে গাহৰি বন্ধা গড়াল হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাত পৰিৱেশ বিঘ্নিত হৈ পৰিছে। মূল চিকিৎসালয়ৰ পৰা মাত্ৰ ৫০ মিটাৰ দূৰত্বৰ এটা আৱাসগৃহত থকা গাহৰিৰ পৰা বীজাণু বিয়পি পৰাৰ সম্ভাৱনা প্ৰৱল হৈ পৰিছে। কেৱল সেয়ে নহয় ইয়াৰ পৰা দিনে নিশাই বিয়পি পৰা গেলা-পচা দুৰ্গন্ধই চিকিৎসালয়লৈ অহা ৰোগীৰ জীৱনলৈ কঢ়িয়াই আনিছে চৰম ভাবুকি।

# মিছামাৰীত নৃত্য-অভিনয়ৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি



অগ্ৰদূত বাৰ্তা
**ঠেলামৰা, ৫ জুলাই ঃ** শোণিতপুৰ জিলাৰ মিছামাৰীৰ নবিল পথাৰ গাঁৱৰ কিশোৰ-কিশোৰী আৰু যুৱতী-যুৱতীসকলে প্ৰশিক্ষণৰ মাধ্যমেৰে সাংস্কৃতিক ক্ষেত্ৰখনত নিজৰ প্ৰতিভা বিকাশ কৰিব পাৰে সেই উদ্দেশ্যৰে কালি নৃত্য আৰু অভিনয়ৰ এক প্ৰশিক্ষণ কেন্দ্ৰৰ আৰম্ভ কৰা হয়। দিনৰ ১১ বজাত নবিল পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আধুনিক নৃত্য, বিষ্ণু সংগীত, জ্যোতি সংগীত, ভূপেন্দ্ৰ সংগীত,চেমি ক্লাচিকেল আৰু অভিনয়ৰ প্ৰশিক্ষণ কেন্দ্ৰটি আনুষ্ঠানিক ভাৱে মুকলি কৰে। সাংস্কৃতিক জগতখনৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত থকা সাংস্কৃতিক প্ৰেমী বাবলু বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক তোলন চন্দ্ৰ নাথ, বাপুকন দাস, দিপাংকৰ বৰুৱা, শিক্ষিক তৰুণ চন্দ্ৰ নাথ উপস্থিত থাকে। গাঁওখনত সাংস্কৃতিক দিশটো এখোজ আগুৱাই নিয়াৰ উদ্দেশ্যৰে ড্ৰাফটেক ডেন্স একাডেমীৰ প্ৰশিক্ষক চিন্ময় মহন্তয়ে কিশোৰ-কিশোৰী আৰু যুৱতী-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। উল্লেখ্য যে নবিল পথাৰ গাঁৱত প্ৰতি বছৰে ৰাস, বিহু, নাটক, নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হৈ আহিছে। যিকোনো শিক্ষা আহৰণ কৰিবলৈ হ’লে প্ৰথমতে এজন গুৰুৰ প্ৰয়োজন হয় আৰু প্ৰশিক্ষকৰ দ্বাৰা নৃত্য-অভিনয় প্ৰশিক্ষণ গ্ৰহণ কৰিলে নৱপ্ৰজন্মসকল যথেষ্টখিনি উপকৃত হ’ব বুলি উদ্যোক্তা তোলন চন্দ্ৰ নাথে সদৰী কৰে।

# পেটলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**তামাৰহাট, ৫ জুলাই ঃ** পেটলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কুমাৰগঞ্জ হাইস্কুলৰ যৌথ উদ্যোগত ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত পেটলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা তিনি জুলাইত সদ্যঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ২৪ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পেটলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জাকিৰ হুছেইন সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ২০ গৰাকী কৃতী শিক্ষাৰ্থী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা চাৰিগৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদ্দুছ শ্বেখে ভাষণ প্ৰসংগত কয় যে আধুনিক শিক্ষাৰ ক্ষেত্ৰত ম’বাইল ফোনৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ্থীসকলে বহুত জ্ঞান অৰ্জন কৰাৰ বিপৰীতে ম’বাইলৰ অসৎ ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ্থীৰ ভৱিষ্যৎ জীৱন অন্ধকাৰৰ দিশে গতি কৰে। গতিকে ম’বাইল ফোন ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সাৱধান হ’বলৈ আহ্বান জনায় অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদজনে। ইয়াৰ উপৰি সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ জীৱন গঢ়াৰ ক্ষেত্ৰত উপদেশমূলক ভাষণ প্ৰদান কৰে ক্ৰমে কুমাৰগঞ্জ জিলা পৰিষদ সমষ্টিৰ সদস্য আনোৱাৰ হোছেন, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদ মনোজ কুমাৰ ৰায়, হাতীধুৰা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ সৌকত আহমেদ, কুমাৰগঞ্জ হাইস্কুলৰ প্ৰধান শিক্ষক ধীৰেন চন্দ্ৰ দাসকে ধৰি সভাত উপস্থিত থকা শিক্ষাগুৰু, বুদ্ধিজীৱী আৰু বিশিষ্ট ব্যক্তিসকলে।

# বন বিভাগৰ উদ্যোগত গোসাঁইগাঁৱত ৭৩ সংখ্যক বন মহোৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ৫ জুলাই ঃ** মানৱ জাতিৰ সুৰক্ষা তথা বন্যপ্ৰাণী, বনজ উদ্ভিদকে আদি কৰি সকলো ধৰণৰ বনজ সম্পদ ৰক্ষাৰ স্বাৰ্থত ১৯৫০ৰ পৰা আৰম্ভ হোৱা ৰাষ্ট্ৰীয় বন মহোৎসৱ প্ৰত্যেক বছৰে একৰ পৰা সাত জুলাইলৈকে বিভিন্ন কাৰ্যক্ৰমণিকাৰে বন বিভাগে উদ্‌যাপন কৰি আহিছে। এই বেলি ৭৩ সংখ্যক বৰ্ষত ভৰি দিয়া ৰাষ্ট্ৰীয় বন মহোৎসৱ কালি দিনজোৱা বিবিধ কাৰ্যসূচীৰে কচুগাঁও বন সংমণ্ডলৰ গোসাঁইগাঁওস্থিত কাৰ্যালয়ৰ উদ্যোগত উদ্‌যাপন কৰা হয়। প্ৰথণ কাৰ্যসূচী অনুযায়ী গোসাঁইগাঁও চহৰৰ চাৰিআলিৰ চৌদিশে এক চাফাই অভিযান সম্পন্ন কৰা হয়। বন সংমণ্ডল বিষয়া ভানু সিনহাৰ নেতৃত্বত কাৰ্যালয়টোৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে হাতে হাতে ঝাড়ু, টুকুৰী লৈ চাৰিআলিটোৰ বিভিন্ন স্থানত জমা থকা তথা সিঁচৰতি হৈ থকা জাবৰ-জোঁথৰসমূহ সাৰি পৰিষ্কাৰ কৰা হয়। তাৰ পাছত বন সংমণ্ডল বিষয়া ভানু সিন্‌হা আৰু সহকাৰী বন সংৰক্ষণ বিষয়া কে কে নাথ, ৰেঞ্জাৰ কিশোৰ বসুমতাৰী, চন্দন ব্ৰহ্ম আদি বিষয়াসকলৰ নেতৃত্বত দলটোৱে টি পি পথৰ বিভিন্ন ঠাইত কিছু সংখ্যক গছপুলি ৰোপণ কৰে। পাছত দিনৰ ১০ বজাৰ পৰা গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। কচুগাঁও বন সংমণ্ডলৰ সহকাৰী বন বিষয়া কে কে নাথৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি কচুগাঁও বন সংমণ্ডলৰ অৱসৰপ্ৰাপ্ত বন সংমণ্ডল বিষয়া ঈশ্বৰণ নাৰ্জাৰী, গোসাঁইগাঁও চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক খনীন্দ্ৰ নাথ দাস তথা কচুগাঁও বন সংমণ্ডলৰ সংমণ্ডল বিষয়া ভানু সিন্‌হাই বিষয়বস্তুৰ ওপৰত সম্পৰ্ক ৰাখি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। আনহাতে, সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি মাছন্দা পটিনে বন সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ ভূমিকাৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। মূলতঃ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থকা সভাখনত বন মহোৎসৱ উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিজেতাসকলক অতিথিসকলৰ দ্বাৰা পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

# লায়ন্স ক্লাবৰ ডিষ্ট্ৰিক্ট ৩২২ ডি বাৰ্ষিক বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন


**ডিগবৈ, ৫ জুলাই ঃ** লায়ন্স ক্লাব ইণ্টাৰনেছনেল মণিপুৰ, নগালেণ্ড, অৰুণাচল প্ৰদেশ আৰু মধ্য অসমৰ কে’বাখনো জিলা প্ৰশাসনিক অঞ্চল সাঙুৰি তিনি হেজাৰতকৈ অধিক সদস্যৰে গঠিত হৈছে লায়ন্স ডিষ্ট্ৰিক্ট ৩২২ ডি। যোৰহাট লায়ন্স ক্লাব জিলা গভৰ্ণৰ ড° ৰীমা শৰ্মা বৰুৱাৰ পৌৰোহিত্যত যোৰহাটত অনুষ্ঠিত ২০২১-২০২২ৰ বঁটা বিতৰণী অনুষ্ঠানত ১৯৫৮ত প্ৰতিষ্ঠিত উত্তৰ পূবৰ প্ৰথম আৰু ভাৰতবৰ্ষৰ চতুৰ্থটো লায়ন্স ক্লাব ডিগবৈয়ে বিভিন্ন সেৱাৰ দিশত কে’বাটাও পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। বিগত ৩০ বছৰ পৰিৱেশ সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সন্দৰ্ভত শ্ৰেষ্ঠ পৰিৱেশ জিলা সভাপতি বঁটা আৰু শ্ৰেষ্ঠ পৰিৱেশ নীতি-নিৰ্দেশনাৰ বাবে লায়ন গোপাল চন্দ্ৰ দাসক বিশেষভাৱে পুৰস্কৃত কৰা হয়। সভাত লায়ন্স ইণ্টাৰনেছনেলৰ সভাপতি ডগলাচ এক্স আলেকজেণ্ডাৰৰ স্বাক্ষৰিত এখন প্ৰশংসা পত্ৰ গোপাল চন্দ্ৰ দাসক প্ৰদান কৰা হয়। ডাঃ বিভাস কুমাৰ দাস, দিগন্ত শইকীয়া, অজিত বৰুৱা, টি এছ ভামৰা আৰু সাৰদা তালুকদাৰক বিভিন্ন দিশত আগবঢ়োৱা সেৱাৰ বাবে বঁটা প্ৰদান কৰে।




# পৰীক্ষিত ৰজাৰ কাহিনী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

এবাৰ পৰীক্ষিত ৰজাই সৈন্য-সামন্ত লৈ মৃগয়া কৰিবলৈ গৈছিল। মৃগ মানে পহু। মৃগয়া শব্দটোৰে পহু চিকাৰ কৰাকে বুজায়। তেতিয়াৰ দিনত এতিয়াৰ দৰে বন্য জন্তু চিকাৰ কৰাটো কোনো অপৰাধ বুলি গণ্য কৰা নহৈছিল। কাৰণ সেই সময়ত পৃথিৱীত মানুহৰ সংখ্যা অতি কম আছিল। পৃথিৱীৰ উপৰিভাগত থকা স্থলভাগৰ অধিকাংশ ঠায়েই আবৰি আছিল হাবি-বননিয়ে। হাবি-বননিবোৰত নানা তৰহৰ বনৰীয়া জীৱ যেনে—চৰাই, পখিলা, শিয়াল, বান্দৰ, পহু, কেৰ্কেটুৱা, বনৰীয়া ম'হ, বনৰীয়া গৰু আদি উভৈনদী আছিল। পৰীক্ষিত ৰজাই ঘোঁৰাত উঠি মৃগয়া কৰিবলৈ গৈ অৰণ্যৰ বহু ভিতৰ পালেগৈ। হাবিৰ মাজত এটা হৰিণা দেখি ৰজাই শৰ এৰিলে। শৰপাত গৈ হৰিণাটোক বিন্ধিলে যদিও হৰিণাটোৱে তীব্ৰ বেগেৰে দৌৰি অৰণ্যৰ আৰু ভিতৰলৈ সোমাই গ'ল। ৰজাও সুদাই এৰা বিধৰ ভকত নহয়। তেওঁ হৰিণাৰ পাছে পাছে ঘোঁৰা চেকুৰালে। বহু পৰিশ্ৰম কৰিও ৰজাই হৰিণাটো ধৰিব নোৱাৰিলে। অৱশেষত ৰজা ভাগৰি পৰিল। তেওঁৰ খুব পিয়াহ লাগিল। পানী পিবলৈ নাপালে যেন তেওঁৰ প্ৰাণ বায়ু উৰি যাব এনে অনুভৱ হ'ল। পিয়াহত আতুৰ হৈ তেওঁ কেউফালে পানী বিচাৰি ফুৰিলে। পানী বিচাৰি বিচাৰি ৰজা শমীক মুনিৰ আশ্ৰমত উপস্থিত হ'ল। সেই সময়ত মুনিয়ে ধ্যান কৰি আছিল। ৰজাই ঘোঁৰাৰ পৰা নামি মুনিক প্ৰণাম জনাই ক'লে, 'হে মুনিবৰ, মোক



পানী পিবলৈ দিয়ক। পিয়াহত মোৰ প্ৰাণ যায় যায়।' মুনিয়ে একান্ত মনে ধ্যানত বহি থকা বাবে ৰজাৰ উপস্থিতি গমকে নাপালে। মুনিয়ে ইচ্ছা কৰিয়েই ৰজাৰ কথালৈ কাণ দিয়া নাই বুলি ভাবি ৰজাৰ খুব খং উঠিল। তেওঁ মনতে ভাবিলে, মোক এই পৃথিৱীৰ সকলো ৰজাই সন্মান কৰে। তেনেস্থলত এজন সাধাৰণ মুনিয়ে মোক অৱজ্ঞা কৰিছে? ৰজাই ওচৰতে মৰা সাপ এডাল দেখা পাই সেই ডাল ধনুৰ আগেৰে দাঙি আনি মুনিৰ ডিঙিত পিন্ধাই দি অহংকাৰ ভাবেৰে ৰাজধানীলৈ উভতি গ'ল।

শমীক মুনিৰ বালক পুত্ৰ শৃংগীয়ে সেই সময়ত লগৰীয়াৰ লগত খেলি আছিল। শৃংগীয়ে লগৰীয়া এজনৰ মুখে ৰজা পৰীক্ষিতে মুনিৰ ডিঙিত মৰা সাপ এডাল পিন্ধাই থৈ যোৱাৰ কথা গম পাই খঙত একো নাই হ'ল। পিতাকক এনেদৰে ৰজাই অপমান কৰাত শৃংগীয়ে মনত খুব দুখ পালে। তেওঁ ৰজাক শাপ দি ক'লে, 'যি মোৰ পিতাৰ ডিঙিত এই মৰা সাপডাল পিন্ধাই থৈ গৈছে, তেওঁক সাত দিনৰ ভিতৰত তক্ষকে দংশন কৰিব।' তাৰ পাছত বালক শৃংগীয়ে পিতাকৰ ডিঙিত মৰা সাপডাল উলমি থকা বাবে ইনাই-বিনাই কান্দিবলৈ ধৰিলে। তেনে সময়তে শমীক মুনিৰ ধ্যান ভংগ হ'ল। তেওঁ ডিঙিত মৰা সাপডাল উলমি থকা দেখি সেইডাল লাহেকৈ পেলাই দি পুতেকক সুধিলে, 'বোপা, তুমি কিয় কান্দিছা? তোমাৰ কি হৈছে?' শমীক মুনিৰ কথা শুনি শৃংগীয়ে ক'লে, 'পিতা, পৰীক্ষিত ৰজাই তোমাৰ ডিঙিত মৰা সাপডাল পিন্ধাই দি তোমাক অপমান কৰিছে বুলি মই লগৰীয়াসকলৰ মুখেৰে খেলি থাকোতেই গম পালো। তোমাক ৰজাই অপমান কৰাৰ বাবে মনত খুব দুখ পাইছো। মই ৰজাক সাতদিনৰ ভিতৰতে তক্ষকে দংশন কৰিব বুলি অভিশাপ দিলো পিতা।' পুতেকৰ কথা শুনি মুনিয়ে ক'লে, 'বোপা, তুমি অতি ভুল কাম কৰিলা। পৰীক্ষিত ৰজা অতি গুণী-জ্ঞানী আৰু ধাৰ্মিক ৰজা। তেওঁ প্ৰজাসকলক অতি চেনেহ কৰে। তেওঁ পৰম বৈষ্ণৱ। মই বুজিব পাৰিছো। ৰজা মৃগয়ালৈ আহি নিশ্চয় পিয়াহত আতুৰ হৈ পানী বিচাৰি আশ্ৰমলৈ আহিছিল। মই ধ্যানত মগ্ন হৈ থকা বাবে ৰজা অহা গমকে নাপালো। অতিথিক শুশ্ৰূষা কৰিব নোৱৰাটো আমাৰ বাবে অতি দুৰ্ভাগ্যৰ কথা। তেওঁক মই ইচ্ছা কৰিয়েই মাত এষাৰ দিয়া নাই বুলি ভাবি তেওঁ মোক এই সামান্য শাস্তি প্ৰদান কৰিলে। তুমি ৰজাক সামান্য দোষতে অতি গুৰুতৰ শাস্তি প্ৰদান কৰিলা। তুমি বহু কষ্ট কৰি তপস্যা কৰিবলৈ শিকিলা, কিন্তু তপস্যাৰ উপযুক্ত ব্যৱহাৰৰ বিষয়ে জ্ঞান আহৰণ নকৰিলা। পৰীক্ষিত ৰজা অবিহনে পৃথিৱীত অশান্তি বৃদ্ধি পাব। আমি আশ্ৰয়লৈ অহা অতিথিক আতিথ্যহে আগবঢ়াব লাগিছিল, কিন্তু কাৰ্যত ইয়াৰ ওলোটাটোহে হ'ল। সন্মানীয় অতিথি গৃহস্থৰ দ্বাৰা অভিশপ্তহে হ'ল। ই গৃহস্থৰ বাবে অতি দুখৰ কথা।' তাৰ পাছত মুনিয়ে পৰমেশ্বৰ কৃষ্ণক প্ৰাৰ্থনা জনাই ক'লে, 'হে প্ৰভু, মোৰ বালক পুত্ৰই নাজানি অতি ডাঙৰ অপৰাধ কৰিলে। বালক বুলি তেওঁৰ দোষ মাৰ্জনা কৰা যেন।' তাৰ পাছত মুনিয়ে গৌৰমুখ নামৰ এজন শিষ্যক পৰীক্ষিত ৰজাৰ ওচৰলৈ এই সকলো ঘটনা জনাবৰ বাবে পঠিয়ালে। (আগলৈ)

# ৰহস্যাবৃত তিনি ৰামৰ সাধু

## শিৱ প্ৰসাদ শৰ্মাঠাকুৰ

**ভাগৱত,** পুৰাণ, ৰামায়ণ, মহাভাৰত আৰু কীৰ্তন পুথিত উল্লেখিত তিনিজন ৰামৰ বিষয়ে লিখিত আখ্যানৰ পৰা জ্ঞান আৰু তাৎপৰ্য লিখাৰ প্ৰয়াস কৰিছো। তিনিজন ৰাম ক্ৰমে পৰশুৰাম বা ভৃগুপতি, শ্ৰীৰাম চন্দ্ৰ আৰু বলোৰাম, হলিৰাম বা হলধৰ।

ভৈলাহা পৰশুৰাম নামে
অৱতাৰ
ক্ষত্ৰিয়ক কাটিলা পৰাস্ত কৰে
ধৰি
নিক্ষেত্ৰীয় কৰিলা সমবেত
বসুন্ধৰী!!

উগ্ৰ প্ৰকৃতিৰ ঋষি জমদগ্নি। তেওঁৰে পত্নী ৰেণুকাৰ গৰ্ভত জন্ম লাভ কৰা পুত্ৰ পৰশুৰাম বিষ্ণুৰ পঞ্চম অৱতাৰ। বিষ্ণুৱে ঘোষণা কৰিছে 'ধৰ্ম সংস্থাপণাৰ্থায় সম্ভৱামি যুগে যুগে' সেয়ে অনেক অৱতাৰৰ ভিতৰত প্ৰথম দহোটা অৱতাৰ সৰ্বজন বিদিত। এইজন ৰামক 'পৰশুৰাম' বোলাৰ কাৰণ এওঁ কান্ধত এখন বেঁকা কুঠাৰ লৈ ফুৰে। কুঠাৰখনৰ নামেই পৰশু কুঠাৰ।

পিতৃৰ আদেশ মানি সেই কুঠাৰেৰে মাতৃক হত্যা কৰাৰ বাবে হাতৰ পৰা কুঠাৰ এৰাই নপৰা হ'ল। বহুত তীৰ্থ ভ্ৰমণ কৰাৰ পাছত শদিয়াত মাত্ৰ সৰোবৰৰ পৰা আহি জমা হৈ থকা জলৰাশিৰ পাৰ কাটি দিয়াত 'ব্ৰহ্মপুত্ৰ' জলধাৰা বৈ আহে। হাতৰ কুঠাৰ সৰি পৰে। তেতিয়াৰ পৰা বৈ অহা জলৰাশি 'ব্ৰহ্মপুত্ৰ' নদ আৰু কুণ্ডটোৰ নাম হ'ল পৰশুৰাম কুণ্ড। ওপৰৰ পদফাঁকিত কোৱা মতে ক্ষত্ৰিয়ৰ ওপৰত বিতুষ্ট হৈ সাতবাৰ পৃথিৱী ভ্ৰমণ কৰি ক্ষত্ৰিয়ক বিনাশ কৰিলে।

পৌঢ়াৱস্থাত শ্ৰীৰাম চন্দ্ৰৰ স'তে যুদ্ধত প্ৰকৃত হোৱাত শ্ৰীৰাম চন্দ্ৰই স্বৰ্গপথ ৰুদ্ধ কৰাত বনবাসী হৈ শেষত বিষ্ণুত লীন হ'ল।

শ্ৰীৰাম ৰূপে কৌশল্যাত
অৱতৰি
বধিলা ৰাৱণ সীতা হৰণৰ হেতু
কৰিলাহা ৰাজ্য দশ হাজাৰ
বৎসৰ
লগে স্বৰ্গে নিলা সবে অযোধা
নগৰ!!
অযোধ্যাৰ ৰজা দশৰথৰ

তিনিগৰাকী ৰাণী থকা সত্ত্বেও অপুত্ৰক হৈ থকাত 'পুত্ৰেষ্টি' যজ্ঞৰ ফলত প্ৰথমা পত্নীৰ গৰ্ভত জন্ম হোৱা পুত্ৰই 'ৰাম', যাক শ্ৰীৰাম, শ্ৰীৰামচন্দ্ৰ বুলিও পৰিচয় দিয়া হয়। ৰামে বাল্যাৱস্থাতে ঋষি বিশ্বামিত্ৰৰ আহ্বানত যজ্ঞ ৰক্ষাৰ্থে 'তাড়কা'ৰ ৰাক্ষসীক বধ কৰে আৰু হৰধনু ভংগ কৰি সীতাক পত্নীৰূপে লাভ কৰিছিল। সীতাক লৈ আহোতে বাটতে বৃদ্ধ পৰশুৰ গুৰু শংকৰ ধনুভঙা বাবে যুদ্ধলৈ উদ্যত হোৱাত ৰামে পৰশুৰামক পৰাভূত কৰিছিল।

নিজ ৰাজ্যলৈ ঘূৰি অহাৰ পাছত পিতৃয়ে ৰামৰ ৰাজ্যাভিষেক পতাৰ কালত পিতৃ সত্য ৰক্ষাৰ্থে ১৪বছৰ বনবাসলৈ গুচি গৈছিল। বনবাসত থকা কালতে অনেক দৈত্য-দানৱক, দমন কৰিছিল। এসময়ত লংকাৰ ৰজা ৰাৱণৰ ভনীয়েক 'শূৰ্পনখাই' সীতাক খাব খোজাত ভ্ৰাতৃ লক্ষ্মণে তাইৰ নাক-কাণ কাটিলে। সেই দুঃসংবাদ পাই ৰাৱণে ভিক্ষাৰীৰ বেশ ধৰি সীতাক হৰণ কৰিলে। সীতাক বিচাৰি ফুৰোতে 'জটায়ু' নামৰ চৰাইটোৱে ৰাৱণে নিয়া বুলি সন্ধান দিয়ে।

সীতা উদ্ধাৰৰ হেতু লংকালৈ যাওঁতে বাটতে বালীক বধ কৰি বান্দৰ সৈন্য সংগ্ৰহ কৰে। লংকালৈ পাৰ হ'বলৈ সাগৰ পাৰ হ'ব লাগে, আজিৰ দৰে দলং নাও বা জাহাজ নাছিল। সেয়ে শ্ৰীৰামচন্দ্ৰই দৈৱ বলত পানীত শিল ডুব নোযোৱাকৈ ৰাখি শিলৰ সাঁকো বা সেতু বান্ধিলে, যাক আজিও দক্ষিণ ভাৰতৰ সাগৰত 'ৰামেশ্বৰ সেতু' নামে জনা যায়।

ৰাৱণৰ ৰাজ্যত বান্দৰ সেনা লৈ উপস্থিত হৈ ৰাৱণৰ অনেক বীৰক বধ কৰি সীতাক উদ্ধাৰ কৰিলে। অযোধ্যালৈ অহাৰ দিনা অযোধ্যাৰ প্ৰজাই কলপুলি ৰুই বন্তি জ্বলাই দীপান্বিতা পাতিছিল। যাক আজিও আমি পালন কৰি আছোহঁক।



শ্ৰীৰাম চন্দ্ৰ প্ৰজাৰঞ্জক ৰজা আছিল। বিশ্বত ৰাজ্য শাসনৰ প্ৰক্ৰিয়াৰ ই এক শুভ লগ্ন। তথাপিও একাংশ প্ৰজা বিতুষ্ট হোৱাৰ উমান পাই সীতাক বনবাস দি প্ৰজাক সন্তুষ্ট কৰিলে। ৰাজ্যত সকলো প্ৰজাই সুখ- শান্তিৰে সানন্দে বাস কৰিছিল। সেয়ে আজিও 'ৰামৰাজ্য'ৰ আশা কৰে।

তৃতীয়জন ৰাম দ্বাপৰ যুগৰ। শ্ৰীকৃষ্ণৰ ককায়েক 'বলোৰাম' তেৱেঁই হলিৰাম হলধৰ। কীৰ্তনত লিখিছে—

'ৰোহিণীত ভৈলা হলীৰাম
অৱতাৰ'

গোকুলৰ ৰজা নন্দৰ পত্নী ৰোহিণীৰ গৰ্ভত শ্ৰীকৃষ্ণৰ জন্মৰ আগতে বলোৰামৰ জন্ম হৈছিল। ইয়াৰ এটা উৎস এনেদৰে জনা যায়। শ্ৰীৰাম চন্দ্ৰৰ ভ্ৰাতৃ লক্ষ্মণ তেওঁৰ লগত ছাঁৰ দৰে আছিল, কিন্তু কোনো সিদ্ধান্ত ল'বলৈ ৰামে দিয়া নাছিল। সেয়ে এই জন্মত লক্ষ্মণ জ্যেষ্ঠ হৈ জন্ম ল'বলৈ প্ৰয়াস কৰিলে। সেইমতে ভগৱানৰ জন্ম পৰিক্ৰমাই গতি এনেদৰে প্ৰকট কৰিলে। তথাপিও কৃষ্ণৰ অকাট্য যুক্তিৰ আগত বলোৰাম থমকিব লগা হ'ল। বলোৰাম হলধৰ বা হলিৰামৰ প্ৰধান মাত্ৰ আছিল এখন নাঙল। তাৰেই যুঁজ-বাগৰ কৰে যি দৃশ্য 'মহাভাৰত' আৰু শ্ৰীকৃষ্ণ চিৰিয়েলত দৃশ্যমান হৈছিল। ইয়াৰ উপৰি তেতিয়া গ্ৰাম্যজীৱন কৃষিকৰ্মৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি ঠাৱৰ কৰিব পাৰি।

বলোৰাম গদা যুদ্ধত পাকৈত আছিল সেয়ে কৌৰৱ শ্ৰেষ্ঠ দুৰ্যোধনে তেওঁৰ ওচৰত গদাযুদ্ধৰ নিন্দা গ্ৰহণ কৰিছিল। অৱশ্যে দুৰ্যোধনৰ উৰু ভংগৰ কালত বলোৰাম অনুপস্থিত আছিল। তীৰ্থৰ পৰা ঘূৰি আহি উৰুত অস্ত্ৰপহাৰ কৰাত শ্ৰীকৃষ্ণৰ লগত বাকযুদ্ধ হৈছিল যদিও কৃষ্ণৰ যুক্তি আৰু বুজনিত সৈমান হৈছিল।

উপৰিউক্ত তিনিজন ৰামৰ জীৱন পৰিক্ৰমা, কৰ্মৰাজিৰ মাধ্যমত বুজিব পাৰি তিনিটা কালৰ জীৱন চৰ্যা, বেশভূষা কৰ্মস্থলী ইত্যাদি। যাৰ প্ৰভাৱত মানৱৰ অৰণ্যবাসৰ পৰা সমাজ ব্যৱস্থা, শাসন ব্যৱস্থা, সত্যনিষ্ঠা সমন্বিতে বৰ্তমান সময়ৰ জীৱন নিৰ্বাহৰ গতিশীলতাৰ জ্ঞান ধাৰণাৰ সম্যক আভাস পোৱা যায়। শিশুসকলে মূলগ্ৰন্থ পঢ়ি বিস্তৃত জ্ঞান লাভ কৰিব সেই আশা ৰাখিলো।

# শিশু সাহিত্যিক হিচাপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা এক চমু অৱলোকন

## মৌমিতা ৰয়

**১৯০৩** ত তামোলবাৰী চাহ বাগিচাত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমীয়া সংগীত জগতৰ ভেটি স্থাপন কৰোঁতা যুগন্ধৰ পুৰুষ পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ পুত্ৰ। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল একেধাৰে কবি, ঔপন্যাসিক, নাট্যকাৰ, গল্পকাৰ, পৰিচালক, গীতিকাৰ, সুৰকাৰ তথা জীৱনীকাৰ। তেওঁ আছিল অসমীয়া সমাজ- সংস্কৃতিৰ অন্যতম সাধক। ইয়াৰ উপৰি তেওঁ এগৰাকী শিশু সাহিত্যিকো আছিল। সংখ্যাত কম হ'লেও সেই তাহানিতেই যে তেওঁ শিশুসকলৰ উপযোগিতাৰ কথা উপলব্ধি কৰি শিশু সাহিত্যসমূহ ৰচনা কৰিছিল সেয়া সঁচাকৈয়ে শলাগিবলগীয়া । এতিয়ালৈ শিশুৰ উপযোগীকৈ ৰচনা কৰা কবিতাসমূহৰ ভিতৰত বাৰটা কবিতা উপলব্ধ । সংখ্যাত



তাকৰ হ'লেও এই কবিতা কেইটাৰ মাজেৰেই তেওঁৰ শিশু মনস্তত্ত্বৰ আভাস সুন্দৰকৈ প্ৰকাশি উঠিছে সেয়া তেওঁৰ কবিতা পঢ়া প্ৰত্যেকজন পঢুৱৈ নিশ্চয়কৈ উপলব্ধি কৰিব পাৰিছে।

দেখা যায় যে শিশুৰ কল্পনাপ্ৰৱণ মনক ৰহস্যময় কৰি তুলিবৰ বাবে আগৰৱালাদেৱে বহুকেইটা কবিতাত 'সপোন'ৰ সহায় লৈছে। এনে কবিতাসমূহ হৈছে- 'অকমানিৰ সপোন', 'কুম্পুৰ সপোন', 'ভূতপোৱালি', 'ফুলকুঁৱৰী' আদি কবিতাসমূহ। এই কবিতাসমূহে শিশুৰ কাল্পনিক জগতখনক চমকিত কৰি তুলিবলৈ সক্ষম হয়। হাস্যৰসৰ সংযোজনো তেওঁৰ কবিতাত নথকা নহয়। মনোৰঞ্জন ধৰ্মিতা শিশু সাহিত্যৰ অন্যতম দিশ। সেয়ে আগৰৱালাদেৱে তেওঁৰ কবিতা হাস্যৰসৰ সংযোগেৰে শিশু কবিতাসমূহ আকৰ্ষণীয় কৰি তুলিবলৈ প্ৰয়াস কৰিছিল আৰু এই ক্ষেত্ৰত তেওঁ সফলো হৈছিল বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব। 'অকণমানি ছোৱালী' কবিতাটোত ডাক্তৰৰ প্ৰতি শিশুৰ যি স্বাভাৱিক ভয় সেয়া কবিয়ে হাস্যৰস আৰু চিত্ৰধৰ্মিতাৰ সহায়ত সহজভাৱে সৃষ্টি কৰিছে--

'ডাক্তৰ ডাল
কিয় জানো ঘনে ঘনে
আমাৰ ঘৰলে আহে
দুষ্ট পেটাল।
তাক দেখিলেই মোৰ
চুলি আগে জীৰ যায়
দেৱাই দেৱাই তাৰ
গাটো গোন্ধায়'

ওপৰৰ কবিতাংশত এফালে শিশুক হাস্যৰসে আমোদ-প্ৰমোদ যোগান ধৰে আনহাতে চিত্ৰধৰ্মিতাই শিশুক অধিক আকৰ্ষিত কৰি তোলে। তেওঁৰ কবিতাত নিভাঁজ অসমীয়া ভাষাৰ শব্দৰ প্ৰয়োগ ছন্দৰ মিলে কবিতাসমূহ অধিক আকৰ্ষণীয় কৰি তুলিছে। উদাহৰণস্বৰূপে 'ভূত-পোৱালি' কবিতালৈ আঙুলিয়াব পাৰি-


ক্ৰমশঃ

# হনুমানৰ শৰীৰত সেন্দূৰ

**শ্ৰীৰামচন্দ্ৰ** লংকাৰ পৰা উভতি আহি অযোধ্যাৰ ৰজা হৈ থকা সময়ৰ কথা। এদিন সীতাই নিজৰ শিৰত সেন্দূৰ লগাই আছিল। সেই সময়তে প্ৰভুভক্ত হনুমান আহি উপস্থিত হ'ল। হনুমানে সীতাক শিৰত সেন্দূৰ লগাই থকা দেখি সুধিলে, 'মা, আপোনাক মই সদায় এইদৰে শিৰত সেন্দূৰ লগাই থকা দেখা পাওঁ। এইদৰে সেন্দূৰ লগালে কি হয়?'

সীতাই উত্তৰ দিলে, 'হনুমান, মই মোৰ স্বামী শ্ৰীৰামৰ নামত সেন্দূৰ শিৰত লগাওঁ, যাতে তেওঁৰ আয়ুস বাঢ়ি যায়।' সীতাৰ কথা শুনি হনুমানে কিছু সময় চিন্তা কৰিলে। তাৰ পাছত সেন্দূৰৰ থালখন দাঙি লৈ গোটেইখিনি সেন্দূৰ নিজৰ গাত ঢালি দিলে। হনুমানৰ সমগ্ৰ শৰীৰ ৰঙা হৈ পৰিল। হনুমানৰ কাণ্ড দেখি সীতাই হাঁহিত থাকিব নোৱাৰা হ'ল। তেওঁ সুধিলে, 'হনুমান, কি কাৰণে তুমি সেন্দূৰখিনি গাত সানি ল'লা?'

হনুমানে বিনম্ৰভাৱে উত্তৰ দিলে, 'মা, মই প্ৰভু শ্ৰীৰামৰ নামত সেন্দূৰখিনি সমগ্ৰ গাত সানি ল'লো, যাতে তেওঁৰ অসীম কৃপা সদায় মোৰ ওপৰত থাকে আৰু মোৰ



প্ৰভু, মোৰ আৰাধ্য দেৱতাৰ আয়ুস ইমান দীঘলীয়া হওক যাতে মোৰ সমগ্ৰ জীৱনটো তেওঁৰ সেৱাতে অতিবাহিত হয়।' হনুমানৰ প্ৰভুভক্তি দেখি সীতা দেৱীৰ হৃদয় আহ্লাদিত হৈ পৰিল।



*সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ৰুক্মিণীগাঁও।*

# মুনুমণিৰ পণ

## দিগন্ত বৈশ্য

(১)
চাওঁতে চাওঁতে মুনুমণিৰ
গ্ৰীষ্ম বন্ধ আহিল,
তাকে জানি মুনুমণিৰ নথে
ৰং লাগিল।

(২)
নতুন বছৰ বুলি শিশুসকলে
পিকনিকলৈ যাব,
নানা ঠাই ঘূৰি-ফুৰি
আনন্দ কৰিব।

(৩)
মুনুমণিৰ সেইবোৰলৈ পিছে
নাই মন-কাণ,
পঢ়া-শুনা ভালকৈ কৰিলেহে
পাব পাৰি সুনাম।

(৪)
গ্ৰীষ্ম বন্ধ বুলি সি
নানা কথা ভাবিলে,
অধ্যয়ন বেছি কৰিম বুলি
মনতে পণ ল'লে।

(৫)
মিছা কথা নকয় সি
ল'লে ভাবি-গুণি,
মিছা কথাবোৰে যে
কৰে নানা ক্ষতি।

(৬)
ম'বাইল চাই আহাৰ খোৱাৰ
অভ্যাস যি আছে,
মুনুমণিয়ে সেয়া এৰাৰ
পণ ল'লে পিছে।

(৭)
সময় হেনো সদা শ্ৰেষ্ঠ
মুনুমণিয়ে কয়,
সময়ৰ সৎ ব্যৱহাৰ কৰিলে
জীৱন ৰঙীন হয়।

(৮)
পৰোপকাৰ কৰাৰ পণ
মুনুমণিয়ে ল'লে,
পৰোপকাৰ কৰিলে হেনো
জীৱন যায় ভালে।

(৯)
পিতৃ-মাতৃৰ কথা সি
সদায়েই শুনিব,
তেতিয়াহে পিতৃ-মাতৃৰ সদা
সদা মৰম পাব।

(১০)
গণিত তাৰ টান বিষয়
সকলোৱে জানে,
গ্ৰীষ্ম বন্ধ কাল ছোৱাত
শিকি ল'ব ভালদৰে।

(১১)
গ্ৰীষ্ম বন্ধ বুলি মুনুমণিৰ
উৎসাহ জাগিলে,
উৎসাহেৰে জীৱন গঢ়াৰ
সপোন ৰচিলে।

# দ্য বাইচাইকেল স্পাই

## মূল ঃ য়না জেলদিছ মেকড'না
## অনুবাদ ঃ মাহিৰ আল কিবৰিয়া

যোৱা সংখ্যাৰ পাছৰ পৰা

এইসকলোবোৰৰ মাজত এটা কথা অলপ আচহুৱা আৰু সেয়া হৈছে সৈন্যৰ চালচলন।

যেতিয়া জাৰ্মানবোৰে ফ্ৰান্সক আক্ৰমণ কৰি আগুৱাই আহিছিল, সিহঁতে দলে-বলে পেৰিচ আৰু উত্তৰ ফালৰ চহৰবোৰত সোমাই পৰিছিল। মাৰ্চেলে সেই ঘটনাৰ কথা বাতৰি কাকতৰ হেডলাইনত পঢ়িছিল আৰু দেউতাকে ৰূমটোত থোৱা ৰেডিঅ'ত শুনিছিল। অকেইন কিন্তু 'ফ্ৰী জ'নত' তাত জাৰ্মানবোৰে বাস কৰা নাই আৰু বিশেষ সৈনিকো দেখা পোৱা নাযায়।

কিন্তু যোৱা দুসপ্তাহত সকলো পৰিৱৰ্তন হ'ল। নৱেম্বৰৰ ১১ তাৰিখে জাৰ্মানবোৰে 'ফ্ৰী জ'ন'তো প্ৰৱেশ কৰিলে আৰু এতিয়া ফ্ৰান্স আৰু জাৰ্মানীৰ সৈন্য দেখা পোৱা যায়, কেতিয়াবা টাউন স্কোৱেৰত নহ'লে বজাৰ-হাটত। সি বেছিকৈ জেনডাৰ্ম (পুলিচ)ত নগৰত দেখিবলৈ ধৰিছে। ফৰাচী সৈনিকবোৰে সেউজীয়া ৰঙৰ জেকেট আৰু হেলমেট্ পিন্ধে। অন্য এটা পৰিৱেশ হ'লে মাৰ্চেলে সিহঁতক প্ৰশংসা কৰিলেহেঁতেন; কিন্তু বৰ্তমান জাৰ্মান আৰু জেনডাৰ্মৰ উপস্থিতিয়ে তাৰ সৰু নগৰখন অচিনাকি আৰু ভয়ানক কৰি তুলিছে। এইদৰে বহুত মানুহে ভাবিছিল আৰু মনে মনে কাণত নপৰাকৈ সৈনিকবোৰক গালি পাৰিছিল। মানুহে কৈছিল যে সিহঁত জাৰ্মানবোৰৰ লগত হাতে-কামে জড়িত হৈ লৈছে আৰু সিহঁতক 'কলাবাচ' বুলি মতা হয়, যিটো 'কলাবৰেটৰ' শব্দৰ সংক্ষিপ্ত ৰূপ। যি নামেৰেই মতা নহওক, মাৰ্চেলে সিহঁতক ভয় আৰু সন্দেহ কৰিছিল। সি আশা কৰিছিল সিহঁত যাতে তাৰ পৰা আঁতৰি যাওক।

সি বেকাৰীখন পোৱাত ৰ'ল। তাৰ মাক বাহিৰতে আছিল, তন্ন তন্নকৈ ৰাস্তাটো তাৰ বাবে চাই আছিল। 'তই পাউৰুটিতো দিলিনে?'

'হয় দিলো। মেডাম টাৰ্টিয়াৰে তোমাক ধন্যবাদ জনাবলৈ কৈছে।'

তেতিয়াহে তেওঁ যেন সাৰ পালে আৰু ক'লে, 'ভাল; তেওঁক দি অহাৰ বাবে ধন্যবাদ।'

'মই আৰু অলপ দেৰি চাইকেল চলাম।' সি ক'লে। মাকে মূৰ দুপিয়াই বেকাৰীলৈ সোমাই গ'ল। আগতকৈ আজিকালি তেওঁ অলপ বেছি উদ্বিগ্ন হৈ থাকে। মাৰ্চেলে কথাটো ধৰিব নোৱাৰে আৰু তাৰ অদ্ভুত যেন লাগে।

চাইকেলখন ঠেকেচা খাই থাকিল যেতিয়ালৈ শিলৰ ৰাস্তাটোৰ শেষ পালে; এতিয়াহে সি নিজৰ চাইকেলৰ গতি বঢ়াব পাৰিলে। অনতিবিলম্বে সি নগৰৰ বাহিৰ পালেহি, জোৰে জোৰে পেডেল মাৰি গৈ থাকিল। ঘৰবোৰ বেগেৰে পাৰ হৈ গ'ল আৰু গছবোৰ তাৰ




মূৰৰ ওপৰত শালি আছিল। সিহঁতৰ দীঘল ডালবোৰত দুই-এটা শুকান পাতহে আছিল। কি হ'ব যদি সি এদিন সঁচাকৈ ট্যুৰ-ডি ফ্ৰান্সলৈ যাবলৈ পায়? সি তেতিয়া এনে গতিৰেই যাব। সি চলাই চলাই ৰঙা চিলিঙৰ ঘৰবোৰ পাৰ কৰি এতিয়া ঘাঁহনি পথাৰবোৰত থকা ঘোঁৰা, গৰু, ভেড়া আদি চাই চাই গৈ আছে। মুহূৰ্তৰ বাবে সি ভাবিলে, জন্তু নহয় এজাক অভিভূত দৰ্শকে তাক চাই আছে য'ত সি জিকিবলৈ গৈ আছে।

সি ৰৈ দিলে কাৰণ ৰাজহাঁহৰ জাক এটা ৰাস্তা পাৰ হৈ আছিল। সিহঁতৰ চিঞৰবোৰ তাৰ কাণত বাজি থাকিল, যেতিয়ালৈ সেইখিনি সি পাৰ কৰি আহিল। এইখিনিৰ বাবে তাৰ ট্যুৰ-ডি-ফ্ৰান্সৰ সপোন বন্ধ হ'ল, এতিয়াৰ কাৰণে। অলপ পৰৰ পাছত তাৰ গৰম আৰু ভাগৰ লাগিল, সেইবাবে সি চাইকেলখন ৰখালে আৰু জঁপিয়াই শুকান ঘাঁহনিৰ ওপৰত শুই পৰিল। অলপ সময় ইয়াতে আৰাম কৰি সি ঘৰলৈ ওভতিব।

মাৰ্চেল তাৰ বয়স অনুসৰি সৰু আছিল আৰু সি উত্তম চাইকেল চালকো নাছিল আৰু সি চশ্মা পিন্ধে। সি নিজৰ শ্ৰেণীত সকলোতকৈ সৰু হোৱাত বেয়া পাইছিল, তাক সকলোৱে জোকায় আৰু মাৰ-ধৰ কৰে।

সি তাৰ ওখ হোৱা বা চশমা পিন্ধা অৱস্থাটোক লৈ একো কৰিব নোৱাৰে। সেইবোৰ তাৰ হাতৰ বাহিৰত; কিন্তু সি শক্তিশালী আৰু বেগবান হ'ব পাৰিব। সি পাৰিব, সেই কাৰণে সি ব্ৰত লৈছে যে সি সদায় চাইকেল চলাব যাতে নিজৰ গতি, সহিষ্ণুতা আৰু তাৰ শক্তি সকলো গঢ়ি তুলিব পাৰে।

তেতিয়াহে বেলেগ ল'ৰা-ছোৱালীবোৰে তাক ইতিকিং কৰাৰ আগে দুবাৰ চিন্তা কৰিব।

আৰু সেয়াই ট্যুৰ-ডি-ফ্ৰান্সৰ চালকসকলে কৰিছিল। মাৰ্চেলে সকলোৱে বিষয়ে পঢ়ি থৈছিল। শেষবাৰত গোটেই প্ৰতিযোগিতাৰ দৈৰ্ঘ্য আছিল ৪,২২৮ কিলোমিটাৰ। নিশ্চয় গোটেই প্ৰতিযোগিতাখনক নিৰ্দিষ্ট কিল'মিটাৰত ভাগ কৰি থোৱা আছিল। প্ৰতিযোগিতাৰ মুঠ ভাগ ১৮টা আছিল। মাৰ্চেলে ক'ৰবাত পঢ়িছিল যে প্ৰতিযোগীসকলে বিশেষ ৰণকৌশল প্ৰস্তুত কৰিছিল যেনে খোৱা-বোৱা আৰু ভিটামিন লোৱাৰ যাতে সিহঁতৰ চাইকেল চালনা ভালকৈ কৰিব পাৰে।

মাৰ্চেলে নিজৰ বটলটোৰ পৰা অলপ পানী খালে আৰু চাইকেলত উঠিল। তেতিয়াও তাৰ মনটো বেয়া। তিনি বছৰ প্ৰতিযোগিতাখন নহয়, চাবলৈ নাপায়। এইটো বহুত কাৰণৰ ভিতৰত এটা কাৰণ, জাৰ্মানবোৰক বেয়া পোৱাৰ। তাৰ মাক-দেউতাকেও এই বেয়া পোৱাটোত মত মিলাইছিল। এই আগ্ৰাসনক সকলোৱে ঘৃণা কৰিছিল, কাৰণ এই বাবেই ইয়াত সৈন্য উপস্থিত হৈছিল। লগতে ৰচদ, গেছ, খোৱা-বোৱাৰ নাটনি হৈ পৰিছিল। তাৰ মাক-দেউতাকে বিশেষভাৱে জাৰ্মানসকলৰ নায়ক এডলফ হিটলাৰক ঘৃণা কৰিছিল কাৰণ তেওঁ আছিল সীমালংঘন আৰু যুদ্ধৰ মূল; কিন্তু সিহঁতে কি কৰিব পাৰে? বিশেষ একো নোৱাৰে।

*ক্ৰমশঃ*

*(অনুবাদক গুৱাহাটীৰ শ্ৰীমন্ত শংকৰ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ)*

# সুবৰ্ণময় শৈশৱৰ হিৰন্ময় বৈভৱ

## ড° নমিতা ডেকা

**আজি** ক'বলৈ ওলাইছো এগৰাকী ভাৰতীয় ইংৰাজী ঔপন্যাসিকৰ শৈশৱৰ কথা। লগতে তেওঁৰ পৰৱৰ্তী জীৱনৰ বৈভৱৰ কিছু কথাও উল্লেখ কৰা হ'ব। কোন জানানে তেওঁ? তেওঁ হৈছে ভাৰতীয় ইংৰাজী ঔপন্যাসিক অনিতা দেশাই। অনিতা দেশাইৰ জন্ম হয় ১৯৩৭ৰ ২৮ জুনত মুচুৰিত। তেওঁৰ পিতৃ আছিল বঙালী সম্প্ৰদায়ৰ আৰু মাতৃ আছিল জাৰ্মান সম্প্ৰদায়ৰ? অনিতা দেশাই আছিল তেওঁলোকৰ গৌৰৱমণ্ডিত সন্তান। সৰুৰে পৰা তেওঁ জাৰ্মান, বাংলা আৰু হিন্দী ভাষা সলসলীয়াকৈ ক'ব পাৰিছিল। জানা শিশুহঁত। ভাষা যিমানেই জনা যায়, সিমানেই সাহসো বাঢ়ি যায়। অসমৰ বাহিৰত এখোজ আগবঢ়াওঁতেই ভাষা জনাৰ প্ৰয়োজনীয়তা আহি পৰে। শিখ প্ৰবাদ মতে—'এটা নতুন ভাষা শিকা, এটা নতুন আত্মা বিচাৰি পোৱাৰ দৰে'। ভাষা হৈছে সাধনাৰ বিষয়। তৰুণৰাম ফুকনে কৈছিল— 'নিজৰ ভাষাক চহৰী কৰিলেই নহয়, তোমাৰ ভাব পৰক জনাবলৈ হ'লে তেওঁকো মই চহকী ভাষা শিকাব লাগিব। ভাবৰ আদান-প্ৰদানৰ লগে লগে ভাষাৰো আদান-প্ৰদান কৰিব লাগিব।' আজি-কালি বেলেগ বেলেগ ভাষা শিক্ষাৰ যথেষ্ট সুবিধা আছে। তোমালোকেও মাতৃভাষাৰ লগে লগে বেলেগ বেলেগ ভাষাও শিকিবলৈ যত্ন কৰিবা।

অনিতা দেশায়ে ইংৰাজী ভাষাকেহে তেওঁৰ ৰচনাৰ ভাষা হিচাপে গ্ৰহণ কৰিছিল। মাত্ৰ সাত বছৰ বয়সত তেওঁৰ মনটো সাহিত্য-সৃষ্টিৰ প্ৰতি আকৃষ্ট হয়। সেই সময়ত কিছুমান সৰু সৰু কাহিনী তেওঁ আলোচনীৰ পাতত লিখিছিল। এই কাহিনীবোৰ আছিল তেওঁৰ শিশু মনটোত উদ্ভৱ হোৱা কিছুমান কল্পনাৰ সুন্দৰ প্ৰকাশ। শিশুমন সদায় কল্পনা প্ৰিয়। অনিতা দেশাইৰ শিশু মনটোৱেও কল্পনাৰ ৰাজ্যত বিচৰণ কৰি কাহিনীবোৰ বুটলি আনিছিল আৰু গদ্যৰ আকাৰত সেইবোৰ আলোচনীৰ পাতত প্ৰকাশ কৰিছিল। সেই সাত বছৰ বয়সতে তেওঁ যি সৃষ্টিৰ আনন্দ অনুভৱ কৰিছিল, সেয়া পৰৱৰ্তী জীৱনত মুঠতে সমগ্ৰ



জীৱন জুৰি জীপাল হৈ আছিল। সাধাৰণতে দেখা যায় যে সাহিত্যিকসকলৰ বেছিভাগৰে সৃষ্টিৰ পাতনি ঘটে পদ্য অথবা কবিতাৰ জৰিয়তে। এই ক্ষেত্ৰত অনিতা দেশাই ব্যতিক্ৰম আছিল। এই শিশুটোৱে আত্মপ্ৰকাশ কৰিছিল গদ্যৰ মাজেদি।

অনিতা দেশাই এটা সুখী পৰিয়ালৰ সুখী সন্তান আছিল। পিতৃ-গৃহৰ সুখ-স্বাচ্ছন্দ্যৰ মাজত ডাঙৰ হৈ তেওঁ মিলা-প্ৰীতি আৰু সলিল-মিলৰ মাজেদি জীৱন নিৰ্বাহ কৰিবলৈ শিকিছিল শৈশৱ কালৰ পৰাই। সেয়ে হয়তো পাছলৈ তেওঁৰ সাংসাৰিক তথা সাহিত্যিক জীৱনতো সাফল্যৰ জয়ধ্বনি শুনিবলৈ পোৱা গৈছিল। শৈশৱ কালত তেওঁ পিতৃ-মাতৃ তথা ভ্ৰাতৃ-ভগ্নীৰ স'তে জাৰ্মান ভাষাত কথোপকথন কৰিছিল। অৱশ্যে ইংৰাজী ভাষাৰ প্ৰতি তেওঁৰ এক সুকীয়া আকৰ্ষণ আছিল। ইংৰাজী ভাষাৰ প্ৰতি থকা শৈশৱৰ সেই আকৰ্ষণৰ বাবেই পাছলৈ তেওঁ ইংৰাজী সাহিত্যত বি এ ডিগ্ৰী গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল দিল্লী বিশ্ববিদ্যালয়ৰ পৰা। অনিতা দেশাইৰ শিক্ষা জীৱনৰ আৰম্ভ হৈছিল দিল্লীৰ 'কুইন মেৰীজ স্কুল'ত। দিল্লীৰ উপৰি কলকাতা, মুম্বাই, পুনে, চণ্ডীগড় তেওঁৰ ভিন্ন সময়ৰ বাসস্থান আছিল। সেইবোৰ ঠাইৰ মহানাগৰিক জীৱনৰ অভিজ্ঞতাৰে তেওঁ পৰৱৰ্তী জীৱনত উপন্যাস ৰচনা কৰি যশস্যা, সন্মান বৈভৱেৰে নিজকে ধন্য কৰি তুলিছিল। শৈশৱৰ কল্পচিত্ৰৰে পৰিপূৰ্ণ কাহিনীবোৰে তেওঁক জীৱনত উপন্যাস ৰচনা কৰোতে কেনে ধৰণৰ কল্পনা গ্ৰহণ কৰিব সেই বিষয়ত যথেষ্ট সহায় কৰিছিল।

শৈশৱতে সৰু সৰু কল্প কাহিনী ৰচনা কৰা অনিতা দেশায়ে প্ৰায় ১২খন উপন্যাস, চুটিগল্প, শিশু-সাহিত্য ৰচনাৰে ভাৰতীয় সাহিত্যত এখন উচ্চ আসন অধিকাৰ কৰি আছে। তেওঁৰ সৃষ্টি কৰ্মৰ মাজত সংৰক্ষিত হৈ থকা অমূল্য প্ৰতিভাক জানিবলৈ ডাঙৰ হ'লে তোমালোকে অনিতা দেশাইৰ গ্ৰন্থ পঢ়িবলৈ নাপাহৰিবা।

*ফোন ঃ ৯৭০৬০১০০৯৭*

# ‘ফেব ফ’ৰ’ত ৰুটৰ ৰাজত্বত ম্লান হ’ল কোহলি-স্মিথ-উইলিয়ামছন



**নিউজ ব্যুৰ’**
**বাৰ্মিংহাম, ৫ জুলাই ঃ** বিশ্ব ক্ৰিকেটত বৰ্তমানৰ ‘ফেব ফ’ৰ’ৰ শ্ৰেষ্ঠত্বৰ দৌৰত বহুখিনি আগবাঢ়ি গ’ল ইংলণ্ডৰ বেটাৰ জো ৰুট। ভাৰতৰ বিৰাট কোহলি, অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথ আৰু নিউজিলেণ্ডৰ কেন উইলিয়ামছনৰ কৃতিত্ব ম্লান কৰি সম্প্ৰতি বিশেষভাৱে উজলি উঠিছে ইংলণ্ডৰ তাৰকা বেটাৰজন। আজি ভাৰতৰ বিপক্ষে ১৪৫ ৰাণৰ মেচ বিজয়ী ইনিংছটোৰে ৰুটে টেষ্টত শতৰাণৰ ক্ষেত্ৰত কোহলি আৰু স্মিথক অতিক্ৰম কৰে। আজি ৰুটে নিজৰ ২৮সংখ্যক টেষ্ট শতৰাণ অৰ্জন কৰে। কোহলি আৰু স্মিথৰ টেষ্ট শতকৰ সংখ্যা হৈছে ২৭টা। সেইদৰে উইলিয়ামছনৰ বেটৰ পৰা এই পৰ্যন্ত আহিছে ২৪টা শতৰাণ। লক্ষ্যণীয়ভাৱে চলিত বৰ্ষত ৰুটে এই পৰ্যন্ত পাঁচটা টেষ্ট শতৰাণ অৰ্জন কৰিছে। ইয়াৰ বিপৰীতে ‘ফেব ফ’ৰ’ আন তিনিজন তাৰকা বেটাৰে এই পৰ্যন্ত এখন টেষ্টতো শতৰাণ কৰিব পৰা নাই।

উল্লেখ্য যে ২০২১ৰ পহিলা জানুৱাৰীৰ পৰা ৰুটে টেষ্টত ১১টা শতৰাণ কৰিছে। কোহলিয়ে শেষ টেষ্ট শতৰাণ কৰিছিল ২০১৯ৰ ২২ নৱেম্বৰত। সেইদৰে স্মিথে ২০২১ৰ সাত জানুৱাৰীৰ পাছৰ পৰা টেষ্টত শতৰাণ কৰিব পৰা নাই। আনহাতে, ২০২১ক তিনি জানুৱাৰীত পাকিস্তানৰ বিপক্ষে ২৩৮ ৰাণৰ এটা ইনিংছ খেলাৰ পাছত উইলিয়ামছনেও টেষ্টত শতৰাণ কৰিব পৰা নাই।

## তিনি দিন চালকৰ আসনত থাকিও পৰাজিত বুমৰাহ বাহিনী ঃ শৃংখলা ড্ৰ

# ভাৰতৰ পৰা জয় কাঢ়িলে ৰুট-জনীয়ে

**নিউজ ব্যুৰ’**
**বাৰ্মিংহাম, ৫ জুলাই ঃ** জো ৰুট আৰু জনী বেয়াৰষ্ট’ৰ অসাধাৰণ বেটিঙৰ সহায়েৰে শৃংখলাৰ নিৰ্ণায়ক টেষ্টত ভাৰতৰ পৰা জয় কাঢ়ি নিলে ইংলণ্ডে। তিনিটা দি চালকৰ আসনত থকা সত্ত্বেও যশপ্ৰীত বুমৰাহ নেতৃত্বাধীন ভাৰতে আজি পৰাজয়ৰ স্বাদ ল’বলগীয়া হয়। পঞ্চম দিনাৰ ভোজন বিৰতিৰ পূৰ্বেই ইংলণ্ডে টেষ্টখনত সাত উইকেটৰ বিজয় সাব্যস্ত কৰে। ফলত প্ৰায় দুবছৰ ধৰি চলা পাঁচখনীয়া টেষ্টৰ শৃংখলাটো অৱশেষত ২-২ ব্যৱধানত ড্ৰ ৰূপে সমাপ্ত হ’ল। উল্লেখ্য যে যোৱা বছৰৰ আৰম্ভণিতে অনুষ্ঠিত শৃংখলাটোৰ পঞ্চম টেষ্ট ক’ভিডৰ বাবে স্থগিত ৰখা হৈছিল। সেই সময়ত ভাৰতীয় দলে ২-১ত অগ্ৰগতি অৰ্জন কৰি আছিল।

৩৭৮ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে কালিয়ে তিনি উইকেটত ২৫৯ ৰাণ সংগ্ৰহ কৰি জয় প্ৰায় নিশ্চিত কৰিছিল। আজি পঞ্চম দিনাৰ খেলত জয়ৰ বাবে জঁপিওৱাৰ বাবে ভাৰতীয় বলাৰৰ দুৰ্দান্ত প্ৰদৰ্শনৰ প্ৰয়োজন আছিল। যদিও কালিৰ অপৰাজিত বেটাৰদ্বয় ৰুট আৰু বেয়াৰষ্ট’ৰে ভাৰতৰ বলাৰক সেই সুযোগ নিদিলে আৰু অনায়াসে আজি প্ৰয়োজন হোৱা ১১৯ ৰাণ সংগ্ৰহ কৰে। চতুৰ্থ উইকেটৰ অবিজিত যুটিত ২৬৯ ৰাণ যোগ দিয়া ৰুট আৰু বেয়াৰষ্ট’ উভয়েই শতৰাণ অৰ্জন কৰে। ৰুটে ১৭৩টা বলত ১৯টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায়ত ১৪২ ৰাণ কৰি অপৰাজিত হৈ ৰয়। আনজন অপৰাজিত বেটাৰ বেয়াৰষ্ট’ৰে ১৪৫টা বলত ১৫টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায়ত ১১৪ ৰাণৰ বৰঙণি যোগায়। টেষ্টৰ উভয় ইনিংছতে শতৰাণ কৰা বেয়াৰষ্ট’ৰে ‘মেন অৱ দ্য মেচ’ৰ সন্মান অৰ্জন কৰে। সেইদৰে ৰুট আৰু ভাৰতীয় অধিনায়ক বুমৰাহে যৌথভাৱে ‘মেন অৱ দ্য ছিৰিজ’ৰ সন্মান অৰ্জন কৰে।




*ভাৰতৰ পৰাজয়ত হতাশ অধিনায়ক যশপ্ৰীত বুমৰাহ।*



## অসম ইউথ অলিম্পিকলৈ শোণিতপুৰৰ টাইকোৱান-ড’ খেলুৱৈ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ৫ জুলাই ঃ** ৰাজ্য চৰকাৰৰ উদ্যোগত অহা ২৩ জুলাইৰ পৰা ২৯ জুলাইলৈ অনুষ্ঠিত হ’বলগীয়া অসম যুৱ অলিম্পিকত অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে বালিপৰা টাইকোৱান-ড’ একাডেমীৰ শিক্ষাৰ্থী কৰণ ভূমিজে। মোলানপুখুৰী নিবাসী হৰেণ ভূমিজ আৰু সবিতা ভূমিজৰ পুত্ৰ কৰণে টাইকোৱান-ড’ৰ ল’ৰাৰ ৭৮ কিলোগ্ৰামৰৰ অনূৰ্ধ্বৰ শাখাত অংশ ল’ব। উল্লেখ্য যে কৰণৰ উপৰি শোণিতপুৰৰ পৰা এই ক্ৰীড়াসূচীত আৰু কে’বাগৰাকী খেলুৱৈয়ে অংশ ল’ব। অসম অলিম্পিক সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অসম টাইকোৱান-ড’ সন্থাৰ অন্তৰ্গত সদৌ শোণিতপুৰ টাইকোৱান-ড’ সন্থাৰ দ্বাৰা প্ৰশিক্ষণ লৈ থকা কৃষ্ণাক্ষী ভৰদ্বাজ, তৰংগিণী শইকীয়া, মুৰ্চনা বৰুৱা, আছিয়া ছুলতানা আৰু নীলাভ বৰুৱাই ভিন্ন শাখাত অংশ ল’ব। উল্লেখ্য যে হৰেণ ভূমিজ, দীপজ্যোতি শইকীয়া, অপূৰ্ব সেন ডেকা, বিশ্বনাথ দাস আৰু মুনিন দাসৰ দ্বাৰা বালিপৰা টাইকোৱান-ড’ একাডেমী পৰিচালিত হৈ আছে।



## মৰাণ টাউন ক্লাব বিজয়ী

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৫ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণ্টু শৰ্মা ‘এ’ ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত মৰাণ টাউন ক্লাবে মৰাণ ফুটবল একাডেমীক ২-০ গ’লৰ ব্যৱধানত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। টাউন ক্লাবৰ হৈ প্ৰথমাৰ্ধ্বৰ ১৭ মিনিটত কেশৱ দাস আৰু দ্বিতীয়াৰ্ধ্বৰ ১২ মিনিটত গ’ল দুটা দিয়ে। বিধিনিষিদ্ধভাৱে খেলৰ বাবে মৰাণ ফুটবল একাডেমীৰ তাপস নন্দন শইকীয়া, অক্ষয় চুতীয়া আৰু হেৰুজ সোণোৱালক ৰেফাৰীয়ে হালধীয়া কাৰ্ড দেখুৱায়। খেলখন পৰিচালনা কৰে পৰিমল বৰগোহাঁই, ভাস্কৰজ্যোতি গগৈ, অপূৰ্ব চেতিয়া আৰু সুনীল গগৈয়ে।

## গুৱাহাটীত অইল-আইটা ছুপাৰ ছিৰিজ টেনিছ

# অসমৰ সাত খেলুৱৈ কোৱাৰ্টাৰত

**গুৱাহাটী, ৫ জুলাই ঃ** মহানগৰীৰ চচলত অসম টেনিছ সন্থাৰ উদ্যোগত চলি থকা অইল-আইটা ছুপাৰ ছিৰিজ টেনিছত অসমৰ সাত খেলুৱৈয়ে ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছোৱালীৰ ১৬ বছৰ অনূৰ্ধ্বত বিষ্ণুপ্ৰিয়া বৰগোহাঁই, নাবিহা মৰিয়ম, নম্ৰতা দাস আৰু তানিয়া কুমাৰীয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সেইদৰে ল’ৰাৰ ১৬ বছৰ অনূৰ্ধ্বত কোৱাৰ্টাৰ ফাইনেলত উপনীত হোৱা অসমৰ খেলুৱৈ তিনিজন হৈছে ৰিয়ান কাশ্যপ, মনন নাথ আৰু পাৰ্থিৱ কলিতা।

আজি ছোৱালীৰ ১৬ বছৰ অনূৰ্ধ্বৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বিষ্ণুপ্ৰিয়াই অসমৰে নিকিতা কান্দক ৬-২, ৬-৩ ছেটত পৰাজিত কৰে। সেইদৰে নম্ৰতাই অসমৰে আড্ৰিকা ৰাজকুমাৰীক ৭-৫, ৬-২, নাবিহাই অসমৰে ৰোছনি ভৰদ্বাজক ৬-৪, ৬-২ আৰু তানিয়াই অসমৰে অৰ্ণৱি দেৱনাথক ৬-৩, ৬-২ ছেটত পৰাজিত কৰে। উক্ত শাখাত আজি অসমৰ নিষ্ঠা পি বেজবৰুৱা পশ্চিমবংগৰ প্ৰতিদ্বন্দ্বীৰ বিপক্ষে পৰাজিত হয়।

ইফালে, ল’ৰাৰ ১৬ বছৰ অনূৰ্ধ্বৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰিয়ানে সপ্তম বাছনিপ্ৰাপ্ত কৰ্ণাটকৰ লেথাইছ ক’ম্বিলাক ৬-৩, ৩-৬, ৬-১, মননে টেলেংগনাৰ ৰাহুল লোকেশক ৬-২, ৬-১ আৰু পাৰ্থিৱে তৃতীয় বাছনিপ্ৰাপ্ত মহাৰাষ্ট্ৰৰ বেদান্ত ভাছিনক ৬-৩, ৬-০ ছেটত পৰাজিত কৰে। অৱশ্যে অসমৰ ৰিত্বিক ৰাউট, জ্যোতিস্মান বড়ো আৰু ৰৌণক কাশ্যপ ভিন ৰাজ্যৰ প্ৰতিদ্বন্দ্বীৰ বিপক্ষে পৰাজিত হয়। ইয়াৰ উপৰি আজি অনুষ্ঠিত ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ প্ৰথম ৰাউণ্ডৰ খেলত অসমৰ বিষ্ণুপ্ৰিয়া বৰগোহাঁই, নম্ৰতা দাস, নিকিতা কান্দ আৰু নিষ্ঠা পি বেজবৰুৱা বিজয়ী হোৱাৰ পৰিৱৰ্তে কৃতিকা কলিতা, চাহত ছেঠিয়া, নাবিহা মৰিয়ম, আড্ৰিকা ৰাজকুমাৰী আৰু সমৃদ্ধি দত্ত পৰাজিত হয়।

## আইচিচি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপক শীৰ্ষত অষ্ট্ৰেলিয়া-দক্ষিণ আফ্ৰিকা

# ফাইনেলৰ পথ কঠিন হ’ল ভাৰতৰ



**নিউজ ব্যুৰ’**
**বাৰ্মিংহাম, ৫ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে শৃংখলাৰ পঞ্চম টেষ্টত পৰাজয়ৰ ফলত আইচিচি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পথ কঠিন হ’ল ভাৰতৰ। আজিৰ পৰাজয়ৰ ফলত তালিকাৰ তৃতীয় স্থানতে থাকিবলগীয়া হৈছে ভাৰতে। এই পৰ্যন্ত ১২খন টেষ্ট খেলি ভাৰতে ৫৩.৪৭ শতাংশ পইণ্ট সংগ্ৰহ কৰিছে। প্ৰথম দুটা স্থানত আছে ক্ৰমে অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকা। ২০২৩ত দ্বিতীয় বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল অনুষ্ঠিত হ’ব। ফাইনেলৰ পূৰ্বে ভাৰতে আৰু ছখন টেষ্ট খেলিব। ইয়াৰ ভিতৰত আছে ঘৰুৱা খেলপথাৰত অষ্ট্ৰেলিয়াৰ বিপক্ষে চাৰিখনীয়া টেষ্টৰ শৃংখলা। ইয়াৰ উপৰি বাংলাদেশৰ বিপক্ষে দুখন টেষ্ট খেলিব। আগন্তুক ছখন টেষ্টত জয়ী হ’ব পাৰিলে ভাৰতৰ পইণ্ট হ’ব ৬৮.৯৮ শতাংশ। সম্প্ৰতি অষ্ট্ৰেলিয়াই ৭৭.৭৮ শতাংশ আৰু দক্ষিণ আফ্ৰিকাই ৭১.৪৩ শতাংশ পইণ্ট লাভ কৰি আছে।

উল্লেখ্য যে অষ্ট্ৰেলিয়াই এতিয়াও ১০খন টেষ্ট খেলিবলৈ বাকী আছে। দলটোৱে শ্ৰীলংকাৰ বিপক্ষে এখন, ভাৰতৰ বিপক্ষে চাৰিখন, ৱেষ্টইণ্ডিজৰ বিপক্ষে দুখন আৰু দক্ষিণ আফ্ৰিকাৰ বিপক্ষে তিনিখন টেষ্ট খেলিব। দ্বিতীয় স্থানত থকা দক্ষিণ আফ্ৰিকাই এতিয়াও আঠখন টেষ্ট খেলিবলৈ বাকী আছে। অষ্ট্ৰেলিয়াৰ উপৰি ইংলণ্ডৰ বিপক্ষে দক্ষিণ আফ্ৰিকাই তিনিখন তথা ৱেষ্টইণ্ডিজৰ বিপক্ষে দুখন টেষ্ট খেলিব। এনে পৰিস্থিতিত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ পৰাজয়ৰ আশাত বহি থাকিব লাগিব ভাৰতে। দল দুটাই অধিকাংশ টেষ্টত পৰাজিত হ’লেহে ভাৰতৰ ফাইনেলৰ সম্ভাৱনা সজীৱ হৈ থাকিব।

# ২৩সংখ্যক গ্ৰেণ্ডশ্লামৰ সম্ভাৱনা নাডালৰ

## উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত হালেপ-এনিছিম’ভা-কিৰ্গিয়জ



জয়ৰ মুহূৰ্তত ছিম’না হালেপৰ উল্লাস।

**নিউজ ব্যুৰ’**
**লণ্ডন, ৫ জুলাই ঃ** ব্যক্তিগত ২৩সংখ্যক গ্ৰেণ্ড শ্লাম ছিংগল্‌ছ খিতাপ জয়ৰ সম্ভাৱনা উজ্জ্বল কৰি ৰাখিলে ৰাফেল নাডালে। পুৰুষ টেনিছৰ সৰ্বাধিক গ্ৰেণ্ড শ্লাম বিজয়ীজনে কালি চলিত উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। পুৰুষ ছিংগল্‌ছৰ চতুৰ্থ ৰাউণ্ডৰ খেলত নাডালে নেদাৰলেণ্ডৰ ব’টিক ভান ডে জাণ্ডছুপক ৬-৪, ৬-২, ৭-৬ ছেটত পৰাজিত কৰে। পুৰুষৰ বিভাগত নিক কিৰ্গিয়জেও কালিৰ খেলত জয়ী হৈ প্ৰথমবাৰলৈ গ্ৰেণ্ড শ্লামৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। চতুৰ্থ ৰাউণ্ডৰ খেলখনত কিৰ্গিয়জে আমেৰিকাৰ ব্ৰেণ্ডন নাকাছিমাক তুমুল সংগ্ৰামৰ অন্তত ৪-৬, ৬-৪, ৭-৬ (৭/২), ৩-৬, ৬-২ ছেটত পৰাজিত কৰে।

ইপিনে, প্ৰাক্তন এক নম্বৰ খেলুৱৈ ছিম’না হালেপেও দ্বিতীয় উইম্বলডন খিতাপৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে। ৰোমানিয়াৰ তাৰকাগৰাকীয়ে কালি চতুৰ্থ বাছনিপ্ৰাপ্ত পাউলা বাড’ছাক ৬-১, ৬-২ ছেটত বিধ্বস্ত কৰে। উল্লেখ্য যে মহিলাৰ ছিংগল্‌ছত এই পৰ্যন্ত তিষ্ঠি থকা হালেপেই হৈছে একমাত্ৰ প্ৰাক্তন চেম্পিয়ন। ইফালে, অষ্ট্ৰেলিয়াৰ আলা টমলান’ভিচে বেলজিয়ামৰ তাৰকা এলিজে কৰ্ণেটিক ৪-৬, ৬-৪, ৬-৩ ছেটত পৰাজিত কৰি অন্তিম আঠত স্থান নিশ্চিত কৰে। ইয়াৰ উপৰি প্ৰতিযোগিতাৰ চমক সৃষ্টিকাৰী ফ্ৰান্সৰ হাৰমনী টেনৰ স্বপ্নৰ দৌৰ সমাপ্ত কৰিলে আমেৰিকাৰ আমাণ্ডা এনিছিম’ভাই। ২০ বছৰীয়া খেলুৱৈগৰাকীয়ে কালিৰ খেলত ৬-২, ৬-৩ ছেটত বিজয়ী হৈ প্ৰথমবাৰলৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।



খেলৰ এক মুহূৰ্তত ৰাফেল নাডাল

## দেৰগাঁৱত ৰাজ্যিক ভিত্তিত আছিহাৰা কাৰাটে

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ৫ জুলাই ঃ** দেৰগাঁও আছিহাৰা কাৰাটে স্কুলৰ উদ্যোগত ৰাইজৰ সহযোগত অহা ২৩, ২৪ জুলাইত দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত দ্বিতীয় বাৰ্ষিক ৰাজ্যিক আছিহাৰা কাৰাটে প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে অভিজিত বৰাক সভাপতি, কৃষ্ণ বাহাদুৰ দৰ্জীক কাৰ্যকৰী সভাপতি, শান্তনু কলিতাক সাধাৰণ সম্পাদক, নীলোৎপল বৰুৱা আৰু কৰণ লোহাৰক যুটীয়া সম্পাদকৰূপে লৈ এখনি আয়োজক সমিতি গঠন কৰি প্ৰতিযোগিতাৰ পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। আয়োজকসকলে জনোৱা মতে প্ৰতিযোগিতাৰ প্ৰথম দিনা পুৱা আছিহাৰা স্কুলৰ ৰাজ্যিক সভানেত্ৰী ডাঃ অংশুমিতা গগৈয়ে পতাকা উত্তোলন কৰাৰ পাছত শোভাযাত্ৰা উদ্বোধন কৰিব চক্ৰ বিষয়া চিৰঞ্জিত দাসে। পুৱা ১০ বজাত প্ৰতিযোগিতা উদ্বোধন কৰিব বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীয়ে। দ্বিতীয় দিনা প্ৰতিযোগিতাৰ অন্তত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ পূৰ্বে অনুষ্ঠিত হ’ব বঁটা বিতৰণ আৰু এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান। কে’বাজনো বিশিষ্ট লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আগ্ৰহীসকলক ৯৩৬৫০-৭০১৬৩, ৯৭০৬৮-৮৯৯৪২ বা ৮০১১৮-৫১৫০৭ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবলৈ আহবান জনাই প্ৰতিযোগিতাৰ সফলতাত ক্ৰীড়াপ্ৰেমীৰ সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে।

## উইম্বলডন মিক্সড্‌ ডাবল্‌ছৰ ছেমিফাইনেলত ছানিয়া

**নিউজ ব্যুৰ’**
**লণ্ডন, ৫ জুলাই ঃ** কেৰিয়াৰৰ অন্তিম উইম্বলডন প্ৰতিযোগিতাত চমক দেখুৱাইছে ছানিয়া মিৰ্জাই। ভাৰতীয় তাৰকাগৰাকীয়ে প্ৰথমবাৰলৈ উইম্বলডনৰ মিক্সড্‌ ডাবল্‌ছৰ ছেমিফাইনেললৈ অগ্ৰগতি অৰ্জন কৰিছে। ক্ৰ’ৱেছিয়াৰ সংগী মাটে পেভিচৰ স’তে যুটি বান্ধি ছানিয়াই কালিৰ কোৱাৰ্টাৰ ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত যুটি জন পিয়েৰ্ছ আৰু গেব্ৰিয়েলা ডাবৰস্কিক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৬-৪, ৩-৬, ৭-৫ ছেটত পৰাজিত কৰে। সম্পূৰ্ণ এঘণ্টা ৪১ মিনিটৰ যুঁজত চেক-ভাৰত যুটিটোৱে সাফল্যৰ হাঁহি মাৰে। উল্লেখ্য যে মহিলাৰ ডাবল্‌ছত ছানিয়াই প্ৰথম ৰাউণ্ডৰ পৰাই বাহিৰ হৈছিল। চলিত ছিজনৰ পাছতে ভাৰতৰ সৰ্বকালৰ শ্ৰেষ্ঠ মহিলা টেনিছ খেলুৱৈগৰাকীয়ে অৱসৰ গ্ৰহণ কৰিব।



## পঞ্জাৱত অনুষ্ঠিত ফেডাৰেছন কাপত অসমৰ চাৰি খেলুৱৈৰ স্বৰ্ণ



**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ জুলাই ঃ** ইণ্ডিয়ান পাৱাৰ লিফটিং ফেডাৰেছনৰ তত্বাৱধানত পঞ্জাৱৰ কপুৰথালাত চাৰি দিনীয়াকৈ অনুষ্ঠিত হোৱা ফেডাৰেছন কাপ ২০২২ত অসম স্প’ৰ্টছ পাৱাৰলিফটিং এছ’চিয়েছনৰ অধীনত অসমক প্ৰতিনিধিত্ব কৰি সোণৰ পদকেৰে অসমৰ নাম উজলাবলৈ সক্ষম হৈছে অসমৰ চাৰি উদীয়মান যুৱ খেলুৱৈয়ে। সুনাম কঢ়িয়াই অনা এই চাৰি উদীয়মান যুৱ খেলুৱৈ হৈছে নগাঁৱৰ বঢ়মপুৰৰ সাৰদ নেওগ, কামৰূপৰ আদিত্যজ্যোতি শইকীয়া, হোজাইৰ বেবী সাহা আৰু জাগীৰোড পেপাৰ মিল কল’নীৰ লনী দাৰফাঙে। ইয়াৰে সাৰদে এশ কেজি অসজ্জিত পুৰুষ শাখাত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে আদিত্যজ্যোতিয়ে ৬৭.৫ কেজি অসজ্জিত পুৰুষ শাখাত সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে বেবীয়ে ৬০ কেজি মহিলাৰ অসজ্জিত শাখাত সোণৰ পদক অৰ্জন কৰাৰ সমান্তৰালভাৱে লনীয়ে ৬৭.৫ কেজি মহিলাৰ অসজ্জিত শাখাত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। সোণৰ পদক অৰ্জন কৰা অসমৰ আটাইকেগৰাকী যুৱক-যুৱতীলৈ অসম স্প’ৰ্টছ পাৱাৰলিফটিং এছ’চিয়েছনৰ বিষয়ববীয়াসকলৰ তৰফৰ পৰা উষ্ম অভিনন্দন জনাইছে। লগতে নগাঁও সদৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে নগাঁৱৰ যুৱক সাৰদলৈ অভিনন্দন জনোৱাৰ লগতে উষ্ম আদৰণি জনাইছে। ভৱিষ্যতে আৰু অধিক পদক অৰ্জনৰে নগাঁৱলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয় তাৰেই কামনা কৰে বিধায়কদ্বয়ে। উল্লেখ্য যে বঢ়মপুৰ বিধানসভা সমষ্টিৰ নেধাৰগাঁও নিবাসী ৰত্নেশ্বৰ নেওগ আৰু কুসুম নেওগৰ একমাত্ৰ পুত্ৰ উদীয়মান যুৱ খেলুৱৈ সাৰদ সম্প্ৰতি শিলচৰত অভিযান্ত্ৰিকৰ স্নাতক মহলাত অধ্যয়নৰত। তেওঁ সম্প্ৰতি নগাঁৱৰ প্ৰশিক্ষক ছাহিল হুছেইনৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।

## খেল’ ইণ্ডিয়াত ডিব্ৰুগড়ৰ ইমদাদুলৰ ৰূপ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৫ জুলাই ঃ** খেল’ ইণ্ডিয়াৰ হাৰিয়ানাত সদ্যসমাপ্ত বক্সিং প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ ইমদাদুল হুছেইনে কঢ়িয়াই আনিছে সফলতা। হাৰিয়ানাত অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ হৈ ৬২.৩ কেজি শাখাত অংশগ্ৰহণ কৰি ইমদাদুলে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত পদক অৰ্জন কৰি ডিব্ৰুগড়ত উপস্থিত হোৱা ইমদাদুলক আজি ডিব্ৰুগড় বিমানকোঠত ডিব্ৰুগড় ক্ৰীড়া সন্থাৰ লগতে অন্যান্য দল-সংগঠনে বিপুলভাৱে আদৰণি জনায়। বক্সিঙৰ দৰে খেলত অসমত সা-সুবিধা তথা আন্তঃগাঁথনি বহু কম। সীমিত সা-সুবিধাৰ মাজেৰেই আগবাঢ়িছে ইমদাদুলহঁতৰ দৰে খেলুৱৈসকলে। তাৰ মাজেৰেই তেওঁলোকে আঁজুৰি আনিছে ৰাষ্ট্ৰীয় পদক। অধিক সা-সুবিধা পালে বহু ভাল ফলাফল অসমৰ খেলুৱৈসকলে লাভ কৰিবলৈ সক্ষম হ’ব বুলি কয়।

## ত্ৰিনয়ন গোষ্ঠী-নৱম অসম আৰক্ষীৰ খেল ড্ৰ



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৫ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি ত্ৰিনয়ন গোষ্ঠী বনাম বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীৰ মাজত অনুষ্ঠিত খেলখন ২-২ গ’লত ড্ৰ হয়। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত ত্ৰিনয়ন গোষ্ঠীৰ হৈ গ’ল দুটা ক্ৰমে অভিষেক তিৰ্কী (৪৭ মিঃ) আৰু লংপ্ৰেম ডেৰা (৬৪ মিঃ)ই দিয়াৰ বিপৰীতে নৱম অসম আৰক্ষী বাহিনীৰ হৈ গ’ল দুটা দিয়ে ক্ৰমে প্ৰান্ত বৰা (দুই মিঃ) আৰু বিপুল বড়ো (৭০ মিঃ)ৰে। খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে নয়ন হোকাই, পাৰ্শ্বজ্যোতি দাস আৰু অ’হিদুজ জামানে (চতুৰ্থ)। উল্লেখ্য যে নৱম অসম আৰক্ষী বাহিনীৰ গ’লৰক্ষক ৰেকিবুল হক শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023



বিল্যসনন্দন চৰ্চা



# দলংবোৰ কেতিয়া মানে বনিব?

বানপানী আহিল, এমূৰৰ পৰা সৰ ধাহি-মুহি নিলে। ৰাস্তা-দলং ভাঙি তচনচ হ'ল। ইখন ঠাইৰ পৰা সিখন ঠাইলৈ যাবলৈ কোনো উপায় নোহোৱা হ'ল। ইখন ঠাইৰ মানুহে সিখন ঠাইৰ মানুহৰ লগত চিঞৰি চিঞৰি কথা পাতিব লগা হ'ল— 'হেৰা, কি কৰিছা?'

ঃ কি কৰিবা আৰু? পথাৰখন চাই আছো।
ঃ খেতি কৰিবানে আৰু?
ঃ ক'ত খেতি কৰিবাহে?
ঃ ময়ো এইবাৰ নকৰো বুলিয়ে ভাবিছো।
ঃ পিছে খেতি নকৰি কৰিবা কি?
ঃ বেচিয়ে দিও নেকি মাটিখিনি?
ঃ ময়ো বেচিম বুলিয়ে ভাবিছিলো, কিন্তু...
ঃ কিন্তু কি?
ঃ বেয়া লাগেহে?
ঃ কিহৰ কাৰণে?
ঃ নহয় মানে পিতৃভূমিতো, বেচিবলৈ অলপ দুখ লাগে।
ঃ বাদ দিয়াহে এইবোৰ। ৰেলৰ পৰা বেংকলৈকে সৱ বেছি দিছে। সাধাৰণ মাটিডোখৰ বেচিবলৈ আমি ইমান চিন্তা কৰাৰ দৰকাৰ নাই নহয়।
ঃ তোমাৰ কথাৰো যুক্তি এটা আছে।
ঃ পিছে আমি এনেকৈয়ে থাকিব লাগিব নেকি?
ঃ কেনেকৈ?



ঃ এই যে ৰাস্তা-দলংবোৰ গ'ল, সেইবোৰ এনেকৈয়ে থাকিব নে কেতিয়াবা বনিব?
ঃ বনিব বনিব!
ঃ তুমি কেনেকৈ জানিলা বনিব বুলি?
ঃ অচ্ছে দিন চলি আছে নহয়!
ঃ কিমান দিনত বনিব।
ঃ এইবোৰ কথা তেনেকৈ কৈ দিব নোৱাৰি।
ঃ তেনেহ'লে?
ঃ এই যে আমাৰ দলংখন বানে ভাঙি পেলালে...
ঃ বানেইতো ভাঙিছে!
ঃ চৰকাৰীভাৱে তদন্ত কৰা হ'ব।
ঃ কিহৰ তদন্ত?
ঃ দলংখন বানে ভাঙিছে নে মানুহে ভাঙিছে?
ঃ মানুহে কিয় ভাঙিবহে? বানেই ভাঙিছে।
ঃ সেয়া তদন্তত প্ৰমাণিত হ'ব লাগিব। যদি বানে ভঙা বুলি প্ৰমাণিত হয়, তেতিয়া...
ঃ তেতিয়া লগে লগে নতুন দলং বনোৱাৰ কাম আৰম্ভ হ'ব।
ঃ নহয়।
ঃ কি হ'ব?
ঃ দলংখনৰ জৰীপ চলিব।
ঃ জৰীপৰ পাছত বনোৱাৰ কাম আৰম্ভ হ'ব চাগে!
ঃ নহয়।
ঃ তেন্তে দলংখন বনাবলৈ কিমান টকা লাগিব তাৰে হিচাপ উলিওৱা হ'ব।
ঃ তাৰ পাছত?
ঃ তাৰ পাছত পৰীক্ষা কৰি চোৱা হ'ব ভঁৰালত সিমানখিনি টকা আছে নে নাই?
ঃ তাৰ পাছত?
ঃ যদি টকা আছে, তেন্তে নিবিদা আহ্বান কৰা হ'ব।
ঃ তাৰ পাছত?
ঃ ঠিকাদাৰবোৰে নিবিদা দিব।
ঃ তাৰ পাছত?
ঃ শতাংশৰ অংকটো যাৰ লগত মিলে, তেওঁ নিবিদা পাব।
ঃ তাৰ পাছত দলঙৰ কাম আৰম্ভ হৈ যাব।
ঃ নহয়।
ঃ আৰু কি কাম আছে?
ঃ লোকেল এমেলে বা মিনিষ্টাৰ আহি যাব ক্ৰেডিট ল'বলৈ।
ঃ কি কৰিব?
ঃ আধাৰশিলা স্থাপন কৰিব।
ঃ আধাৰশিলাৰ পাছত দলং?
ঃ তেতিয়াও নহ'ব পাৰে।
ঃ কিয়?
ঃ বেলেগ কিবা কামত খৰচ কৰিবলৈ যদি টকা নোহোৱা হয়, তেতিয়া দলং বনাবলৈ থোৱা টকাখিনিকে লৈ যোৱা হ'ব।
ঃ তেতিয়া আমি ৰাইজে কি কৰিম?
ঃ আধাৰশিলাটোকে পূজা কৰি থাকিব লাগিব।
ঃ কি বুলি?
ঃ হে অচ্ছে দিন তোমাৰ ম্যাদ বাৰু কেতিয়া মানে উকলিব?

# কামপুৰত আশ্ৰয় শিবিৰত দুই মহিলাৰ মৃত্যু

বিশেষ সংবাদদাতা

নগাঁও, ৫ জুলাই ঃ বান বিধ্বস্ত কামপুৰত আশ্ৰয় শিবিৰতে আজি মৃত্যু হৈছে দুগৰাকীকৈ মহিলাৰ। কপিলীৰ বলিয়া বানত নিজৰ ঘৰবাৰী এৰি আশ্ৰয় শিবিৰত থকা কামপুৰ ঘিলানীৰ দিপালী ভড়ালী নামৰ এগৰাকী মহিলা বিভিন্ন ৰোগত আক্ৰান্ত হৈ একমাত্ৰ উপযুক্ত চিকিৎসাৰ অভাৱত শিবিৰতে মৃত্যু হয়। মৃত মহিলাগৰাকী কামপুৰ চৰাইহাগীত ৰাজহুৱা মঞ্চত শিবিৰ পাতি আছিল।

আনহাতে, কামপুৰ চৰাইহাগীত মথাউৰিৰ ওপৰত শিবিৰত থকা অনুমাই বৰুৱা নামৰ আন এগৰাকী মহিলা ডায়েৰীয়াত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বানাক্ৰান্ত শিবিৰসমূহত শেহতীয়াকৈ জ্বৰ, পেটৰ বেমাৰ, মূৰৰ বিষ আদি বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে।

# ঐতিহ্যমণ্ডিত বস্ত্ৰ শিল্প দেখি অভিভূত হৈ পৰিল বিদেশৰ পৰা অহা জনপ্ৰতিনিধি



# বস্ত্ৰ নগৰীত পত্নীৰ স'তে ছিংগাপুৰৰ মন্ত্ৰী থাৰমান ছনমুগাৰত্নম

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ৫ জুলাই ঃ ছাঁতে শুকোৱা মুঠিতে লুকুৱা ঐতিহ্যমণ্ডিত বস্ত্ৰ শিল্প দেখি অভিভূত হৈ পৰিল ছিংগাপুৰৰ পৰা অহা মন্ত্ৰী থাৰমান ছনমুগাৰত্নম আৰু তেওঁৰ সহধৰ্মিণী মেদাম ইটোগী যানে। আজি ছিংগাপুৰৰ মন্ত্ৰীজনে তেওঁৰ সহধৰ্মিণীসহ কামৰূপ জিলা প্ৰশাসনৰ কটকটীয়া নিৰাপত্তাৰ মাজৰে শুৱালকুছিত উপস্থিত হয়। পুৱা ১০ বজাত উপস্থিত হৈ তেওঁলোকে স্থানীয় দামোদৰ দেৱ মন্দিৰ পথৰ ৰিংকি চিল্ক উইভিং ফেক্টৰীত উপস্থিত হৈ তাত প্ৰথমে মুগালেটা কিদৰে উৎপন্ন হয় তাক নিৰীক্ষণ কৰে। তাৰ পাছতে মুগালেটাৰ পৰা মুগা সূতা উৎপাদন পদ্ধতি, সূতাৰ পৰা মহুৰা ফুৰোৱা, ববীন ফুৰোৱা আদি প্ৰত্যক্ষ কৰে। পাছত উক্ত ফেক্টৰীত প্ৰায় ২০খন তাঁতশালত শিপিনীসকলে উৎপাদন কৰি থকা পাট আৰু মুগাৰ কাপোৰ প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে। তেওঁলোকে কাপোৰ উৎপাদন সন্দৰ্ভত শিপিনীসকলৰ লগত দোভাষীৰ জৰিয়তে জানিবলৈ চেষ্টা কৰাৰ লগতে কৰ্মৰত শিপিনীসকলৰ মনৰো বুজ লয়। তেওঁলোকে নিজৰ ভাব প্ৰকাশ কৰি এনে শিল্পী বিশ্বতে বিৰল বুলি দোহাৰে। পাছত মন্ত্ৰী আৰু তেওঁৰ পত্নীয়ে সমীপতে থকা দামোদৰ দেৱ মন্দিৰ পূজা মণ্ডপত অনুষ্ঠিত কৰা প্ৰদৰ্শনী এখনত উপস্থিত হৈ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্নজনে অস্থায়ীভাৱে স্থাপন কৰা পাট, মুগা, এৰী কাপোৰৰ বিপণীসমূহ প্ৰত্যক্ষ কৰি অত্যন্ত সুখী হয়। পাট মুগাৰ কাপোৰবোৰ দুয়োগৰাকীয়ে লিৰিকি-বিদাৰি চাই আৰু ইয়াৰ বিষয়ে জানিব বিচাৰে। বিষয়টো সন্দৰ্ভত শুৱালকুছি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° নিহাৰঞ্জন কলিতাই তেওঁলোকক বিস্তৃতভাৱে বুজাই দিয়াত তেওঁলোক গভীৰ সন্তুষ্টি লাভ কৰে। ছিংগাপুৰৰ দলটিৰ লগত অসমৰ হস্ততাঁত বস্ত্ৰ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, কামৰূপৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন, ৰেচম সঞ্চালিকা কাজৰি ৰাজখোৱা, হস্ততাঁত বস্ত্ৰ বিভাগৰ সঞ্চালক পৰাগ মণি মহন্ত, আই এছ বিষয়া দিলীপ কুমাৰ বৰা প্ৰমুখ্যে কে'বাগৰাকী উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। মন্ত্ৰী ছনমুগাৰত্নম আৰু তেওঁৰ পত্নী যানে দুটা গছপুলিয়ো ৰোপণ কৰে। ইয়াৰ পাছত দলটি গুৱাহাটী আই আই টিলৈ যায়।



**চৰকাৰৰ অসংখ্য আঁচনিয়েও ঢুকি নোপোৱা বৃদ্ধাগৰাকীৰ জীৱন সংগ্ৰামে চকু সেমেকাব আপোনাৰ**

# বাগ্‌সাৰ এগৰাকী বৃদ্ধাৰ কৰুণ জীৱন সংগ্ৰাম

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৫ জুলাই ঃ** এগৰাকী অসহায় বৃদ্ধা। বৃদ্ধাগৰাকীৰ কৰুণ জীৱন যাপন দেখিলে চকু সেমেকিব সকলোৰে। বাগ্‌সাৰ জাখলিবিল পথাৰ গাঁৱৰ গছন বেগম নামৰ অকলশৰীয়া বৃদ্ধাগৰাকীৰ আশ্ৰয়স্থল বুলিবলৈ নাই এটি বাসগৃহ। আছে মাথোন ফটা-ছিটা প্লাষ্টিকৰ বস্তা মেৰিয়াই সজা এটা অতি জৰাজীৰ্ণ পংজা। য'ত অতি কৰুণ তথা দুৰ্বিষহ জীৱন কটাই আহিছে বিধৱা অকলশৰীয়া বৃদ্ধাগৰাকীয়ে। কেতিয়াবা যদি পথৰ ঢেকীয়া-কচু বিক্ৰী কৰি এমুঠি আহাৰ খাবলৈ পাইছে, কেতিয়াবা অনাহাৰে দিন কটাইছে বৃদ্ধাগৰাকীয়ে। সভ্য মানৱ সমাজৰ ভেঙুচালি কৰা বৃদ্ধাগৰাকীৰ জীৱন সংগ্ৰামৰ দৃশ্যই কিন্তু চুব পৰা নাই চৰকাৰ কিম্বা স্থানীয় জনপ্ৰতিনিধিক। কিয়নো প্ৰতিবাৰেই ভোটাধিকাৰ সাব্যস্ত কৰি অহা হৈ অসহায় বৃদ্ধাগৰাকীয়ে আজি পৰ্যন্ত লাভ নকৰিলে এটি চৰকাৰী বাসগৃহ তথা চৰকাৰী কোনো সা-সুবিধা। ইফালে, বৃদ্ধাগৰাকীৰ এই কৰুণ দৃশ্য দেখি স্থানীয় সচেতন ব্যক্তিয়ে বৃদ্ধাগৰাকীক উপযুক্ত সহায়ৰ বাবে চৰকাৰ আৰু দয়াবান ব্যক্তিক আহ্বান জনাইছে। বৃদ্ধা গছন বেগম ইউনিয়ন বেংকৰ বৰপেটাৰোড শাখাত থকা একাউণ্ট নম্বৰ ৩৪৪১০২০১০৩৮১৬৪৯, আই এফ এছ চি ঃ ইউবিআইএন০৫৩৪৪১২ যোগে সামৰ্থৱান ব্যক্তিৰ সহায় বিচাৰিছে স্থানীয় ৰাইজে। যি সময়ত চৰকাৰে দৰিদ্ৰ লোকৰ বাবে অসংখ্য আঁচনি হাতত লৈছে, তেনে সময়ত এই অসহায় বৃদ্ধাগৰাকীক তেনে আঁচনিৰ দ্বাৰা উপকৃত কৰিবলৈ জনপ্ৰতিনিধি তথা জিলা প্ৰশাসনৰ সুদৃষ্টি কামনা কৰিছে স্থানীয় ৰাইজে।



# চাহ জনজাতি জাতীয় সন্মিলনীৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰিলে মন্ত্ৰী পীযুষে

**গুৱাহাটী, ৫ জুলাই ঃ** চাহ জনগোষ্ঠীৰ জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ বাবে গঠন হোৱা চাহ জনজাতি জাতীয় সন্মিলনীৰ গুৱাহাটী ৰূপনগৰত নৱনিৰ্মিত প্ৰধান কাৰ্যালয়ৰ উদ্বোধন কৰে সামাজিক ন্যায়, সৱলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। মন্ত্ৰী হাজৰিকাই বন্তি প্ৰজ্বলন তথা ফিটা কাটি চাহ জনজাতি জাতীয় সন্মিলনীৰ মুখ্য কাৰ্যালয়ৰ উদ্বোধনৰ পাছতে চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি পৃথিৱী মাঝীৰ সভাপতিত্বত চাহ জনজাতি কল্যাণ সঞ্চালকালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গুৰুত্বপুৰ্ণ সভাতো অংশগ্ৰহণ কৰে। সভাত চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাছা, পল্লৱ লোচন দাস, চাহ জনজাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক ভাস্কৰ ফুকন, আটছাৰ সভাপতি ধীৰাজ গোৱালা, সাধাৰণ সম্পাদক জগদীশ বৰাইককে প্ৰমুখ্যে কৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সন্মিলনীৰ সম্পাদক অৰুণ কাৱৰে আঁতধৰা সভাত শীঘ্ৰে চাহ জনগোষ্ঠীৰ জাতিগত প্ৰমাণপত্ৰৰ ক্ষেত্ৰত থকা সকলো সমস্যা সমাধান কৰি এখন শুদ্ধ জাতিৰ তালিকা প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে মন্ত্ৰী পীযুষ হাজৰিকাই।

**মানৱ সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হৈছে নগাঁও জিলাৰ জাজৰিত**

# তিনি মোমায়েকৰ কামনাৰ বলি হ'ল এগৰাকী ১৪ বছৰীয়া কিশোৰী

**অগ্ৰদূত বাৰ্তা**

**বটদ্ৰৱা, ৫ জুলাই ঃ** মানৱ সমাজক লজ্জানত কৰা ঘটনা সংঘটিত হৈছে নগাঁৱৰ জাজৰিত। জাজৰিৰ গোসাঁইবৰীত তিনি পাষণ্ড মোমায়েকৰ কামনাৰ বলি হ'ল ১৪ বছৰীয়া ভাগিনী। নাৱালিকা কিশোৰীগৰাকীয়ে মোমায়েকৰ ঘৰতে থাকি পঢ়া-শুনা কৰিছিল। ইয়াৰে সুবিধা লৈ তিনি পাষণ্ড মোমায়েক মনোজ বৰা, ৰবিন বৰা আৰু দীপমণি বৰাই বহুদিনৰ পৰা কিশোৰীগৰাকীক যৌন উৎপীড়ন চলাই আহিছিল। যাৰ ফলত অন্তঃসত্তা হ'ল কিশোৰীগৰাকী।

ইতিমধ্যে কিশোৰীগৰাকীৰ মাকৰ এজাহাৰৰ ভিত্তিত জাজৰি আৰক্ষীয়ে আটক কৰিছে পাষণ্ড মোমায়েক মনোজ বৰা আৰু ৰবিন বৰাক। আনহাতে, পলাতক আন এক পাষণ্ড মোমাই দীপমণি বৰা।

# ৰঙাপৰাত ভয়ংকৰ অগ্নিকাণ্ড, কে'বা লাখ মূল্যৰ সম্পত্তি ধ্বংস

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৫ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত যোৱা নিশা প্ৰায় এক বজাত ভয়ংকৰ অগ্নিকাণ্ডত চাৰিটাকৈ কাপোৰৰ গুদাম জুইত জাহ যায়। ৰঙাপৰা ১০ নম্বৰ ৱাৰ্ডৰ গান্ধী মৈদাম খেলপথাৰৰ সমীপত সংঘটিত এই অগ্নিকাণ্ডত ৩৬ গৰাকী ব্যৱসায়ীৰ গুদামত মজুত কৰি ৰখা কে'বা লাখ টকা মূল্যৰ কাপোৰ জুইত ভস্মীভূত হয়। গুদাম কেইটাত ঈদৰ বাবে নতুন সংগ্ৰহৰ কাপোৰ মজুত কৰি ৰখা হৈছিল বুলি জানিব পৰা গৈছে। গুদাম কেইটা জ্বলি যোৱাত কান্দোনত ভাগি পৰে গুদামৰ কাপোৰ ব্যৱসায়ীসকল। ৰঙাপৰা চহৰৰ পদপথত কাপোৰৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে পদপথত ব্যৱসায় কৰি জীৱন জীৱিকা নিৰ্বাহ কৰি আছিল। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ পাছতেই ৰঙাপৰাত থকা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নুমাবলৈ সক্ষম হয়। অগ্নিকাণ্ডটো কেনেকৈ সংঘটিত হ'ল তাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। উল্লেখ্য যে গুদামটো জ্বলি যোৱাত ৰঙাপৰা চহৰখনৰ পদপথত কাপোৰৰ দোকান দি ব্যৱসায় কৰি অহা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিছে। হঠাৎ সংঘটিত হোৱা এই অগ্নিকাণ্ডৰ ঘটনাক লৈ ব্যৱসায়ীসকল সম্প্ৰতি হতাশাত ভাগি পৰিছে। বিক্ৰীৰ বাবে ৰাখি থোৱা কাপোৰবোৰ অগ্নিকাণ্ডত সম্পূৰ্ণভাৱে ভস্মীভূত হোৱাত ব্যৱসায়ীসকলৰ অৱস্থা শোচনীয় হৈ পৰিছে। এই ঘটনাই সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইপিনে ঘটনাস্থলীত ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতী চক্ৰ বিষয়া অদিতি গগৈ, পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস উপস্থিত হৈ ঘটনাৰ বুজ লয়। উল্লেখ্য যে পেটে-ভাতে খোৱা এইসকল পদপথৰ ব্যৱসায়ীসকলক চৰকাৰৰ পৰা বিধায়কৰ জৰিয়তে আৰ্থিক সাহায্য আগবঢ়াবলৈ আহ্বান জনায়।

# বিশ্বনাথ নগৰত মৃত্যু হোৱা এগৰাকী বৃদ্ধৰ পৰিচয় বিচাৰি হাহাকাৰ সদৰ আৰক্ষীৰ

## পৰিচয় বিচাৰি সংবাদ মাধ্যমৰ কাষ চাপিল আৰক্ষী

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৫ জুলাই ঃ যোৱা তিনি জুলাইত বিশ্বনাথ নগৰৰ মাজমজিয়া তথা পুলিচ পইন্টৰ সমীপত প্ৰায় ৬০ বছৰ বয়সৰ এজন লোক বৈ থকা অৱস্থাত হঠাৎ মাটিত ঢলি পৰি মৃত্যুক আকোঁৱালি লৈছিল। লোকজনৰ মৃত্যুৰ কাৰণ জান্বি পৰা হোৱা নাই যদিও ষ্ট্ৰোক হৈ মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে। ঘটনাৰ লগে লগে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ লোক ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত লোকজনৰ পৰিচয় আৰক্ষীয়ে লাভ কৰিবলৈ সক্ষম হোৱা নাই। আৰক্ষীয়ে লোকজনৰ মৰণোত্তৰ পৰীক্ষাৰ ফলাফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইফালে যোৱা তিনি জুলাইত মৃত্যু হোৱা লোকজনৰ পৰিচয় সন্দৰ্ভত বিশ্বনাথ সদৰ আৰক্ষীৰ দলে তথ্য বিচাৰি আছে যদিও আজি পৰ্যন্ত পৰিচয় সন্দৰ্ভত আৰক্ষীয়ে কোনো সম্ভেদ লাভ কৰা নাই। যাৰ বাবে মৃতদেহটো এতিয়াও বিহালী চিভিল হস্পাতালৰ মৰ্গত ৰাখি থোৱা হৈছে। কাইলৈৰ ভিতৰত ৭২ ঘণ্টা সম্পূৰ্ণ হোৱাৰ পাছতো যদি মৃতদেহটোৰ পৰিচয় লাভ নকৰে তেন্তে বিশ্বনাথ আৰক্ষীয়ে নিজাববীয়াকৈ সৎকাৰ কৰিব। যাৰ বাবে আজি বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানা চৌহদত এগৰাকী আৰক্ষী বিষয়াই উক্ত মৃত দেহটোৰ পৰিচয়ৰ সন্ধানৰ ক্ষেত্ৰত সংবাদ মাধ্যামৰ কাষ চাপে।

# বঙাইগাঁৱৰ বাশবাৰীত চৰকাৰ, প্ৰশাসন, জনপ্ৰতিনিধিৰ প্ৰতি আস্থা হেৰুৱাইছে নৈপৰীয়া ৰাইজে

**খহনীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ পূজা-অৰ্চনা**



অগ্ৰদূত বাৰ্তা,

কাজলগাঁও, ৫ জুলাই ঃ বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুই নম্বৰ বাশবাৰীত আই নৈৰ খহনীয়াত তিনি শতাধিক পৰিয়াল গৃহহীন হৈছে। বিগত এমাহত নৈৰ বুকুত বিলীন হৈছে এটাৰ পাছত এটাকৈ বাসগৃহ, অনুষ্ঠান, প্ৰতিষ্ঠান, পকী পথ। নৈৰ বুকুত বিলীন হৈছে অভয়াপুৰী উত্তৰ সমষ্টিৰ ডাঙাইগাঁও-কীৰ্ত্তনপাৰা সংযোগী গুৰুত্বপূৰ্ণ পকী পথ। খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰ প্ৰশাসনে চেষ্টা কৰিছে যদিও সম্পুৰ্ণৰূপে ব্যৰ্থ হৈছে। কিছুদিন আগতে ঠাইখনত খহনীয়া পৰিদৰ্শন কৰিবলৈ আহিছিল জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা। মন্ত্ৰীয়ে জিলা উপায়ুক্তক অস্থায়ী প্ৰতিৰোধৰ নিৰ্দেশ দিয়াৰ পাছত জলসম্পদ বিভাগে পাৰ্কুপাইন, গছৰ ঠাৰি, জিঅ' বেগৰ জৰিয়তে প্ৰতিৰোধৰ চেষ্টা কৰিছে যদি সম্পুৰ্ণৰূপে ব্যৰ্থ হৈছে। উপায়ান্তৰ হৈ দুই নম্বৰ বাশবাৰীৰ নৈপৰীয়া আৰু ক্ষতিগ্ৰস্ত ৰাইজে ভগৱানৰ শৰণাপন্ন হৈছে। ভগৱানক শেষ ভৰসা হিচাপে লৈ বাশবাৰীত আই নৈৰ কাষত নৈপৰীয়া ৰাইজে গংগা পূজা অৰ্চনাৰে খহনীয়া প্ৰতিৰোধৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে।




**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com